www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361


অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

জীৱনৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ দিন হ'ল আপুনি জন্ম লোৱা দিনটো আৰু কিয় সেইটো গম পোৱা দিনটো। — মাৰ্ক টোৱেইন


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -



□ প্ৰথম বছৰ □ সংখ্যা- ২৪৩ □ দেওবাৰ □ ১২ জুলাই, ২০২৬ চন □ Volume/Year- I □ Issue- 243 □ Sunday □ 12th July, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page-8


## ৪০ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ নিউজিলেণ্ড ভ্ৰমণ

### ভাৰত-নিউজিলেণ্ড সম্পৰ্ক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১১ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তিনিখন দেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত শনিবাৰে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্টোফাৰ লাক্সনৰ সৈতে এক উচ্চপৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দুয়োখন দেশে নিজৰ দ্বিপাক্ষিক সম্পৰ্কক 'কৌশলগত অংশীদাৰিত্ব'লৈ উন্নীত কৰাৰ ঘোষণা কৰে। লগতে ২০৩০ চনৰ ভিতৰত দুয়োখন দেশৰ মাজত বাণিজ্যৰ পৰিমাণ দুগুণ বৃদ্ধি কৰি প্ৰায় ৩৫,০০০ কোটি টকালৈ নিয়াৰ লক্ষ্যও স্থিৰ কৰে। বৈঠকত মুঠ ১৮টা সুনিৰ্দিষ্ট ফলাফল অৰ্জন কৰা হয়, যাৰ ভিতৰত ১০খন গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হয়। চাৰি বছৰীয়া কাৰ্য্যপৰিকল্পনাৰ ৰূপৰেখাও দাঙি ধৰা হয়, য'ত দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধিৰ বাবে বিভিন্ন দিশ সামৰি লোৱা হয়। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সামুদ্ৰিক সহযোগিতা শক্তিশালী কৰা, ভাৰতীয় নৌসেনা আৰু নিউজিলেণ্ড প্ৰতিৰক্ষা বাহিনীৰ মাজত লজিষ্টিক সহায়-সহযোগিতা বৃদ্ধি কৰা আৰু □ ৬ পৃষ্ঠাত



## ভিয়েটনামত স্পিডব'ট দুৰ্ঘটনাত ১৫ ভাৰতীয়ৰ মৃত্যু



### ২১জনক জীৱন্তে উদ্ধাৰ, কেইবাজনো আহত; প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতিৰ শোক প্ৰকাশ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুলাই ঃ** ভিয়েটনামৰ জনপ্ৰিয় পৰ্যটনস্থলী ফু কুৱক দ্বীপৰ সমীপত শনিবাৰে এক ভয়াবহ স্পিডব'ট দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত কমেও ১৫ গৰাকী ভাৰতীয় পৰ্যটকে প্ৰাণ হেৰুওৱাৰ লগতে আন কেইবাজনো আঘাতপ্ৰাপ্ত হয়। ভিয়েটনামৰ সংবাদমাধ্যম VN Express International-ৰ প্ৰতিবেদন অনুসৰি, নাওখনত মুঠ ৩২ গৰাকী ভাৰতীয় পৰ্যটক আৰু চাৰিজন কৰ্মচাৰী আছিল। দুৰ্ঘটনাটো সংঘটিত হয় ফু কুৱকৰ অন থই দ্বীপপুঞ্জৰ অন্তৰ্গত হন মাই ৰুট নগোৱাই দ্বীপৰ পৰা অন থই বন্দৰলৈ আহি থকা সময়ত। দ্বীপটোৰ পৰা প্ৰায় ৪০০ মিটাৰ দূৰত হঠাৎ স্পিডব'টখন উলটি যায়। সেই সময়ত সাগৰত শক্তিশালী ঢৌ আৰু প্ৰবল বতাহ চলি থকাৰ বাবে উদ্ধাৰ অভিযান অত্যন্ত জটিল হৈ পৰে। প্ৰত্যক্ষদৰ্শীসকলে জানিবলৈ দিয়ে যে নাওখন উলটি যোৱাৰ লগে □ ৬ পৃষ্ঠাত

### গেলেকীৰ বিষ্ণুপুৰত ONGCৰ গেছ পাইপলাইন ফুঁটি গেছ নিৰ্গমন

#### আতংকিত স্থানীয় ৰাইজ; খাদ্য সংকটৰ অভিযোগ

**অসম বাৰ্তা, গেলেকী, ১১ জুলাই:** শিৱসাগৰ জিলাৰ গেলেকীৰ বিষ্ণুপুৰ আদৰ্শ গাঁৱত ONGC-ৰ গেছ পাইপলাইন ফুটি নিৰন্তৰভাৱে গেছনিৰ্গমন হোৱাৰ □ ৬ পৃষ্ঠাত

### অসমৰ বাজেটে ৰাজ্যখনক শীৰ্ষ পঞ্চম স্থানলৈ লৈ যাব

*সৰ্বানন্দ সোণোৱাল*



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুলাই ঃ** অসমৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই শুকুৰবাৰে বিধানসভাত উত্থাপন কৰা ২০২৬-২৭ বৰ্ষৰ পূৰ্ণাংগ বাজেটক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত চলা আলোচনা-সমালোচনাৰ □ ৬ পৃষ্ঠাত

## মণিপুৰৰ কান্তো ছাবালত ৬০০ প্ৰতিবাদকাৰীক বাধা দিলে নিৰাপত্তা বাহিনীয়ে

### মেইটেই সম্প্ৰদায়ৰ ঘৰ জ্বলাই দিয়াৰ অভিযোগ কুকি দুষ্কৃতিকাৰীৰ বিৰুদ্ধে

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১১ জুলাই ঃ** মণিপুৰ ৰাজ্যৰ ইম্ফল পশ্চিম জিলাৰ কান্তো ছাবাল অঞ্চলত শনিবাৰে পুনৰ হিংসাৰ সূত্ৰপাত ঘটে। আৰক্ষী সূত্ৰে জনোৱা মতে, প্ৰায় ৬০০ গৰাকী প্ৰতিবাদকাৰীয়ে অঞ্চলটো অভিমুখে আগবাঢ়ি অহাৰ চেষ্টা চলায়। কিন্তু নিৰাপত্তা বাহিনীয়ে সময়মতে হস্তক্ষেপ কৰি তেওঁলোকক বাধা প্ৰদান কৰে আৰু পৰিস্থিতি নিয়ন্ত্ৰণলয় আনে। এই দ্ৰুত পদক্ষেপৰ ফলত কোনো ধৰণৰ সংঘৰ্ষ বা হতাহতৰ ঘটনা সংঘটিত নহ'ল। আনে এফালে, কিছুসংখ্যক দুৰ্বৃত্তই অঞ্চলটোৰ পৰিত্যক্ত ঘৰসমূহত অগ্নিসংযোগ কৰাৰ চেষ্টা চলায়। কিন্তু নিৰাপত্তা বাহিনীৰ সতৰ্কতা আৰু তৎপৰতাই সেই চেষ্টা বিফল কৰি দিয়ে আৰু কোনো ক্ষয়ক্ষতি হোৱা নাই বুলি জানিবলৈ দিয়ে। ইতিমধ্যে এই ঘটনাৰ সৈতে জড়িত সকলৰ বিৰুদ্ধে আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হৈছে। □ ৬ পৃষ্ঠাত



### সাংবাদিকৰ প্ৰতি দুব্যৱহাৰৰ বিৰুদ্ধে গুৱাহাটী প্ৰেছ ক্লাবত তীব্ৰ প্ৰতিবাদ

#### ডিচিপি সন্তাৰী মিশ্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জুলাই ঃ** ৰাজ্যৰ সাংবাদিক মহলত ব্যপক ক্ষোভৰ সৃষ্টি কৰা দুটা ঘটনাক লৈ শনিবাৰে গুৱাহাটী প্ৰেছ ক্লাবত এক প্ৰতিবাদী সভা অনুষ্ঠিত হয়। শেহতীয়াকৈ কেন্দ্ৰীয় গুৱাহাটী আৰক্ষী জিলাৰ উপায়ুক্ত (ডিচিপি) সন্তাৰী মিশ্ৰই সাংবাদিক চামছুল ৰহমান আৰু বিভাস দাসক তেওঁলোকৰ পেছাদাৰী প্ৰশ্ন সোধাৰ অধিকাৰ প্ৰয়োগ □ ৬ পৃষ্ঠাত

## নিৰ্মল লাংথাছা APCCৰ অনুসূচিত জনজাতি বিভাগৰ নতুন অধ্যক্ষ

### গৌৰৱ গগৈৰ নিযুক্তি; উপদেষ্টা, ভাইচ চেয়াৰমেন, যুটীয়া আহ্বায়ক আৰু সদস্যৰে সমিতি গঠন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুলাই ঃ** প্ৰদেশ কংগ্ৰেছ কমিটীয়ে (APCC) অনুসূচিত জনজাতি বিভাগৰ বাবে এক নতুন নেতৃত্ব ঘোষণা কৰিছে। ৰাজ্যিক কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে নিৰ্মল লাংথাছাক APCCৰ অনুসূচিত জনজাতি বিভাগৰ অধ্যক্ষ পদত নিযুক্তি প্ৰদান কৰে। লগতে □ ৬ পৃষ্ঠাত

## বিটিচিৰ বাজেট হ্ৰাস লাজৰ কথা ঃ দ্বিপেন বড়ো

### ওদালগুৰিত সংবাদমেল; ঋণৰ বোজা আৰু চিকিৎসা মহাবিদ্যালয়ৰ দাবীক সমালোচনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুলাই ঃ** অসম চৰকাৰে বিধানসভাত উত্থাপন কৰা ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটক লৈ ইউপিপিএল নেতা তথা প্ৰাক্তন আবছু সভাপতি দ্বিপেন বড়োৱে তীব্ৰ সমালোচনা কৰে। শনিবাৰে ওদালগুৰি জিলা কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত □ ৬ পৃষ্ঠাত

## নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ নকৰিব ঃ মীৰা বৰঠাকুৰৰ কটাক্ষ

### নিষিদ্ধ সংগঠনৰ সেনাধ্যক্ষক বিপ্লৱী সাজোৱাটো দুৰ্ভাগ্যজনক আখ্যা কংগ্ৰেছ নেত্ৰী গৰাকীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জুলাই ঃ** গুৱাহাটীৰ গণেশগুৰি উৰণসেতুত জুবিন গাৰ্গৰ ছবি অংকনক লৈ সৃষ্টি হোৱা বিতৰ্কই এতিয়া নতুন মোৰ লৈছে। শুকুৰবাৰে বিধানসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিয়া মন্তব্যৰ প্ৰতি লক্ষ্য ৰাখি শনিবাৰে যোৰহাট জিলা কংগ্ৰেছ ভৱনত এখন সাংবাদিক সন্মিলনৰ আয়োজন কৰে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰে। তেওঁ মুখ্যমন্ত্ৰীগৰাকীৰ উদ্দেশ্যে কয়, "নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা কামবিলাক নকৰিব।" জুবিন গাৰ্গৰ ছবি মচি পেলোৱা আৰু পুনৰ অংকন কৰাৰ ঘটনাক লৈ ৰাজ্যজুৰি চলা আলোচনা-সমালোচনাৰ মাজতে মুখ্যমন্ত্ৰীয়ে বিধানসভাত কৈছিল, "যদি দেৱালত ছবি অংকন কৰিবই লাগে তেন্তে বিপ্লৱী পৰেশ বৰুৱাৰ ছবি অংকন □ ৬ পৃষ্ঠাত

### ডিচেম্বৰ-জানুৱাৰীত সম্পূৰ্ণ হ'ব পানবজাৰৰ পুলিচ ছাউনী; চিৰিয়াখানাৰ ২৭ শতাংশ কাম সম্পূৰ্ণ

## আৰক্ষী ৰিজাৰ্ভ আৰু চিৰিয়াখানা পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জুলাই ঃ** ৰাজ্যৰ অভ্যন্তৰীণ সুৰক্ষা আৰু পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ লক্ষ্যৰে শনিবাৰে গুৱাহাটী মহানগৰীত দুখনি গুৰুত্বপূৰ্ণ নিৰ্মাণ প্ৰকল্প পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰথমে তেওঁ পানবজাৰস্থিত নিৰ্মাণাধীন আৰক্ষী ৰিজাৰ্ভ ভৱনত উপস্থিত হৈ কামৰ অগ্ৰগতি যাচাই কৰে। পাছত তেওঁ অসম ৰাজ্যিক চিৰিয়াখানা পৰিদৰ্শন কৰি আধুনিকীকৰণৰ কাৰ্য্য পৰ্যবেক্ষণ কৰে। পানবজাৰৰ আৰক্ষী ছাউনীৰ নতুন অট্টালিকা নিৰ্মাণ প্ৰকল্পটো ৬০৬ কোটি টকা ব্যয়সাপেক্ষে সম্পন্ন কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে পূৰ্বতে □ ৬পৃষ্ঠাত

## অবৈধ খনিজ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ চৰকাৰ

### বহিঃৰাজ্যৰ পৰা অহা বালি-শিলৰ ওপৰত প্ৰতি টনত ১৫০ টকা শুল্ক

**নিউজ ডেস্ক, অসম বাৰ্তা, ১১ জুলাই ঃ** ৰাজ্যৰ খনিজ সম্পদৰ সুশাসন আৰু ৰাজহ বৃদ্ধিৰ লক্ষ্যৰে অসম চৰকাৰে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়াকৈ মন্ত্ৰীসভাৰ বৈঠকত 'আছাম মাইনৰ মিনাৰেল কনচেছন ৰুলছ, ২০১৩' সংশোধনীখন অনুমোদন জনোৱা □ ৬ পৃষ্ঠাত



## দহ বছৰত অসমত প্ৰাকৃতিক দুৰ্যোগত ১, ৪৭৬ জনৰ মৃত্যু

### বিধানসভাত মন্ত্ৰী কেশৱ মহন্তৰ তথ্য; ৫৮ লাখ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জুলাই ঃ** ২০১৬ চনৰ পৰা ২০২৫ চনলৈকে অসমত বান, ভূমিস্খলন, ধুমুহা আৰু বজ্ৰপাতৰ দৰে প্ৰাকৃতিক দুৰ্যোগত মুঠ ১, ৪৭৬জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় ৫৮ লাখ বিঘা কৃষিভূমি ধ্বংস হয় বুলি শনিবাৰে অসম বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই সদৰি কৰে। কংগ্ৰেছৰ বিধায়ক ৰকিবউদ্দিন আহমেদৰ এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহন্তই জনায় যে এই দশকীয়া সময়ছোৱাত বানপানীৰ ফলত ৮৩৬ জন, বজ্ৰপাতত ৩৭২ জন, ধুমুহাত □ ৬ পৃষ্ঠাত






### সুধাকণ্ঠ ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰক ডিজিটেল ৰূপত সজাব চৰকাৰে

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ 'সমন্বয় তীৰ্থ' পৰিদৰ্শন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জুলাই ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমন্বয় তীৰ্থক নতুন ৰূপত সজাই তোলাৰ বাবে অসম চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। শনিবাৰে পুৱা গুৱাহাটীৰ জালুকবাৰীস্থিত এই সমাধিক্ষেত্ৰখন পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পৰিদৰ্শন কালত তেওঁ সমাধিক্ষেত্ৰখনৰ সামগ্ৰিক বিকাশৰ বাবে কেবাবিধো নতুন পৰিকল্পনা ঘোষণা কৰে। প্ৰথমতে সমাধিক্ষেত্ৰত উপস্থিত হৈ ভূপেন হাজৰিকাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে মুখ্যমন্ত্ৰীয়ে। পাছত সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে সমন্বয় তীৰ্থক আধুনিক প্ৰযুক্তিৰে সমৃদ্ধ কৰি তুলিবলৈ চৰকাৰে বহু চিন্তা-চৰ্চা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টীকৰণ দি কয়, "সমাধিক্ষেত্ৰৰ মুখ্য সৌধ আৰু স্তম্ভটোৰ গঠনশৈলী পৰিৱৰ্তন কৰা হ'ব। যাতে বাহিৰৰ পৰা চালেই সকলোৱে সহজেই চিনি পায় যে এইটো ড° ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰ। নতুন ৰূপটো সুধাকণ্ঠৰ ব্যক্তিত্বৰ লগত সংগতি ৰাখি সজাবলৈ চেষ্টা কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "আমি সমাধিক্ষেত্ৰখনত কেইবাটাও □ ৬ পৃষ্ঠাত

# ডুমডুমাত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ শৈক্ষিক কাৰ্যসূচীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত আজি এক বিশেষ শৈক্ষিক যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। 'আমাৰ বিদ্যালয়, আমাৰ গৌৰৱ' শীৰ্ষক এই শৈক্ষিক যাত্ৰাৰ সন্দৰ্ভত পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ বিষয়ববীয়াই জানিবলৈ দিয়া অনুসৰি অঞ্চলটোৰ শিক্ষাৰ পৰিৱেশ উন্নত কৰাৰ উদ্দেশ্যে সংগঠনটোৱে এই পদক্ষেপ গ্ৰহণ কৰিছে। আজি 'আমাৰ বিদ্যালয়, আমাৰ গৌৰৱ' শীৰ্ষক এই শৈক্ষিক যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা হয় ডুমডুমা জাতীয় বিদ্যালয়ত। এই কাৰ্যসূচীত বিদ্যালয়খনৰ পৰা এই বছৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী ক্ৰমে সৃষ্টি কলিতা, সঞ্জয় সোণোৱাল আৰু নচিন আহমেদক গামোচা, একোটাকৈ ফাইল আৰু অভিনন্দন পত্ৰৰে পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ তৰফৰপৰা বিশেষ অভিনন্দন জনোৱা হয়। লগতে বৰ্তমান নৱম আৰু দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলকো উৎসাহিত কৰাৰ লগতে তেওঁলোকক ভৱিষ্যত জীৱনৰ বাটত আগুৱাই যোৱাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিবলৈ পৰিষদৰ তৰফৰপৰা শুভেচ্ছামূলকভাৱে একোটাকৈ কলম আৰু একোখনকৈ বহী প্ৰদান কৰা হয়। আজিৰ এই কাৰ্যসূচীত ডুমডুমাৰ বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়া আৰু বিশিষ্ট সমাজকৰ্মী সুজিত কুমাৰ বৰুৱাই মুখ্য আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক বক্তব্য প্ৰদান কৰে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি হীৰক জ্যোতি মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত আৰু সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণে আঁত ধৰা অনুষ্ঠানটিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, ক্ৰীড়া সম্পাদক জিতুল সোণোৱাল, জাতীয় মহিলা পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদিকা পূৰবী তালুকদাৰ, ডুমডুমা জাতীয় বিদ্যালয়ৰ অধ্যক্ষা সুৰভি মৰাণ, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰুৱা, সদস্যসকল ক্ৰমে অনুজ কলিতা, মনোজ দত্ত আৰু বীৰেন শৰ্মা প্ৰমুখ্যে অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকল উপস্থিত আছিল। এই অনুষ্ঠানতে পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ তৰফৰপৰা ডুমডুমা জাতীয় বিদ্যালয়লৈ তিনিখন ফেন আগবঢ়োৱা হয়। ভৱিষ্যতেও এনেধৰণৰ শৈক্ষিক পদক্ষেপ অব্যাহত ৰখা হ'ব বুলি সংগঠনটোৰ বিষয়ববীয়াসকলে জানিবলৈ দিছে।

### নিয়মীয়াকৰণ আৰু বকেয়া মাননি পৰিশোধৰ দাবীত ধৰ্ণা

# মন্দিয়াত অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ ক'লা দিৱস পালন

**অসম বাৰ্তা, কুমুল্লী পৰা, ১১ জুলাই ঃ** কেন্দ্ৰীয় বাজেটত অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ বাবে ধনৰ বৰাদ্দ বৃদ্ধি, কৰ্মী-সহায়িকাসকলক নিয়মীয়া চৰকাৰী কৰ্মচাৰী হিচাপে স্বীকৃতি, মাননিৰ সলনি উপযুক্ত মজুৰি প্ৰদান, লগতে ইএছআই (ESI), পিএফ (PF) আৰু গ্ৰেচুইটিৰ সুবিধা নিশ্চিত কৰাৰ দাবীত দেশজুৰি চি আই টি ইউ (CITU)-ৰ আহ্বানত পালন কৰা কলা দিৱসৰ সৈতে সংগতি ৰাখি শনিবাৰে মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প (ICDS) কাৰ্যালয়ৰ অন্তৰ্গত অঙ্গনৱাড়ী কৰ্মী-সহায়িকাসকলেও প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই উপলক্ষে সকলো অঙ্গনৱাড়ী কেন্দ্ৰ এদিনৰ বাবে বন্ধ ৰাখি কৰ্মী-সহায়িকাসকলে কলা পোছাক পৰিধান কৰি পুৱা প্ৰায় ১১ বজাত মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন দাবী সম্বলিত শ্লোগানেৰে নিজৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা কৰে। কৰ্মী-সহায়িকাসকলৰ অভিযোগ অনুসৰি, দিনে-নিশাই বিভিন্ন চৰকাৰী আঁচনি আৰু বিভাগীয় কামৰ বোজা বহন কৰিলেও তেওঁলোকে অতি সামান্য মাননি লাভ কৰে। ইয়াৰ উপৰিও তেওঁলোকৰ ন্যায্য সমস্যা আৰু অধিকাৰৰ প্ৰতি সংশ্লিষ্ট কৰ্তৃপক্ষই গুৰুত্ব নিদিয়া বুলিও অভিযোগ উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে আৰু অভিযোগ কৰে যে মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অন্তৰ্গত কৰ্মী-সহায়িকাসকলে প্ৰায়ে মাহৰ প্ৰথম সপ্তাহতো মাননি লাভ নকৰে। বিশেষকৈ চলিত বৰ্ষৰ মে' মাহৰ কেৱল আধা মাননিহে এতিয়ালৈকে প্ৰদান কৰা হৈছে আৰু বাকী থকা ধন আজিলৈকে পৰিশোধ নকৰাত তেওঁলোকে তীব্ৰ অসন্তোষ প্ৰকাশ কৰে। ধৰ্ণা কাৰ্যসূচীৰ জৰিয়তে অঙ্গনৱাড়ী কৰ্মী-সহায়িকা সন্থাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ওচৰত শীঘ্ৰে দাবীসমূহ পূৰণ কৰাৰ লগতে মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ত চলি থকা মাননি বিতৰণৰ খেলিমেলি আৰু প্ৰশাসনিক অসংগতি অতি সোনকালে দূৰ কৰাৰ দাবী জনায়। দাবীসমূহ পূৰণ নোহোৱালৈকে গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিব বুলিও প্ৰতিবাদকাৰীসকলে সকীয়াই দিয়ে।

### কদৰ্যময় পথেৰে নিতৌ যাতায়ত কৰে ৰাইজে

# এজাক বৰষুণতেই ডুব যায় মন্দিয়া বজাৰৰ পথ

**অসম বাৰ্তা, মন্দিয়া, ১১ জুলাই ঃ** বৰপেটা জিলাৰ ব্যৱসায়-বাণিজ্যৰ প্ৰাণকেন্দ্ৰ মন্দিয়া বজাৰৰ পথ এজাক বৰষুণতেই ডুব গৈ কদৰ্যময় ৰূপ ধাৰণ কৰাটো নিতৌ নৈমিত্তিক ঘটনাত পৰিণত হৈছে। বজাৰখনৰতেল ডিপোৰ সমীপৰ চামচুল মাৰ্কেট তিনিআলিত পথৰ এক অংশ বৰষুণ আহিলেই পানীত ডুবি থকাত পথছোৱা কদৰ্যময় হৈ পৰা পৰিলক্ষিত হৈছে। অত্যন্ত ব্যস্ততাপূৰ্ণ চামচুল মাৰ্কেট তিনি আলিৰ এই পথছোৱাৰ দুৰৱস্থাৰ বাবে যান-বাহন চলাচল কৰা কষ্টকৰ হৈ পৰিছে। পানীৰ মাজেৰেই যান-বাহন চলাচল কৰিব লগা অৱস্থা হয়। পথচাৰীসকলেও বোকা-পানী গছকিয়ে যাতায়াত কৰিব লগাত পৰে। যান-বাহনসমূহে পানীৰ মাজেৰে চলাচল কৰোঁতে পথচাৰীৰ গাত বোকা-পানী ছিটিকি পৰাত তীব্ৰ ক্ষোভৰ সৃষ্টি হয়। পূৰ্বৰ বাঘবৰ সমষ্টিৰ তথা বৰ্তমানৰ মন্দিয়া সমষ্টিৰ বিধায়কৰ কাৰ্যকালত এই পথছোৱা নিৰ্মাণ হৈছিল। নিৰ্মাণৰ সময়ত কেইঘৰমান মানুহৰ বাবে পথৰ এই অৱস্থা হোৱা বুলি ৰাইজৰ অভিযোগ উত্থাপিত হৈছে। এই ৰাস্তাৰ কাষৰ লোকে পানী ওলাই যোৱা ব্যৱস্থা কৰি দিলে হয়তো পথচাৰীসকলৰ যাতায়াতৰ ক্ষেত্ৰত কোনো অসুবিধা নহ'লহেঁতেন। জানিব পৰা মতে বিধায়ক শ্বেৰমান আলী আহমেদে উক্ত ৰাস্তাৰ পানী ওলাই যোৱাৰ বাবে নলা নিৰ্মাণৰ আঁচনি ধৰিছিল। কিন্তু কিছু লোকে বাধা প্ৰদান কৰাত নলাৰ কাম হৈ নুঠিল। তেতিয়াৰ পৰাই এজাক বৰষুণ আহিলেই ৰাস্তাখন বুৰ যায় আৰু পথছোৱাৰ কাষত নলা নথকাত পথৰ কাষত অনবৰত পানী জমা হৈ কদৰ্যময় পৰিস্থিতিৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। পথছোৱাৰ দুয়োকাষৰ পৰিৱেশো অস্বাস্থ্যকৰ হৈ পৰিছে। অনবৰত বোকা-পানীৰ মাজেৰে যান-বাহন চলাচল কৰাত পথছোৱা দিনে দিনে শোচনীয় হৈ পৰিছে। ইফালে এজাক বৰষুণ আহিলেই ৰমজান মাষ্টৰৰ ঘৰৰ কাষতে একাঠু পানী জমা হয়। পানী ওলাই যোৱাৰ কোনো সুবিধা নাই। মাৰ্কেটৰ ওচৰৰ এচাম লোকে ইচ্ছা কৰিলে ঠাই ডোখৰত নিজাববীয়াকৈ পানী ওলাই যোৱাৰ ব্যৱস্থা কৰি দিব পাৰিলেহেঁতেন। লোক নিৰ্মাণ বিভাগক সামাজিক মাধ্যম আনকি বাতৰি যোগে বহু বাৰ জনোৱা সত্বেও কোনো ধৰণৰ পদক্ষেপ লোৱা দেখা নগ'ল। স্থানীয় ৰাইজে উক্ত পথছোৱাৰ ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'বলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতে স্থানীয় প্ৰতিনিধিৰ দৃষ্টি আকৰ্ষণ কৰিছে বৃহত্তৰ মন্দিয়া সচেতন নাগৰিকে।

# পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ সভাপতি ভূপেন বৰাৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, দেৰগাঁও, ১১ জুলাই ঃ** দেৰগাঁৱৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰৰ এক পৰিচিত মুখ, পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ সভাপতি ভূপেন বৰাৰ বৃহস্পতিবাৰে নিশা অকাল মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল প্ৰায় ৪৩ বছৰ। দীৰ্ঘদিন ধৰি বৃক্ক আৰু যকৃতৰ ৰোগত আক্ৰান্ত হৈ থকা প্ৰয়াত বৰাই ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত শেষ নিশ্বাস ত্যাগ কৰে। এজন নিষ্ঠাবান সমাজকৰ্মী হিচাপে অঞ্চলটোৰ উন্নয়নত তেখেতে আগবঢ়োৱা অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। তেখেতৰ অকাল বিয়োগত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে। আজি এক শোকাকুল পৰিৱেশৰ মাজত তেখেতৰ শেষ কৃত্য সম্পন্ন কৰা হয়। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে স্থানীয় ৰাইজে।

# বিহালীৰ জিনজিয়াত গৃহবধূৰ ৰহস্যজনক মৃত্যু; স্বামীসহ তিনিজনক আটক আৰক্ষীৰ

**অসম বাৰ্তা, জিনজিয়া, ১১ জুলাই ঃ** আজি বিহালীৰ জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত বালিপুখুৰীত সংঘটিত হৈছে এক শোকাবহ তথা ৰহস্যজনক ঘটনা। ঘৰৰ ভিতৰত তেজত লুটুৰি-পুতুৰি অৱস্থাত উদ্ধাৰ হৈছে মামনি ভূমিজ বৰা (২৩) নামৰ এগৰাকী গৃহবধূৰ মৃতদেহ। ঘটনাৰ বিৱৰণি অনুসৰি, আজি পুৱাৰ ভাগত মামনিৰ স্বামী প্ৰাঞ্জল বৰাই পত্নীক চিপ লৈ আত্মহত্যা কৰা বুলি দাবী কৰে। অৱশ্যে মৃতকৰ মাতৃ আৰু পৰিয়ালৰ লোকে ইয়াক এক পৰিকল্পিত হত্যাকাণ্ড বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। পৰিয়ালৰ অভিযোগ মতে, আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বেই স্বামী প্ৰাঞ্জলে চিপজৰী খুলি পেলাইছিল, যিটো ঘটনাই এতিয়া বহু সন্দেহৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আন এগৰাকী মহিলাৰ সৈতে স্বামী প্ৰাঞ্জলৰ সম্পৰ্কক লৈ দীৰ্ঘদিন ধৰি দম্পতীহালৰ মাজত সংঘাত চলি আহিছিল। এই অশান্তিৰ বাবেই মামনিয়ে কালি নিজৰ মাতৃগৃহলৈ গুছি গৈছিল। কিন্তু আজি পুৱা স্বামী প্ৰাঞ্জলে নিৰাপত্তাৰ আশ্বাস দি পত্নীক পুনৰ শহুৰেকৰ ঘৰলৈ লৈ আহিছিল। ইয়াৰ কেইঘণ্টামান পাছতেই এই মৰ্মান্তিক ঘটনা পোহৰলৈ আহে। মৃতকৰ পৰিয়ালৰ লোকে প্ৰকাশ কৰা মতে, প্ৰেমৰ সম্পৰ্কৰ জৰিয়তে আদিবাসী সম্প্ৰদায়ৰ মামনিক বিয়া কৰোৱাৰ বাবে প্ৰাঞ্জলৰ পৰিয়ালে তেওঁলোকক মানি লোৱা নাছিল। পূৰ্বেও প্ৰাঞ্জলে মামনিক বহুবাৰ শাৰীৰিক আৰু মানসিকভাৱে অত্যাচাৰ চলোৱা বুলিও পৰিয়ালে অভিযোগ কৰিছে। ঘটনাৰ খবৰ পাই জিনজিয়া আৰক্ষীয়ে তৎপৰতাৰে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ইতিমধ্যে এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহৰ ভিত্তিত স্বামী প্ৰাঞ্জল বৰা, শহুৰেক লক্ষ্যপ্ৰতি বৰা আৰু তেওঁলোকৰ ঘৰত বনকৰা যুৱক ৰমেন ভুএগক আটক কৰিছে। বৰ্তমান আৰক্ষীৰ তদন্ততহে প্ৰকৃত সত্য পোহৰলৈ আহিব।

# পশ্চিম দৰঙৰ বৰবড়ীত সংগীত বিদ্যালয় উদ্বোধন

**অসম বাৰ্তা, পাথৰিঘাট, ১১ জুলাই ঃ** পশ্চিম দৰঙৰ বৰবড়ীত শনিবাৰে মুকলি কৰা হয় সুৰৰ পানচৈ সংগীত কলা মন্দিৰ নামৰ এখন সংগীত শিক্ষানুষ্ঠান। মূলতঃ গ্ৰামাঞ্চলৰ সুপ্ত সৃষ্টিশীল প্ৰতিভাক চিনাক্ত কৰি লালন, পালন কৰি বিকশিত কৰাৰ লক্ষ্য সংগীত শিক্ষানুষ্ঠানখনৰ। সাংস্কৃতিক কৰ্মী উমেশ ডেকাৰ নেতৃত্বত গঢ় লোৱা কলা মন্দিৰত কণ্ঠ সংগীত, তবলা বাদন, বিহু ঢোল, খোল বাদন আৰু সত্ৰীয়া নৃত্যৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিছে। জ্ঞান দৰ্শন জাতীয় বিদ্যালয়ত অনুষ্ঠিত হয় উদ্বোধনী অনুষ্ঠান। ছিপাঝাৰ বি এড কলেজৰ সংগীত শিক্ষক বিনয় কুমাৰ নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাত জ্ঞান দৰ্শন জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বীৰেন ডেকাই বন্তিপ্ৰজ্বলন কৰি কলা মন্দিৰৰ মুকলি কৰে। সভাত সাংবাদিক লক্ষ্যধৰ শইকীয়া, সমাজকৰ্মী শৈলেন কুমাৰ নাথ, সাংস্কৃতিক কৰ্মী জীতেন্দ্ৰ ডেকা, শিল্পী গৌতম শৰ্মা, ধীৰাজ কুমাৰ নাথ, দিপ্তী কুমাৰ, সুস্মিতা কলিতা, যতীন চহৰীয়া প্ৰমুখ্যে কেইবাজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সংগীত শিক্ষাৰ প্ৰয়োজনীয়তা আদি দিশ সম্পৰ্কত বক্তব্য আগবঢ়ায়। উল্লেখ বৰ্তমান শতাধিক ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰা কলা মন্দিৰৰ পাঠদান প্ৰতি সপ্তাহৰ শনি আৰু ৰবিবাৰে অনুষ্ঠিত হ'ব।

# গোসাঁইগাঁৱত মানুহ-হস্তী সংঘাতৰ পৰিৱৰ্তে সহাৱস্থানৰ বাৰ্তাৰে সচেতনতা সভা

**অসম বাৰ্তা, গোসাঁইগাঁও, ১১ জুলাই ঃ** গোসাঁইগাঁৱৰ কচুগাঁও বন বিভাগৰ উদ্যোগত আজি এক বিশেষ সচেতনতা সভা অনুষ্ঠিত কৰা হয়। 'মানুহ-হস্তী সংঘাতৰ পৰা সহাৱস্থানলৈ' (Awareness Program on Human Elephant Conflict to Human Elephant Coexistence) মূল মন্ত্ৰৰে আয়োজন কৰা এই কাৰ্য্যসূচীটো কচুগাঁও বন বিভাগৰ অন্তৰ্গত ছানফান ৰেঞ্জৰ থাইছোগুৰী এফ.আৰ.এ. গাঁৱত সম্পন্ন হয়। অঞ্চলটোত প্ৰায়েই সংঘটিত হোৱা মানুহ আৰু বনৰীয়া হাতীৰ মাজৰ সংঘাতক প্ৰশমিত কৰি দুয়ো পক্ষৰ মাজত এক সহাৱস্থানমূলক পৰিৱেশ গঢ়ি তোলাৰ উদ্দেশ্যে এই কাৰ্য্যসূচী হাতত লোৱা হয়। সভাত বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰি হাতীৰ গতিবিধি আৰু তেনে পৰিস্থিতিত নিজকে সুৰক্ষিত ৰখাৰ উপায়সমূহৰ বিষয়ে আলোচনা কৰে। বন বিভাগৰ এনে প্ৰচেষ্টাক স্থানীয় ৰাইজে আদৰণি জনায়।

# অসম লোকসেৱা আয়োগৰ পৰীক্ষাত দেৰগাঁৱৰ ফিৰোজ টায়েৰ সাফল্য

**অসম বাৰ্তা, দেৰগাঁও, ১১ জুলাই ঃ** অসম লোকসেৱা আয়োগে মঙলবাৰে প্ৰকাশ কৰা কনিষ্ঠ অভিযন্তা (চিভিল) নিযুক্তি পৰীক্ষাৰ চূড়ান্ত ফলাফলত দেৰগাঁৱৰ ছ'গুৰি ধেমাজি মিচিং গাঁৱৰ মেধাবী যুৱক ফিৰোজ টায়ে সাফল্য অৰ্জন কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। আয়োগৰ তালিকাৰ ৬৩ সংখ্যক স্থান দখল কৰি কনিষ্ঠ অভিযন্তা হিচাপে নিৰ্বাচিত হোৱা ফিৰোজৰ এই সফলতাই এতিয়া স্থানীয় ৰাইজৰ মাজত আনন্দৰ সৃষ্টি কৰিছে। কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰা ফিৰোজৰ পিতৃ বলিন টায়ে আৰু মাতৃ পুণ্যৰ টায়ে। অৰ্থনৈতিক প্ৰতিকূলতাৰ মাজতো কঠোৰ পৰিশ্ৰম আৰু অদম্য অধ্যৱসায়ৰ জৰিয়তে তেওঁ অৰ্জন কৰা এই সাফল্য আজিৰ উঠি অহা প্ৰজন্মৰ বাবে এক শক্তিশালী প্ৰেৰণাৰ উৎস হৈ পৰিছে। ফিৰোজৰ এই কৃতিত্বত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু শুভাকাংক্ষীয়ে তেওঁক উষ্ম অভিনন্দন জ্ঞাপন কৰিছে। ভৱিষ্যতে নিজৰ কৰ্মৰাজিৰ জৰিয়তে সমাজলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে।

# গ্ৰীষ্মকালীন বন্ধত শ্ৰেণীকোঠাৰ পাঠ্যপুথি এৰি বোকাময় পথাৰত এদিন ছাত্ৰ-ছাত্ৰী

### ব্যতিক্ৰমী প্ৰয়াস 'হামদেৰ আল' নামৰ বে-চৰকাৰী সংস্থাৰ

**অসম বাৰ্তা, মৰিয়নি, ১১ জুলাই ঃ** গ্ৰীষ্মকালীন বিদ্যালয় বন্ধৰ সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক শিক্ষাৰ সৈতে পৰিচিত কৰাৰ লক্ষ্যৰে 'হামদেৰ আল' নামৰ মৰিয়নিৰ এটা বে-চৰকাৰী সংস্থাই এদিনীয়া কাৰ্যসূচীৰে শুক্ৰবাৰে এক ব্যতিক্ৰমী শিক্ষামূলক অনুষ্ঠানৰ আয়োজন কৰে। কাৰ্যসূচীৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাৰ পাঠ্যপুথিৰ সীমাৰ বাহিৰলৈ উলিয়াই আনি মৰিয়নি নামৰূপীয়া ধানপথাৰত ভূই ৰোৱাৰ ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰা হয়। বোকাময় পথাৰত কৃষিকাৰ্যত অংশগ্ৰহণ কৰি তেওঁলোকে কৃষিৰ প্ৰাথমিক ধাৰণা, শ্ৰমৰ মৰ্যাদা আৰু গ্ৰাম্য জীৱনৰ বাস্তৱ অভিজ্ঞতা লাভ কৰে। বৰ্তমান সময়ত বহু ছাত্ৰ-ছাত্ৰী কৃষিকাজ আৰু গ্ৰাম্য জীৱনৰ সৈতে পৰিচিত নহয়। এই কথা উপলব্ধি কৰিয়েই সংস্থাটোৱে গ্ৰীষ্মকালীন বন্ধ উপলক্ষে এদিনীয়া এই কাৰ্যসূচী আয়োজন কৰি কৃষিভিত্তিক শিক্ষা, নীতিগত শিক্ষা, গুণগত শিক্ষা আৰু জীৱনমুখী মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সংস্থাৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে, কেৱল পুঠিগত শিক্ষাই এজন শিক্ষাৰ্থীক সম্পূৰ্ণ কৰি তুলিব নোৱাৰে। বাস্তৱ জীৱনৰ অভিজ্ঞতা, শ্ৰমৰ প্ৰতি সন্মান আৰু প্ৰকৃতিৰ সৈতে সম্পৰ্ক গঢ়ি তোলাও সমানেই গুৰুত্বপূৰ্ণ। সেই উদ্দেশ্যেৰেই এই এদিনীয়া ব্যৱহাৰিক শিক্ষামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। স্থানীয় ৰাইজে সংস্থাটোৰ এই ব্যতিক্ৰমী পদক্ষেপক প্ৰশংসা কৰি ভৱিষ্যতেও এনে জীৱনমুখী শিক্ষামূলক কাৰ্যসূচী অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে।

# পুৰণিগুদামত বাঁহী বাদন কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ গায়ন-বৈৰাগী গাঁৱত পুৰণিগুদামৰ এটি অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান "আৰোহ"ৰ উদ্যোগত আৰু নগাঁৱৰ অন্যতম অনুষ্ঠান "সপ্তক"ৰ তত্ত্বাৱধানত যোৱা ১০ জুলাইৰ পৰা অহা ১৫ জুলাইলৈকে পাঁচদিনীয়া এটি বাঁহী বাদন কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। পুৰণিগুদামৰ সাংস্কৃতিক ক্ষেত্ৰখনত প্ৰথমবাৰৰ বাবে আয়োজন কৰা উক্ত কৰ্মশালাত একক প্ৰচেষ্টাৰে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বাঁহীবাদক তথা সংগীত পৰিচালক প্ৰাঞ্জল বৰাৰ অনুষ্ঠান "সপ্তক"ৰ তত্ত্বাৱধানত প্ৰতিভাবান বাঁহীবাদক দূবৰি শইকীয়াই প্ৰশিক্ষণ প্ৰদান কৰিছে। পুৰণিগুদাম গড়মূৰস্থিত দূবৰি শইকীয়াৰ নিজা বাসগৃহত আয়োজন কৰা উক্ত বাঁহীবাদন কৰ্মশালাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ প্ৰায় কুৰিজনৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত বাঁহীৰ ন-শিকাৰু প্ৰশিক্ষাৰ্থীসকলক বাঁহীৰ প্ৰাথমিক আভাস আৰু অন্যান্য শিল্পীসকলৰ বাবে বাঁহী বাদনৰ ব্যাকৰণিক ৰূপ তথা কৌশল সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি জানিব পৰা গৈছে। পুৰণিগুদামত পোন প্ৰথমবাৰৰ বাবে আয়োজন কৰা বাঁহী বাদন কৰ্মশালাখন যোৱা ১০ জুলাইত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক পেঞ্চনাৰ, প্ৰবীণ সাংবাদিক ফণীন্দ্ৰ নাথ গায়নে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। প্ৰয়াত শিল্পী হিয়াৰ আমঠু জুবিন গাৰ্গ, সংগীত সূৰ্য্য ভূপেন হাজৰিকা আৰু প্ৰখ্যাত বাঁহীবাদক প্ৰয়াত দীপক শৰ্মাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে প্ৰতিভাৱান শিল্পী জাহ্নৱপ্ৰাণ কাশ্যপ, পল্লৱ দাস, শংখধ্বনিৰ সভাপতি দীপিকা গায়ন বৰা, সমাজসেৱক পৰেশ শইকীয়া, সাংবাদিক দুলাল শৰ্মা, গীতামণি শইকীয়াকে ধৰি কেইবাগৰাকী গণ্যমান্য লোক উপস্থিত থাকে। অহা ১৫ জুলাইত কৰ্মশালাখনৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

# কৰাগাড়ী প্ৰাথমিক বিদ্যালয়ত পকী দেৱাল নিৰ্মাণ আঁচনিৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, কুমুল্লী পৰা, ১১ জুলাই ঃ** পাকা বেতবাৰী বিধানসভা সমষ্টিৰ উন্নয়নমূলক পদক্ষেপৰ অংশ হিচাপে ১৬ নং গোলীবান্ধা-কৰাগাড়ী গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৫২৮ নং কৰাগাড়ী প্ৰাথমিক বিদ্যালয়ত পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ হ'বলগীয়া পকী দেৱাল (বাউণ্ডাৰী ৱাল) আঁচনিৰ আধাৰশিলা শনিবাৰে আনুষ্ঠানিকভাৱে স্থাপন কৰে পাকা বেতবাৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন সিকদাৰে। আয়োজিত অনুষ্ঠানত বিধায়কগৰাকীয়ে কয় যে বিদ্যালয়সমূহৰ ভৌতিক আন্তঃগাঁথনি উন্নত কৰাটো ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা, অনুকূল শিক্ষাৰ পৰিৱেশ সৃষ্টি আৰু শিক্ষাৰ মান উন্নয়নৰ বাবে অতি প্ৰয়োজনীয়। এই পকী দেৱাল নিৰ্মাণ সম্পূৰ্ণ হ'লে বিদ্যালয়খনৰ সুৰক্ষা ব্যৱস্থা অধিক সুদৃঢ় হোৱাৰ লগতে শিক্ষাৰ্থীসকলেও অধিক সুৰক্ষিত পৰিৱেশত পাঠদান গ্ৰহণ কৰাৰ সুবিধা লাভ কৰিব। অনুষ্ঠানত ১৬নং গোলীবান্ধা-কৰাগাড়ী গাঁও পঞ্চায়তৰ সভানেত্ৰী পবিনী বড়ো উপস্থিত থাকি আঁচনিখন সময়মতে উন্নত মানদণ্ডৰে সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও স্থানীয় গণ্যমান্য ব্যক্তি, সমাজকৰ্মী, বিদ্যালয় কৰ্তৃপক্ষ, অভিভাৱক আৰু বহু সংখ্যক ৰাইজ উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তোলে। স্থানীয় বাসিন্দাসকলে বিদ্যালয়খনৰ উন্নয়নৰ বাবে এই পদক্ষেপক আদৰণি জনাই আগন্তুক দিনতো সমষ্টিটোৰ শিক্ষাখণ্ডকে ধৰি বিভিন্ন ক্ষেত্ৰত এনে উন্নয়নমূলক আঁচনি অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে।

### দুই ভগ্নীৰ বিশ্ব পুমছে চেম্পিয়নশ্বিপলৈ যোগ্যতা অৰ্জন

# চেলেংহাটৰ গৌৰৱ দুই ভগ্নী দিয়া আৰু দিশা

**অসম বাৰ্তা, চেলেংহাট, ১১ জুলাই ঃ** চেলেংহাটৰ দুই সু-সন্তান দিয়া পাত্ৰ আৰু দিশা পাত্ৰই আগন্তুক চেপ্তেম্বৰ মাহত দক্ষিণ কোৰিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্ব পুমছে চেম্পিয়নশ্বিপৰ বাবে যোগ্যতা অৰ্জন কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পুনেত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় পুমছে প্ৰতিযোগিতাত দুই ভগ্নীয়ে স্বৰ্ণ পদক লাভ কৰাৰ লগতে বিশ্ব পুমছে চেম্পিয়নশ্বিপলৈও যোগ্যতা অৰ্জন কৰে। চলিত বৰ্ষৰ ২০ ছেপ্টেম্বৰৰ পৰা ২৬ ছেপ্টেম্বৰত বিশ্ব পুমছে চেম্পিয়নশ্বিপ কোৰিয়াৰ চুমচিঅ'মত অনুষ্ঠিত হ'ব। জেষ্ঠ ভগ্নী দিয়াই জুনিয়ৰ শাখাত আৰু কনিষ্ঠ ভগ্নী দিশাই কেডেট শাখাত ঈপ্সিত সফলতা লাভ কৰে। উল্লেখ্য যে দিয়া আৰু দিশা চেলেংহাট বৰনগএগ্ৰা গাঁৱৰ নিবাসী সাংস্কৃতিক কৰ্মী তথা ক্ৰীড়া সংগঠক তপন পাত্ৰ আৰু নৱনীতা পাত্ৰৰ জীয়ৰী। ইতিপূৰ্বেও দুই ভগ্নীয়ে বিভিন্ন প্ৰতিযোগিতাত ৰাজ্যিক দলক প্ৰতিনিধিত্ব কৰি আহিছে। জেষ্ঠ ভগ্নী দিয়া পাত্ৰ জ্ঞানপীঠ একাডেমীৰ একাদশ শ্ৰেণীৰ ছাত্ৰী, আনহাতে কনিষ্ঠ ভগ্নী দিশা চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত। দুই ভগ্নীৰ এই সফলতাই সমগ্ৰ চেলেংহাট অঞ্চলতে আনন্দ আৰু গৌৰৱৰ পৰিৱেশৰ সৃষ্টি কৰিছে।

### ইত্যাদি উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক মঞ্চৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি; নতুন কমিটী গঠন

# গুৱাহাটীত ইত্যাদি বঁটা-২০২৬ প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ

**অসম বাৰ্তা, জাঁজী, ১১ জুলাই ঃ** ইত্যাদি উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক মঞ্চৰ আজি নতুন কমিটিখন গঠন হয়। দিছপুৰ প্ৰেছ ক্লাৱত দিনৰ ১ বজাত অনুষ্ঠিত হোৱা আৰু সম্পাদক ময়ূৰজিৎ কলিতাই আদৰণি ভাষণেৰে আৰম্ভণি কৰা সাধাৰণ সভাত মঞ্চৰ সকলো প্ৰতিনিধিৰ সৰ্বসন্মতি আৰু প্ৰস্তাৱনা মতে সভাপতি হিচাপে ড° শিখামণি বেজবৰুৱা গোস্বামী, কাৰ্যকৰী সভাপতি ৰুণজুন গগৈ, উপ-সভাপতি ক্ৰমে মহেশ্বৰ বৰা, মহেন্দ্ৰ ৰাজখোৱা, ইনামুল হক চৌধুৰী, অনিতা চৌধুৰী, মমী দুৱৰা আৰু সাধাৰণ সম্পাদক প্ৰাঞ্জল কুমাৰ শৰ্মা, কোষাধ্যক্ষ নিভাৰাণী দাস আৰু সহকাৰী সম্পাদক হিচাপে ময়ূৰজিৎ কলিতাক দায়িত্ব অৰ্পণ কৰা হয়। উল্লেখ্য যে মঞ্চৰ নতুন কমিটি গঠনৰ পূৰ্বে পুৰণি কমিটিৰ কৰ্মৰাজি সম্পৰ্কে সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত কমিটি গঠনত মঞ্চৰ উপদেষ্টা ভূপেন বৰা, মুকুল নাৰায়ণ বৰ্মণকে আদি কৰি কেইবাগৰাকীও গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সভাত সংগঠনৰ পঞ্জীয়ন নবীকৰণ, ঠিকনা সলনি আদি বিভিন্ন প্ৰস্তাৱৰ লগতে অহা ৩০ অক্টোবৰত ইত্যাদি মঞ্চৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দুদিনীয়া কাৰ্যসূচীৰে ভাওনা, নাটক আৰু অন্যান্য প্ৰতিয়োগিতাৰ লগতে বিভিন্ন শিতানত ইত্যাদি বঁটা প্ৰদান অনুষ্ঠানৰো প্ৰস্তাৱ গ্ৰহণ কৰে। নিভাৰানী দাসৰ শলাগৰ শৰাইৰে সভাৰ সামৰণি পৰে। আনহাতে বিগত ২০২৪ বৰ্ষত প্ৰথমবাৰৰ বাবে ইত্যাদি বৰাক-ব্ৰহ্মপুত্ৰ সমন্বয় বঁটা প্ৰদান কৰা হৈছিল শিক্ষামন্ত্ৰী ডা: ৰনোজ পেগুক, আৰু শিল্পীপ্ৰাণ আৰু যুৱপ্ৰতিভা বঁটা প্ৰদান কৰা হৈছিল ক্ৰমে প্ৰয়াত পংকজ গোস্বামী, ইন্দ্ৰনীল দে' আৰু চন্দ্ৰমনি গগৈক।

**NAME CORRECTION**

Sworn before Notary Public at Golaghat dated on 06-07-2026, I, Bornasha Roy, D/O Monaj Roy, resident of Kamargaon, Dergaon Town, Ward No.8, P.O. & P.S. Dergaon, Dist. Golaghat, Assam, do hereby declare that my father's name is written as Monaj Roy in his Aadhar Card (No. 3771 2294 8606), while in some documents, including his Board of Secondary Education/ HSLC Certificate cum Marks Sheet (Roll No. 0299, No. 10435) and other educational documents, his name is recorded as Monoj Roy. Both Monaj Roy and Monoj Roy refer to one and the same person, i.e., my father. Henceforth, he may be identified by both names for all purposes.

AB-101/2026

# উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ কালজয়ী উপন্যাস 'মিৰি জীয়ৰী'ক স্পেনিছ ভাষালৈ অনুবাদ ডুমডুমাৰ সু-সন্তান তন্ময় সোণোৱালৰ; বিভিন্নজনৰ শুভেচ্ছা




**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১১ জুলাই ঃ** সুখবৰ! স্পেনিছ ভাষাত প্ৰকাশ পালে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ কালজয়ী উপন্যাস 'মিৰি জীয়ৰী'। অৰ্থাৎ এতিয়াৰে পৰা স্পেনিছ ভাষাত উপলব্ধ হ'ল অসমীয়া সাহিত্যৰ জনক ৰজনীকান্ত বৰদলৈৰ দ্বাৰা ৰচিত প্ৰথমখন অসমীয়া সামাজিক তথা জনজাতীয় উপন্যাস 'মিৰি জীয়ৰী'। এই 'মিৰি জীয়ৰী'ক স্পেনিছ ভাষালৈ অনুবাদ কৰিছে অসমৰ তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ মেধাৱী যুৱক তথা দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপক তন্ময় সোণোৱালে। স্পেনিছ ভাষাত কিতাপখনৰ নাম হৈছে La hija de Mising (মিৰি জীয়ৰী)। অসম সন্তান তন্ময় সোণোৱালৰ প্ৰশংসনীয় প্ৰচেষ্টাত এতিয়া বিদেশতো সমাদৃত উপন্যাস সম্ৰাটৰ অমৰ সৃষ্টি। ইতিমধ্যে ইণ্টাৰনেট, অনলাইন শ্বপিং এপ তথা দেশ-বিদেশৰ বিভিন্ন কিতাপৰ বিপনীত উপলব্ধ হৈছে স্পেনিছ ভাষাৰ মিৰিজীয়ৰী। এক আশাশুধীয়া প্ৰচেষ্টাৰ অন্তত অনুবাদক তথা উদীয়মান লেখক তন্ময় সোণোৱালে এইদৰে স্পেনিছ ভাষাত মুকলি কৰি দিবলৈ সক্ষম হৈছে মিৰি জীয়ৰী - La hija de Mising (Una historia de amor, sacrificio y separacion)ক। উল্লেখ্য যে, তন্ময় সোণোৱালৰ জন্ম হৈছিল ১৯৯৪ চনত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিং বিষ্ণুনগৰত। ৰূপাই বিষ্ণুনগৰৰ বাসিন্দা তথা আয়কৰ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ভোলা সোণোৱাল আৰু বন্তি সোণোৱালৰ কনিষ্ঠ পুত্ৰ তন্ময় সৰুৰে পৰা অত্যন্ত মেধাৱী ছাত্ৰৰূপে পৰিচিত। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত বৈদেশিক ভাষা-সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী তথা তন্ময় সোণোৱালে আন কেইবাটাও ভাষাৰ লগতে স্পেনিছ ভাষাটোও নিজৰ আয়ত্তলৈ আনে। ২০২০ চনত বিশ্বৰ তৃতীয় বহুল প্ৰচলিত স্পেনিছ ভাষালৈ বুঢ়ী আইৰ সাধু অনুবাদৰ কাম আৰম্ভ কৰিছিল তন্ময়ে। অসমীয়া সাহিত্যক বিশ্বত প্ৰতিষ্ঠা কৰাৰ মানসেৰেই অনুবাদমূলক সাহিত্য চৰ্চাত মনোনিৱেশ কৰা তন্ময় সোণোৱালৰ এই প্ৰচেষ্টাৰ বাবেই আজি বিদেশৰ মানুহেও সোৱাদ ল'ব পাৰিছে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ এই অমৰ সৃষ্টিৰ। প্ৰায় দুবছৰতকৈও অধিক কালজুৰি চলোৱা চেষ্টাৰ অন্তত বিগত ২০২২ চনত তেওঁ স্পেনিছ ভাষাত অনুবাদ কৰি উলিয়াইছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অমৰ সৃষ্টি 'বুঢ়ী আইৰ সাধু'। স্পেনিছ ভাষাত এই গ্ৰন্থখনৰ নাম দিয়া হৈছিল Cuentos De La Abuela। 'বুঢ়ী আইৰ সাধু'ৰ পাছত তন্ময় সোণোৱালে আৰু এঢাপ আগুৱাই গৈ অসমীয়া সাহিত্যৰ আন এখন বিখ্যাত গ্ৰন্থক স্পেনিছ ভাষালৈ অনুবাদ কৰি বিশ্বৰ গ্ৰন্থপ্ৰেমীৰ মাজত মুকলি কৰি দিলে। ১০ জুলাইত সমগ্ৰ বিশ্বজুৰি মুক্তি পালে 'মিৰি জীয়ৰী'ৰ স্পেনিছ অনুবাদ 'La hija de Mising' (Una historia de amor, sacrificio y separacion)। গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে বিশ্বৰ আগশাৰীৰ প্ৰকাশন সংস্থা Notion Press-এ। এই গ্ৰন্থখন ভাৰতকে ধৰি বৃটেইন, স্পেইন, আমেৰিকা, ছিংগাপুৰ আৰু মালয়েছিয়াৰ গ্ৰন্থৰ বজাৰতো উপলব্ধ। তন্ময় সোণোৱালৰ এনে প্ৰচেষ্টাৰ সকলোৰে শলাগ লোৱা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত বিভিন্নজনে তেওঁক জনাইছে শুভেচ্ছা আৰু অভিনন্দন।

প্ৰতিযোগিতামূলক পৰীক্ষাৰ কোচিং চেণ্টাৰ স্থাপনৰো ঘোষণা মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ

# বিহালীত ৭ কোটি টকা ব্যয় সাপেক্ষে ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ আধাৰশিলা স্থাপন; নৱনিৰ্মিত ভৱন উদ্বোধন

**অসম বাৰ্তা, জিনজিয়া, ১১ জুলাই ঃ** আজি শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি বিহালী স্নাতক মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় আঁচনিৰ অধীনত ৭ কোটি টকা ব্যয় সাপেক্ষে এটা ছাত্ৰাবাস আৰু এটা ছাত্ৰীনিবাসৰ আধাৰশিলা স্থাপন কৰা হয়। অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ, ভূমি সংৰক্ষণ আৰু সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে এই আধাৰশিলা স্থাপন কৰে। প্ৰাপ্ত তথ্যমতে, অনুসূচীত জাতি কল্যাণ-উন্নয়ন বিভাগে প্ৰতিটো আৱাস নিৰ্মাণৰ বাবে ৩ কোটি ৫০ লাখ টকাকৈ মুঠ ৭ কোটি টকা অনুমোদন জনোৱা হৈছে। ইয়াৰ সমান্তৰালকৈ সাংসদ পুঁজি আৰু আনটাইড পুঁজিৰ অধীনত নৱনিৰ্মিত. বিহালী স্নাতক মহাবিদ্যালয়ৰ শৈক্ষিক ভৱনৰো শুভ উদ্বোধন কৰে মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে। আধাৰশিলা আৰু উদ্বোধন ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে আবেগিক হৈ পৰে আৰু কয়, "শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত মোৰ ৰাজনৈতিক অভিভাৱক, সাংসদ দত্তই আঙুলিত ধৰি ৰাজনীতিলৈ অনাৰ হেতু আজি বিধায়ক-মন্ত্ৰীৰ দৰে গুৰু দায়িত্বৰে অসম মাতৃৰ সেৱা কৰাৰ সুযোগ লাভ কৰিছোঁ, একেদৰে বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাস মোৰ ভাতৃৰ সমান। অসমৰ এগৰাকী মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মন্ত্ৰিত্বৰ প্ৰথম কাম হিচাপে বিহালী বিধান সভা সমষ্টিত কাম-কাজ কৰিবলৈ পোৱাটোক মই মোৰ বাবে 'গুৰু দক্ষিণা' বুলি গণ্য কৰিম।" মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে মহাবিদ্যালয় শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে, "কেৱল শৈক্ষিক শিক্ষা অৰ্জন কৰিলেই নহয়, সমাজৰ প্ৰতি দায়বদ্ধতা থকাটোও এগৰাকী শিক্ষিত নাগৰিকৰ অতিকৈ প্ৰয়োজন। সামাজিক দ্বায়ৱদ্ধতা নথকা শিক্ষিত ব্যক্তিৰ শিক্ষাৰ কোনো মূল্য নাই।" ইপিনে, এই আধাৰশিলা আৰু উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্তই কয় যে, মন্ত্ৰী পীযূষ হাজৰিকাৰ পূৰ্বৰ ঘোষণা অনুসৰিয়েই আজি বিহালী স্নাতক মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ আৱাসৰ আধাৰশিলা স্থাপন কৰিবলৈ সক্ষম হোৱা গৈছে। বিহালী মহাবিদ্যালয়খন স্থাপনৰ লগত বিহালীৰ প্ৰতিজন ব্যক্তিৰ আত্মাৰ সম্পৰ্ক আছে, এই মহাবিদ্যালয় স্থাপনৰ সময়ত খাটিখোৱা চাহ শ্ৰমিকে তেজক পানী কৰি দৈনিক হাজিৰা কৰা ৮৯ হাজাৰ টকা সাহায্য আগবঢ়াইছিল। সিপিনে, বিহালী বিধায়ক মুনীন্দ্ৰ দাসে ভাষণ ডাঙি ধৰি কয় যে, বিহালীৰ অন্যতম ৰাজহুৱা শিক্ষানুষ্ঠান বিহীলী মহাবিদ্যালয় খনৰে প্ৰতিজন বিহালীবাসীৰ আত্মিক সম্পৰ্ক, আবেগ জড়িত আছে। অসমৰ কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ এগৰাকী ব্যক্তিত্ব সম্পন্ন আধুনিক মনৰ ৰাজনৈতিক নেতা। বিশেষকৈ নৱ প্ৰজন্মক আধুনিক শিক্ষা, সংস্কৃতিৰে একো একোজন মহান অসমীয়া হিচাপে গঢ় দিয়াৰ হেতু সপোন খেদা ব্যক্তি। বিধায়ক দাসে ভাষণ প্ৰসংগৰ মাজতে, মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক বিহালীত এক. দক্ষতা বিকাশ( স্কীল) শিক্ষানুষ্ঠান প্ৰদান আৰু এপিএচচি, এডিআৰইকে ধৰি আন প্ৰতিযোগিতামোলক পৰীক্ষাৰ্থীৰ সহায়ক হোৱাকৈ কোচিং চেণ্টাৰ প্ৰদান কৰিবলৈ অনুৰোধ জনায়। আজিৰ ৰাজহুৱা সভাখনত কেবিনেট মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে এক বিশেষ ঘোষণা কৰি কয় যে, অনাগত দিনত বিহালীত APSC, ADRE আদি প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ( কোচিং চেণ্টাৰ) অনুমোদন কৰা হ'ব বুলি কয়। লগতে, আজিৰ প্ৰজন্মক ড্ৰাগছৰ কবলৰ পৰা মুক্ত কৰাৰ স্বাৰ্থত সমাজৰ প্ৰতিগৰাকী ব্যক্তিক সামাজিক সজাগতা সৃষ্টিৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায় মন্ত্ৰী সৰকাৰে। আনহাতে, আধাৰশিলা আৰু উদ্বোধন অনুষ্ঠান ৰাজহুৱা সভাখনৰ আদৰণী সভা প্ৰদান কৰে বিহালী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ ড ৰমেন বৰাই। সভাৰ আঁতধৰে মহাবিদ্যালয়ৰ অধ্যাপক বিনোদ সুবেদীয়ে আঁত ধৰা এই অনুষ্ঠানত সাংসদ ৰঞ্জিত দত্ত, বিধায়ক মুনীন্দ্ৰ দাস, অনুসূচিত জাতি উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক গৌতম মজুমদাৰ, অনুসূচিত জাতি আৰু অন্যান্য কল্যাণ সঞ্চালকালয়ৰ ড০ কুলশ্ৰী নাথ, সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সচিব দিগন্ত বৈশ্য প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ নাগৰিক অভিৱৰ্তনত নদী বিশেষজ্ঞ যোগেন শৰ্মা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ জুলাই ঃ** 'বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ আৰু নদীৰ গতি-প্ৰকৃতি তথা ইতিহাসৰ গভীৰ অধ্যয়ন অবিহনে ব্ৰহ্মপুত্ৰৰ দৰে এখন বিশাল নদীক নিয়ন্ত্ৰণ কৰাটো একেবাৰে অসম্ভৱ। কেৱল পৰম্পৰাগত মথাউৰি বা সৰু-সুৰা সাময়িক প্ৰতিৰোধমূলক কামেৰে খহনীয়া প্ৰতিৰোধ সমস্যাৰ স্থায়ী সমাধান কেতিয়াও আশা কৰিব নোৱাৰি।' আজি ডিব্ৰুগড় জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহত জাতীয় যৌথ মঞ্চৰ উদ্যোগত আয়োজিত এক গুৰুত্বপূৰ্ণ নাগৰিক অভিৱৰ্তনত অংশগ্ৰহণ কৰি বিশিষ্ট নদী বিশেষজ্ঞ ড° যোগেন শৰ্মাই এইদৰে কয়। পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যনৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি ডিব্ৰুগড় আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ খহনীয়াৰ সমগ্ৰ দিশ পুংখানুপুংখভাৱে ডাঙি ধৰি তেওঁ কয় যে, সুদীৰ্ঘ দিন ধৰি অসমৰ নদ-নদীৰ ওপৰত কৰা গৱেষণাত স্পষ্ট হৈছে যে প্ৰতিটো খহনীয়া আৰু নদীৰ গতি সলনি হোৱাৰ আঁৰত একো একোটা নিৰ্দিষ্ট ভূতাত্ত্বিক কাৰণ থাকে। ব্ৰহ্মপুত্ৰৰ ভৌগোলিক আৰু গাঁথনিক চৰিত্ৰ ব্যাখ্যা কৰি বিশেষজ্ঞগৰাকীয়ে কয় যে, সাধাৰণ ধাৰণাৰ বিপৰীতে ব্ৰহ্মপুত্ৰ নদী মানস সৰোবৰৰ পৰা ওলোৱা নাই। ইয়াৰ পৰা প্ৰায় ৭৫ কিলমিটাৰ পূবত থকা চেমায়ুংদুং, আংচি আৰু কুবি নামৰ তিনিটা হিমবাহৰ গলিত বৰফৰ পানীৰ পৰাহে ব্ৰহ্মপুত্ৰৰ উৎপত্তি হৈছে। হিমালয় অতিক্ৰম কৰাৰ সময়ত অতি কম দূৰত্বৰ ভিতৰতে নদীখন প্ৰায় ২ কিলমিটাৰ তললৈ নামি অহাৰ বাবেই ই বিপুল শক্তি লাভ কৰিছে। ব্ৰহ্মপুত্ৰ এখন 'ব্ৰেইডেদ নদী' হোৱাৰ বাবে গৰাখহনীয়া আৰু চেনেল চিফ্‌টিং ইয়াৰ চিৰাচৰিত স্বাভাৱিক চৰিত্ৰ। পুৰণি বুৰঞ্জী আৰু ১৮৬৭-৬৮ চনৰ ব্ৰহ্মপুত্ৰৰ জলধাৰাৰ প্ৰসংগ টানি তেওঁ কয় যে, তাহানিৰ ডিব্ৰুগড় চহৰৰ হাইস্কুল, গীৰ্জা, ক্লাব ঘৰ আৰু ব্ৰিটিছ কোম্পানীৰ ভঁৰালসমূহ ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। বিশেষকৈ ১৯৫০ চনৰ বৰভুইকঁপৰ ফলত অৰুণাচলত হোৱা বিস্তৰ ভূমিস্খলনৰ গেদ জমা হৈ ডিব্ৰুগড়ৰ ওচৰত নদীৰ বুকু প্ৰায় ৩ মিটাৰ (১০ ফুট) পৰ্যন্ত ওপৰলৈ উঠি আহিছিল। নদীখন বাম হৈ যোৱাৰ বাবেই পানী কঢ়িয়াবলৈ ই অস্বাভাৱিকভাৱে বহল হ'বলগীয়া হয় আৰু ১৯৫০ৰ পৰা ১৯৭০ চনলৈ ভয়ংকৰ খহনীয়াৰ সৃষ্টি কৰে, যদিও পিছলৈ নদীখনে পুনৰ নিজৰ ভাৰসাম্য কিছু পৰিমাণে ঘূৰাই আনিছিল। বিশেষকৈ ৰহমৰীয়া অঞ্চলৰ খহনীয়াৰ বৈজ্ঞানিক ৰহস্য ফাদিল কৰি নদী বিশেষজ্ঞ শৰ্মাই কয় যে, নাগাচালীৰ পৰা ধলালৈ বিস্তৃত অঞ্চলটোৰ তলত এটা ডাঙৰ ভূতাত্ত্বিক ফাট বা 'চ্যুতি' আছে। এই চ্যুতিৰ বাবেই ইয়াৰ উত্তৰ অংশটো তললৈ বহি গৈছে আৰু নদীখনে প্ৰায় ৪৫ ডিগ্ৰী কোণত আকস্মিকভাৱে আহি ৰহমৰীয়াৰ ৩ মিটাৰ ওখ গৰাটোত খুন্দা মাৰিছে। ১৯২৪ চনত ৰহমৰীয়াৰ পৰা ৬ কিলমিটাৰ আঁতৰত থকা ব্ৰহ্মপুত্ৰই ১৯৯৫ চনৰ পিছত এই বহি যোৱা অংশ স্পৰ্শ কৰে আৰু কালৰূপ ধাৰণ কৰে। নদীৰ তলৰ স্তৰত থকা শুকান বালি পানীৰ সোঁতত সহজে উটি যোৱাৰ বাবেই ওপৰৰ মাটিভাগ ওলমি তললৈ খহি পৰে। অনুৰূপ ধৰণে লোহিত নদীৰ গতিপথ পৰিৱৰ্তনৰ বাবেই ডিব্ৰু-চৈখোৱা অভয়াৰণ্যখন বৰ্তমান মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন হৈ এক নতুন মাজুলীত পৰিণত হৈছে। শেহতীয়াকৈ ২০২২ চনৰ পৰা ২০২৫-২৬ চনৰ ভিতৰত নদীৰ প্ৰধান সুঁতিটোৰে নাগাচালীৰ পৰা আইথান আৰু মোহনাঘাট পৰ্যন্ত খহনীয়া অব্যাহত ৰাখিছে। ভাষণ প্ৰসংগত অসম চৰকাৰৰ জলসম্পদ বিভাগক তীব্ৰ সমালোচনা কৰি নদী বিশেষজ্ঞগৰাকীয়ে আক্ষেপ প্ৰকাশ কৰে যে, ইমান এক জটিল নদী সমস্যা থকা স্বত্বেও বিভাগটোত এজনো ভূতত্ত্ববিদ নাই, যিটো অত্যন্ত দুৰ্ভাগ্যজনক। আমেৰিকা বা ইংলেণ্ডৰ দৰে বিদেশৰ লগতে আনকি বাংলাদেশতো নদীৰ আকৃতি আৰু প্ৰকৃতি অধ্যয়ন কৰাত ভূতত্ত্ববিদসকলকহে নদী নিয়ন্ত্ৰণৰ কামত আটাইতকৈ বেছি প্ৰাধান্য দিয়া হয়। ইয়াৰোপৰি তেওঁ চীন দেশে নিৰ্মাণ কৰা পৃথিৱীৰ অন্যতম বৃহৎ বান্ধৰ সম্ভাৱ্য বিপদৰ কথাও সকীয়াই দিয়ে। তেওঁ কয় যে, যদি কেতিয়াবা চীনৰ সেই বৃহৎ বান্ধটো ভাঙি পৰে, তেন্তে পাচিঘাটৰ পিছতেই ইয়াৰ প্ৰথম আৰু পোনপটীয়া কোব পৰিব দিনজানৰ সামৰিক চাউনী আৰু মাইজান অঞ্চলত। বৰ্তমান মাইজান আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ দূৰত্ব মাত্ৰ ১ কিলমিটাৰ আৰু ইয়াৰ মাজেদিয়েই দিনজানৰ শুকান নদীখন বৈ গৈছে। বালিজানৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পানীয়ে যদি কোনো কাৰণত এই পথ লয়, তেন্তে ডিব্ৰুগড়ৰ এটা ডাঙৰ অংশ পুনৰ এটা নতুন দ্বীপত পৰিণত হোৱাৰ পূৰ্ণ আশংকাই দেখা দিব। ১৯৫০ চনত সোৱণশিৰীৰ প্ৰাকৃতিক বান্ধ ভাঙি হোৱা প্ৰলয়ংকৰী বান, বালিৰ পলস আৰু বৃহৎ ব'ল্ডাৰ উটি অহাৰ দৃশ্য সোঁৱৰাই দি তেওঁ সকলোকে চকু মুদি নাথাকিবলৈ সজাগ কৰে। কেৱল ওপৰে ওপৰে কাম নকৰি নদীৰ গভীৰ ভূতাত্ত্বিক অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আৰু ৰাইজৰ এই সচেতনতাই ভৱিষ্যতে ডিব্ৰুগড় তথা সমগ্ৰ অসমৰ নদী সমস্যা সমাধানৰ ক্ষেত্ৰত এক ইতিবাচক দিশৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। জাতীয় যৌথ মঞ্চৰ মুখ্য আহ্বায়ক উদয় শংকৰ মহনে আঁত ধৰা এই অভিৱৰ্তনখনিত আদৰণি ভাষণ প্ৰদান কৰে অসম আদিত্যৰ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই। তেওঁ ডিব্ৰুগড় জিলাৰ ঐতিহাসিক ঐতিহ্য, ইয়াৰ গুৰুত্ব আৰু গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ল'বলগীয়া জৰুৰী পদক্ষেপসমূহৰ বিষয়ে উপস্থিত ৰাইজক বিতংভাৱে অৱগত কৰে। ইয়াৰ পিছতে সভাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি জাতীয় যৌথ মঞ্চৰ মুখ্য আহ্বায়ক উদয় শংকৰ মহনে কয় যে জিলাখনৰ বান-খহনীয়াৰ এক সবল প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰি চৰকাৰৰ দৃষ্টিগোচৰ কৰাটোৱেই হৈছে এই অভিৱৰ্তনৰ প্ৰধান লক্ষ্য। চৰকাৰে যাতে সমগ্ৰ বিষয়টোক অত্যন্ত গুৰুত্ব সহকাৰে গ্ৰহণ কৰি বিশেষজ্ঞৰ দ্বাৰা পৰ্যবেক্ষণ কৰাই ইয়াৰ এক স্থায়ী সমাধানৰ বাবে তেওঁ আহ্বান জনায়। একে সময়তে খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত বৰ্তমান সময়লৈকে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ একেবাৰেই অপৰ্যাপ্ত বুলিও অভিৱৰ্তনত পৰ্যালোচনা হয়। মনজিৎ বৰাই সুচাৰুৰূপে সঞ্চালনা কৰা এই নাগৰিক অভিৱৰ্তনত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি ব্ৰহ্মপুত্ৰৰ সংহাৰী গৰাখহনীয়া সন্দৰ্ভত নিজা নিজা গুৰুত্বপূৰ্ণ মত আৰু পৰামৰ্শ আগবঢ়াই প্ৰাক্তন ন্যায়িক দণ্ডাধীশ তথা কানৈ আইন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভূপেন শইকীয়া, সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ, বিশিষ্ট ব্যক্তি পুৰ্নানন্দ ভৰালী, বিশিষ্ট নাগৰিক কুমুদ বৰা, ডিব্ৰুগড়-তিনিচুকীয়া গৰাখহনীয়া প্ৰতিৰোধী ঐক্যমঞ্চৰ সভাপতি বিনোদ কেডিয়া, বিশিষ্ট নাগৰিক প্ৰণৱ গোস্বামী, ৰহমৰীয়া গৰাখহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ উপদেষ্টা দীননাথ দত্ত, বিশিষ্ট নাগৰিক চক্ৰ গোঁহাই, অৱসৰপ্ৰাপ্ত শিক্ষক গন্ধেশ্বৰ শইকীয়া, বিশিষ্ট নাগৰিক হৃদয় চৌধুৰী, বিশিষ্ট নাগৰিক যোগেশ গোঁহাই, ল'নাথ চৌখাম, বিশিষ্ট নাগৰিক চেৰণ প্ৰসাদ শৰ্মা আৰু ইন্দ্ৰজিৎ শিলপনীয়াই বক্তব্য প্ৰদান কৰে। ইয়াৰ পিছতে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ক্ষীৰোদ শইকীয়াই সভাৰ মূল প্ৰস্তাৱসমূহ পাঠ কৰে। গৃহীত প্ৰস্তাৱসমূহৰ ভিতৰত প্ৰথমতে ব্ৰহ্মপুত্ৰ নদীৰ গতি-প্ৰকৃতি বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনোৱা হয়। দ্বিতীয়তে, সোণোৱাল চৰকাৰৰ দিনতেই নদী খননৰ বাবে গ্ৰহণ কৰা অভিলাষী পৰিকল্পনা অতি শীঘ্ৰে কাৰ্যকাৰী কৰিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰা হয়। অভিৱৰ্তনত খহনীয়া প্ৰতিৰোধৰ নামত চৰকাৰে কেৱল জিঅ' বেগ ব্যৱহাৰ কৰা কাৰ্যকো তীব্ৰ সমালোচনা কৰা হয়। নাগৰিক সমাজে স্পষ্টকৈ উল্লেখ কৰে যে কেৱল জিঅ' বেগ পেলাই থকাৰ পিছতো ডিব্ৰুগড়ত খহনীয়া প্ৰতিৰোধৰ কোনো ইতিবাচক ছবি দেখিবলৈ পোৱা নাই, গতিকে চৰকাৰে অনতিপলমে বিকল্প বিজ্ঞানসন্মত প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই সমগ্ৰ প্ৰচেষ্টাক পদ্ধতিগতভাৱে আগবঢ়াই নিবলৈ আজিৰ অভিৱৰ্তনত সৰ্বসন্মতিক্ৰমে "বৃহত্তৰ ডিব্ৰুগড় বান-গড়াখহনীয়া সুৰক্ষা সমিতি" গঠনৰ এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। নৱগঠিত এই শক্তিশালী সমিতিখনৰ উপদেষ্টা হিচাপে ভূপেন শইকীয়া, যোগেন শৰ্মা, গন্ধেশ্বৰ শইকীয়া, চেৰন প্ৰসাদ শৰ্মা, প্ৰণৱ গোস্বামী, দুৰ্গা বৰঠাকুৰ, হৃদয় চৌধুৰী, পূৰ্ণানন্দ ভৰালী, ল'নাথ চৌখাম, দীপক শইকীয়া আৰু জ্যোতিপ্ৰসাদ কানৈক মনোনীত কৰা হৈছে। সমিতিৰ সভাপতি হিচাপে মনজিৎ বৰা, কাৰ্যকৰী সভাপতি হিচাপে মিলন সোণোৱাল আৰু উপ-সভাপতি হিচাপে নিৰ্মল কান্তি শীল, ক্ষীৰোদ শইকীয়া, বুধিন সোণোৱাল আৰু শৰৎ হাজৰিকাক দায়িত্ব অৰ্পণ কৰা হয়। তদুপৰি উদয় শংকৰ মহনক সাধাৰণ সম্পাদক, ধনজিৎ সন্দিকৈ, ললিত কুৰ্মী আৰু ৰণ্টু দেউৰীক সহঃ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ লগতে প্ৰাথমিক পৰ্যায়ত সুনীল পাতৰ আৰু ৰুবুল সোণোৱালক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰি ডিব্ৰুগড়ৰ সুৰক্ষাৰ স্বাৰ্থত এই সমিতিখন গঠন কৰা হয়। এই নাগৰিক অভিৱৰ্তনৰ অন্তিম মুহূৰ্তত সঞ্চালক মনজিৎ বৰাই কয় যে ডিব্ৰুগড় চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলসমূহক ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়াৰ পৰা সুৰক্ষিত কৰিবলৈ হ'লে চৰকাৰী মেৰামতিমূলক আঁচনিতকৈ দীৰ্ঘম্যাদী আৰু বিজ্ঞানসন্মত কাৰিকৰী অধ্যয়নৰ জৰুৰী প্ৰয়োজন আছে। নদীৰ প্ৰকৃতি আৰু ব্ৰহ্মপুত্ৰৰ তীব্ৰ সোঁতে কেনেকৈ অঞ্চলটোক জুৰুলা কৰিছে, সেই বিষয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰি তেওঁ কয় যে এই খহনীয়া প্ৰতিৰোধৰ বাবে কেৱল হ্ৰস্বম্যাদী পৰিকল্পনা কৰিলে নহ'ব, বৰং ইয়াৰ বাবে কাৰিকৰী বিশেষজ্ঞৰ সহায়ত গভীৰভাৱে পৰিস্থিতি পৰ্যালোচনা কৰিব লাগিব। পূৰ্বৰ উদাহৰণ দি তেওঁ কয় যে পূৰ্বতে শদিয়াৰ ওচৰত নদীৰ গতিপথৰ যি পৰিৱৰ্তন ঘটিছিল, তাৰ বাবেই ক্ৰমে বালিজান, মাইজান, কয়লাঘাট আৰু পৰৱৰ্তী সময়ত মোহনাঘাটৰ পৰা আইথান বগীবিললৈকে নদীখন ডিব্ৰুগড়ৰ বহুত কাষ চাপি আহিল। পূৰ্বৰ অভিজ্ঞতাৰ ভিত্তিত তেওঁ উল্লেখ কৰে যে ডিব্ৰুগড়ক সুৰক্ষিত কৰিবলৈ হ'লে বিজ্ঞানসন্মতভাৱে বল্ডাৰৰ শক্তিশালী স্পাৰ নিৰ্মাণ কৰিব লাগিব, যিদৰে ৰে'ল বিভাগে বগীবিল দলঙৰ সুৰক্ষাৰ বাবে অতি সফলভাৱে শক্তিশালী স্পাৰ ব্যৱহাৰ কৰিছে। অভিৱৰ্তনত চৰকাৰৰ খহনীয়া প্ৰতিৰোধী নীতি আৰু অনিয়মক তীব্ৰ সমালোচনা কৰি তেওঁ বিশেষকৈ সাম্প্ৰতিক সময়ত বিভাগীয় কৰ্তৃপক্ষই ব্যৱহাৰ কৰা 'জিঅ' বেগ' আঁচনিক লৈ সৰৱ হৈ পৰে। স্থানীয় বিধায়ক আৰু বিভাগীয় বিষয়াসকলে খহনীয়াৰ সময়ত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী দুয়োটা পৰিকল্পনাৰ কথা ক'লেও বৰ্তমান কেৱল জৰুৰীকালীন ভাৱে জিঅ' বেগ পেলোৱাৰ কামহে দেখা গৈছে, যাৰ দ্বাৰা কোনো স্থায়ী সমাধান সম্ভৱ নহয়। আনকি এই জিঅ' বেগ আঁচনিৰ নামত চলি থকা ব্যাপক দুৰ্নীতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে একোটা জিঅ' বেগৰ ভিতৰত চাৰি-পাঁচটাকৈ বেগ সুমুৱাই দি কাম ফাঁকি দিয়াৰ ঘটনা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰিছে। ২০০৫ চনৰ জ'গাৰ্চ পাৰ্কৰ খহনীয়াৰ সময়ত গছৰ ডাল-পাত পেলাই যি পৰম্পৰাগত প্ৰতিৰোধৰ চেষ্টা কৰা হৈছিল, বৰ্তমান কোটি কোটি টকা ব্যয় কৰাৰ পাছতো নদীৰ পাৰত তেনে কোনো স্থায়ী সুৰক্ষা কৱচ গঢ়ি উঠা নাই। চৰকাৰে পূৰ্বতে নদীৰ পাৰ উন্নয়ন কৰি মুম্বাইৰ দৰে গীত-নৃত্য আৰু বিনোদনৰ পৰিৱেশ গঢ়াৰ যি সপোন দেখুৱাইছিল, সেয়া ফুটুকাৰ ফেনত পৰিণত হ'ল বুলি বৰাই আক্ষেপেৰে উল্লেখ কৰে। এই গুৰুত্বপূৰ্ণ বিষয়টোক লৈ কেৱল ৰাজ্য চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি থকাৰ পৰিৱৰ্তে কেন্দ্ৰীয় চৰকাৰ আৰু নতুন দিল্লীৰ জলসম্পদ বিভাগৰ ওচৰত জোৰদাৰ দাবী উত্থাপন কৰাৰ বাবে অভিৱৰ্তনত সিদ্ধান্ত গ্ৰহণ কৰা হয়। খহনীয়া সমস্যা সমাধানৰ বাবে প্ৰায় তিনিশ কোটি টকাৰ যি পুঁজিৰ কথা চৰকাৰী পক্ষই কৈছে, তাৰ সঠিক আৰু স্বচ্ছ ৰূপায়ণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া পদক্ষেপৰ প্ৰয়োজন। কেৱল ডিব্ৰুগড় চহৰক বচালেই নহ'ব, সমগ্ৰ ৰহমৰীয়া আৰু বালিজান অঞ্চলৰ নতুন নতুন খহনীয়া সমস্যাৰো স্থায়ী সমাধান কৰিব লাগিব। এই স্পৰ্শকাতৰ বিষয়টোত জাতীয় যৌথ মঞ্চ আৰু কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনে লৈ অহা সক্ৰিয় ভূমিকাক প্ৰশংসা কৰি মনজিৎ বৰাই কয় যে অনাগত দিনত প্ৰতিগৰাকী নাগৰিকে দায়িত্বশীলভাৱে আগবাঢ়ি আহিলেহে ব্ৰহ্মপুত্ৰৰ এই সংহাৰী ৰূপৰ পৰা ডিব্ৰুগড়ক চিৰদিনৰ বাবে ৰক্ষা কৰিব পৰা যাব। অভিৱৰ্তনৰ শেষত জাতীয় যৌথ মঞ্চৰ মুখ্য আহ্বায়ক উদয় শংকৰ মহনে শলাগৰ শৰাই আগবঢ়াই। উক্ত সভাত ডিব্ৰুগড়ৰ শতাধিক গণ্য-মান্য ব্যক্তি তথা বিভিন্ন জাতীয়-জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে।

## বৃহত্তৰ ডিব্ৰুগড় বান-গড়াখহনীয়া সুৰক্ষা সমিতি গঠন

১০ যোৰ দম্পতীয়ে আৰম্ভ কৰিলে নতুন জীৱনৰ যাত্ৰা

# লংকাত প্ৰথমবাৰৰ বাবে বৰ্ণাঢ্য গণ বিবাহ সম্পন্ন

**অসম বাৰ্তা, লংকা, ১১ জুলাই ঃ** হোজাই জিলাৰ লংকা চহৰত সামাজিক সম্প্ৰীতি, মানৱসেৱা আৰু সামাজিক দায়বদ্ধতাৰ এক অনন্য নিদৰ্শন স্থাপন কৰি ওমপ্ৰকাশ প্ৰমিলাদেৱী সোঁৱৰণি দাতব্য ন্যাসৰ উদ্যোগত শনিবাৰে এক বৰ্ণাঢ্য গণ বিবাহ অনুষ্ঠান সফলতাৰে সম্পন্ন হয়। লংকা চহৰৰ ঐতিহ্যবাহী শ্ৰীশ্ৰী ৰাম ঠাকুৰ সেৱা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত এই বিশেষ অনুষ্ঠানত একেলগে ১০যোৰ দৰা-কইনাৰ বৈদিক ৰীতি-নীতিৰে বিবাহ সম্পন্ন কৰা হয়। লংকা চহৰত এই ধৰণৰ বৃহৎ পৰিসৰৰ গণ বিবাহ অনুষ্ঠান প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱাত অঞ্চলজুৰি ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হয়। অনুষ্ঠান চাবলৈ পুৱাৰে পৰা মন্দিৰ চৌহদত বিভিন্ন প্ৰান্তৰ শতাধিক লোকৰ সমাগম ঘটে। সামাজিক সমন্বয়, পাৰস্পৰিক সহযোগিতা আৰু অসহায় পৰিয়ালসমূহৰ কাষত থিয় দিয়াৰ লক্ষ্যৰে আয়োজিত এই অনুষ্ঠানক স্থানীয় ৰাইজে ভূয়সী প্ৰশংসা কৰে। বৈদিক মন্ত্ৰোচ্চাৰণ, অগ্নিসাক্ষী, মালাবদল, সাত পাক আদি সকলো পৰম্পৰাগত হিন্দু বিবাহৰ নিয়ম-নীতি অনুসৰি প্ৰতিজন দৰা-কইনাৰ বিবাহ সম্পন্ন কৰা হয়। বিবাহৰ আইনী প্ৰক্ৰিয়াও যথাযথভাৱে অনুসৰণ কৰা হয়। বৈদিক মন্ত্ৰধ্বনি, শংখধ্বনি আৰু উলুধ্বনিৰে সমগ্ৰ মন্দিৰ প্ৰাংগণ এক আধ্যাত্মিক আৰু উৎসৱমুখৰ পৰিৱেশেৰে মুখৰিত হৈ উঠে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ আৰু কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা। অতিথিসকলে নৱদম্পতী সকললৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে এনে সামাজিক আৰু মানৱীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আয়োজক সংস্থাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে গণ বিবাহৰ দৰে উদ্যোগে সমাজত অযথা আড়ম্বৰ আৰু অপচয় হ্ৰাস কৰাৰ লগতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালসমূহক যথেষ্ট সহায় কৰে। এনে কাৰ্যসূচীয়ে সমাজত এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনে। এই বৃহৎ অনুষ্ঠান সফলভাৱে ৰূপায়ণত ওমপ্ৰকাশ প্ৰমিলাদেৱী সোঁৱৰণি দাতব্য ন্যাসৰ মুখ্য পৰিচালক ৰোহিত আগৰৱালৰ নেতৃত্ব বিশেষভাৱে লক্ষ্য কৰা যায়। উল্লেখযোগ্য যে, বিবাহ অনুষ্ঠানৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা দৰা-কইনাৰ পৰম্পৰাগত পোছাক, অলংকাৰ, বেণ্ড পাৰ্টি, আলোকচিত্ৰ গ্ৰহণ, বিবাহৰ সামগ্ৰী, প্ৰসাদ, অতিথি আপ্যায়ন, দুপৰীয়াৰ ভোজন আদিৰ সমগ্ৰ ব্যয় ওমপ্ৰকাশ প্ৰমিলাদেৱী সোঁৱৰণি দাতব্য ন্যাসে বহন কৰে। ফলত নৱদম্পতী আৰু তেওঁলোকৰ পৰিয়ালসমূহে কোনো ধৰণৰ আৰ্থিক বোজা নোহোৱাকৈ নিজৰ জীৱনৰ নতুন অধ্যায় আৰম্ভ কৰাৰ সুযোগ লাভ কৰে। অনুষ্ঠানৰ অন্তত সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বিধায়ক শিবু মিশ্ৰই সংস্থাৰ মুখ্য পৰিচালক ৰোহিত আগৰৱালক বিশেষভাৱে অভিনন্দন জনায় আৰু সমাজসেৱামূলক এনে ব্যতিক্ৰমী উদ্যোগ ভৱিষ্যতেও অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উপস্থিত বহু বিশিষ্ট ব্যক্তি আৰু স্থানীয় ৰাইজেও এই গণ বিবাহক লংকা চহৰৰ সামাজিক ইতিহাসত এক স্মৰণীয় আৰু অনুকৰণীয় পদক্ষেপ হিচাপে অভিহিত কৰে।

# বিশিষ্ট সমাজকৰ্মী, মাজুলী জিলা অনুসূচিত জাতি পৰিষদৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন প্ৰধান শিক্ষক ভোলা দাসৰ মৃত্যু

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুলাই ঃ** মাজুলীৰ শেনচোৱা অঞ্চলৰ অন্তৰ্গত ঠাকুৰবাৰী গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, সৰ্ববৰহী ধৰ্মপ্ৰাণ ব্যক্তি ভোলা দাসৰ (৭৩) ১০জুলাইৰ ৰাতি প্ৰায় ১০'৩০ বজাত নিজা বাসগৃহত মৃত্যু হয়। ১৯৫৩ চনত ঐতিহাসিক শেনচোৱা অঞ্চলত জন্মগ্ৰহণ কৰা সমাজহিতৈষী ভোলা দাসে সত্ৰপীঠ মাজুলীৰ শিক্ষা, সমাজ আৰু আধ্যাত্মিক ক্ষেত্ৰখনৰ সৈতে সুদীৰ্ঘ সময় জড়িত থাকি সমাজৰ সামগ্ৰিক উন্নয়নৰ হকে অমৃত্যু কৰ্ম সম্পাদন কৰি অনন্য ৰূপত নিজকে পৰিচয় দি আহিছিল। জনদৰদী ব্যক্তি ভোলা দাস অনুসূচিত জাতিৰ এগৰাকী গুৰিধৰোঁতা আছিল। শেনচোৱা মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা ২০১৩ চনত প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰা ব্যক্তিগৰাকী মাজুলীৰ বৃহত্তৰ মায়ামৰা সমাজখনৰ এগৰাকী আগৰণুৱা ব্যক্তি আছিল। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ সমাজৰ ভালেকেইটা অগ্ৰনী অনুষ্ঠানৰ লগত জড়িত আছিল। মাজুলী জিলা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতি ভোলা দাসে মাজুলী স্থিত শ্ৰীশ্ৰী মায়ামৰা আজলী আই বা-ভগা থান সত্ৰ, শ্ৰীশ্ৰী শেনচোৱা ৰাস উদযাপন সমিতি, শেনচোৱা আঞ্চলিক বিহু সন্মিলন আদিৰো এগৰাকী মুখ্য উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ বিয়োগত বৃহত্তৰ শেনচোৱা অঞ্চলৰ লগতে মাজুলীৰ শৈক্ষিক, আধ্যাত্মিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰো এক অপূৰণীয় ক্ষতি হ'ল। তেওঁৰ মৃত্যুত অসমৰ বিভিন্ন জিলাত থকা শ্ৰীশ্ৰী মায়ামৰা সত্ৰসমূহৰ লগতে শ্ৰীশ্ৰী মায়ামৰা আজলী আই বা-ভগা থান সত্ৰৰ উন্নয়ন সমিতি, শেনচোৱা আঞ্চলিক ৰাস উৎসৱ উদযাপন সমিতি, মাজুলী জিলা মায়ামৰা সাংস্কৃতিক সমাজ, মাজুলী জিলা অনুসূচিত জাতি উন্নয়ন পৰিষদ, ঠাকুৰবাৰী গাওঁ উন্নয়ন সমিতি, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ যুৱক সংঘ, মাজুলী জিলা অনুসূচিত জাতি ছাত্ৰ সন্থা, শেনচোৱা অঞ্চলৰ সমূহ নামঘৰ উন্নয়ন সমিতিকে ধৰি মাজুলীৰ বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিজন পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, নাতি সমন্বিতে এটি বৃহৎ পৰিয়াল এৰি থৈ যায়।

## সম্পাদকীয়

# প্ৰাকৃতিক দুৰ্যোগৰ দশক ঃ অসমৰ বাবে এক চিন্তনীয় পৰিসংখ্যা

অসমৰ প্ৰাকৃতিক পৰিৱেশ সদায়েই বৈচিত্ৰ্যময়। কিন্তু এই বৈচিত্ৰ্যৰ লগত জড়িত হৈ আছে এক ভয়াৱহ বাস্তৱতা—প্ৰাকৃতিক দুৰ্যোগ। ২০১৬ চনৰ পৰা ২০২৫ চনলৈকে অসমত সংঘটিত বানপানী, ভূমিস্খলন, ধুমুহা আৰু বজ্ৰপাতত মুঠ ১, ৪৭৬জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় ৫৮ লাখ বিঘা কৃষিভূমি ধ্বংস হৈছে। এই দশকীয়া পৰিসংখ্যাই অসমৰ বাবে এক গভীৰ উদ্বেগৰ বিষয়বস্তু হিচাপে আবিৰ্ভাৱ হৈছে।

বানপানীৰ ফলত এই দশকটোত সৰ্বাধিক—৮৩৬ জন—লোকৰ মৃত্যু হৈছে। বজ্ৰপাতত ৩৭২ জন, ধুমুহাত ১৭৫জন আৰু ভূমিস্খলনত ৯৩জন লোকৰ মৃত্যু হয়। বানপানীৰ বছৰভিত্তিক পৰিসংখ্যা চালে দেখা যায়—২০১৬: ৬৪ জন, ২০১৭: ১৬০ জন, ২০১৮: ৪৫ জন, ২০১৯: ১০১ জন, ২০২০: ১২৪ জন, ২০২১: ৮ জন, ২০২২: ১৮১ জন, ২০২৩: ১৮ জন, ২০২৪: ১১০জন আৰু ২০২৫: ২৫ জন। ২০২২ চনত ১৮১জন লোকৰ মৃত্যুৰে এই দশকৰ আটাইতকৈ ভয়াবহ বানপানী সংঘটিত হৈছিল। এই পৰিসংখ্যাই স্পষ্ট কৰে যে প্ৰাকৃতিক দুৰ্যোগ অসমৰ বাবে কোনো নতুন সমস্যা নহয়, বৰঞ্চ ই এক চিৰস্থায়ী আৰু গুৰুতৰ সংকট।

ৰাজ্যখনৰ কৃষি অৰ্থনীতিৰ ওপৰতো এই দুৰ্যোগবোৰে গভীৰ প্ৰভাৱ পেলাইছে। ২০১৬ চনৰ পৰা ২০২৫ চনলৈকে মুঠ ৫৭, ৫৬, ৭০০ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ইয়াৰ উপৰিও নদী খহনীয়াৰ ফলত ২, ৩১, ১০০ বিঘা মাটি নদীগৰ্ভত বিলীন হৈ গৈছে। অসমৰ কৃষকে যেতিয়া বছৰি নিজৰ শস্যক্ষেত্ৰ পানীত বুৰ যোৱা দেখে, তেতিয়া তেওঁলোকৰ জীৱিকাৰ ভেটি খহি পৰে। অসমৰ মুঠ কৃষিভূমিৰ এক বৃহৎ অংশ বানপানীৰ কবলত পৰে—প্ৰায় ২৫ লাখ হেক্টৰ কৃষিভূমিৰ পৰা প্ৰতিবছৰে প্ৰায় ৪ লাখ হে'ৰ ভূমি ক্ষতিগ্ৰস্ত হয়। কৃষকসকলে উচিত ক্ষতিপূৰণ নাপালে তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা দিনে দিনে সংকটাপন্ন হৈ পৰে।

প্ৰাকৃতিক দুৰ্যোগৰ কাৰণবোৰো বহুমুখী। অসম নদীমাতৃক ৰাজ্য- ব্ৰহ্মপুত্ৰ, বৰাক, কপিলীকে ধৰি অসংখ্য নদী-উপনদীয়ে ৰাজ্যখনক প্ৰাকৃতিকভাৱে বানপানীপ্ৰৱণ কৰি তুলিছে। কিন্তু ইয়াৰ লগতে মানৱীয় কাৰণো আছে। গুৱাহাটী মহানগৰীকে ধৰি বিভিন্ন চহৰাঞ্চলত পৰিকল্পনাহীন নিৰ্মাণ, জলাশয় ধ্বংস কৰি অট্টালিকা নিৰ্মাণ, আৰু বনভূমিৰ সংকোচনে বানপানীৰ তীব্ৰতা বৃদ্ধি কৰিছে। জলবায়ু পৰিৱৰ্তনেও এই দুৰ্যোগবোৰৰ তীব্ৰতা আৰু পুনৰাবৃত্তি বৃদ্ধি কৰিছে।

চৰকাৰী প্ৰতিক্ৰিয়াৰ ক্ষেত্ৰত অসম চৰকাৰে ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণ (ASDMA)ৰ জৰিয়তে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ১৫তম বিত্ত আয়োগৰ সুপাৰিশত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া পুঁজি (SDRF)ত ৩, ৭৯৩.৬০ কোটি টকা আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (SDMF)ত ৯৪৮.৪০ কোটি টকা অনুমোদন কৰিছে। ২০২২ চনৰ বানপানীৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰতিক্ৰিয়া পুঁজি (NDRF-PDNA)ৰ পৰা ১, ২০৭.২৭ কোটি টকা আৰু গুৱাহাটীৰ নগৰীয়া বানপানী প্ৰশমনৰ বাবে ২০০ কোটি টকা লাভ কৰিছে। অসম চৰকাৰে ২০১৬ চনৰ পৰা প্ৰতিবছৰে বানপানী সম্পৰ্কীয় স্মাৰকপত্ৰ দাখিল কৰি আহিছে, যাৰ ফলত কেন্দ্ৰই ৩৪৪.২২ কোটি টকা অনুমোদন কৰিছে। কিন্তু এই সাহায্যৰাশি ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ্বাসন আৰু দীৰ্ঘম্যাদী সমাধানৰ বাবে পৰ্যাপ্ত নে- সেয়া প্ৰশ্নবিদ্ধ।

প্ৰাকৃতিক দুৰ্যোগৰ সমাধানৰ বাবে কেৱল চৰকাৰী পদক্ষেপেই যথেষ্ট নহয়। ৰাইজৰ মাজত সজাগতা, নদীসমূহৰ নিয়মিত খনন, মথাউৰি সবলীকৰণ, আধুনিক শ্লুইচ গেট নিৰ্মাণৰ দৰে বহুমুখী কাৰ্যপন্থা গ্ৰহণ কৰিব লাগিব। গুৱাহাটী মহানগৰীত নলা-নৰ্দমা চাফাই, জমা হৈ থকা পানী নিষ্কাষণ আদি কামসমূহ সময়মতে সম্পন্ন কৰিব লাগিব। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ মোকাবিলা কৰিবলৈ দীৰ্ঘম্যাদী পৰিকল্পনা আৰু অভিযোজন কৌশল গ্ৰহণ কৰাটোও অতি জৰুৰী।

১, ৪৭৬ মৃত্যু, ৫৮ লাখ বিঘা কৃষিভূমি ধ্বংস, ২.৩১ লাখ বিঘা মাটি নদীগৰ্ভত বিলীন- এই পৰিসংখ্যাবোৰে অসমৰ বাবে এক সতৰ্কবাণী। ব্ৰহ্মপুত্ৰৰ প্ৰতি বছৰে গড়ে প্ৰায় ৮, ০০০ হে'ৰ ভূমি খহনীয়াত জাহ যায়। যদি এই ধাৰা অব্যাহত থাকে, অসমৰ ভৱিষ্যত প্ৰজন্মই এক সংকটাপন্ন পৰিৱেশৰ সন্মুখীন হ'ব। প্ৰাকৃতিক দুৰ্যোগ ৰোধ কৰা সম্ভৱ নহ'লেও ইয়াৰ প্ৰভাৱ কমাই অনা সম্ভৱ। সেই কামৰ বাবে প্ৰয়োজন- সুপৰিকল্পিত উন্নয়ন, বিজ্ঞানসন্মত পদক্ষেপ, আৰু ৰাইজৰ সজাগতা। অসমৰ বুৰঞ্জীত প্ৰাকৃতিক দুৰ্যোগ নতুন নহয়। কিন্তু এই দশকৰ পৰিসংখ্যাই আমাক নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰাইছে। প্ৰাণ আৰু সম্পত্তিৰ ক্ষতি ৰোধ কৰিবলৈ সকলোকে আগবাঢ়ি আহিব লাগিব। চৰকাৰ, প্ৰশাসন, বিজ্ঞানী, আৰু ৰাইজ- সকলোৱে সমন্বিত প্ৰচেষ্টাৰেহে অসমক প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা কৰিব পাৰি।



# অসম বাজেট ২০২৬-২৭ৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বানৰ খতিয়ান

*চৰকাৰৰ এই বাজেটৰ মূল আকৰ্ষণ হৈছে বিত্তমন্ত্ৰীয়ে ঘোষণা কৰা 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' শীৰ্ষকৰ অধীনত ১৮খন ধ্বজাবাহী আঁচনি। ইয়াৰ ভিতৰত যুৱ প্ৰজন্মৰ নিয়োগৰ বাবে অহা পাঁচ বছৰত ৰাজহুৱা খণ্ডত অতিৰিক্ত ২ লাখ নিযুক্তিৰ লক্ষ্য গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি। পূৰ্বৰ কাৰ্যকালত ১.৬৪ লাখ চৰকাৰী চাকৰি প্ৰদানৰ সফলতাৰ ওপৰত ভিত্তি কৰি এই নতুন লক্ষ্য স্থিৰ কৰা হৈছে। সামাজিক সুৰক্ষা খণ্ডত 'অৰুণোদয়' আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি ৪০ লাখ পৰিয়ালক সামৰি লোৱা আৰু আগষ্ট মাহৰ পৰা মচুৰ দাইল তথা চেনি ৰেহাই মূল্যত যোগান ধৰাৰ ব্যৱস্থা আদিয়ে সামূহিক কল্যাণৰ দিশটো জোৰদাৰ কৰিছে। ছাত্ৰী আৰু ছাত্ৰসকলৰ উচ্চ শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষাৰ বাবে 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনি দুখনক নিয়মীয়া কৰা হৈছে। এই আঁচনিয়ে এই বৰ্ষত প্ৰায় ৫.৩০ লাখ শিক্ষাৰ্থীক উপকৃত কৰিব।*

২০২৬ চনৰ ১০ জুলাই তাৰিখে অসম চৰকাৰৰ বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ নতুন কাৰ্যকালৰ প্ৰথম পূৰ্ণাংগ বাজেট সদনত উত্থাপন কৰে। স্বাধীনতাৰ শতবৰ্ষ অৰ্থাৎ ২০৪৭ চনৰ সুদূৰপ্ৰসাৰী লক্ষ্য আগত ৰাখি প্ৰস্তুত কৰা ২০২৬-২৭ বিত্তীয় বৰ্ষৰ এই বাজেটখনক চৰকাৰে শান্তি, প্ৰগতি আৰু ৰূপান্তৰৰ দলিল হিচাপে অভিহিত কৰিছে। বিশেষকৈ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষিকীৰ বৰ্ষটোত উত্থাপিত এই বাজেটে জনকল্যাণ আৰু বিত্তীয় আত্মনিৰ্ভৰশীলতাৰ মাজত সমতা ৰক্ষাৰ প্ৰয়াস কৰা দেখা গৈছে। চলিত বৰ্ষৰ বাজেটৰ সৰ্বমুঠ আকাৰ বৃদ্ধি, ৰাজহ সংগ্ৰহৰ নতুন লক্ষ্য আৰু আন্তঃগাঁথনিমূলক খণ্ডত বিপুল বিনিয়োগৰ প্ৰস্তাৱে ৰাজ্যখনৰ অৰ্থনৈতিক প্ৰগতিৰ আশাব্যঞ্জক ছবি দাঙি ধৰিছে যদিও ইয়াৰ অন্তৰ্নিহিত প্ৰত্যাহ্বান, ধাৰাবাহিক ঋণৰ বোজা আৰু আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাস্তৱায়িতাৰ ওপৰত গভীৰ আৰু তথ্যভিত্তিক পৰ্যালোচনাৰ প্ৰয়োজন আছে।

বাজেটৰ বিত্তীয় গাঁথনিৰ অৰ্থনৈতিক সূচকসমূহ পৰীক্ষা কৰিলে দেখা যায় যে অসমে বিগত এটা দশকত বিত্তীয় শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত কিছু সফলতা অৰ্জন কৰিছে। ২০১৫-১৬ বৰ্ষৰ ১২, ৮৪৮ কোটি টকাৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৰাজ্যৰ নিজস্ব কৰ ৰাজহ ৩৯, ২৯৪ কোটি টকালৈ বৃদ্ধি পোৱাটো ইতিবাচক দিশ। ফলস্বৰূপে মুঠ ৰাজহ প্ৰাপ্তিত ৰাজ্যৰ নিজা উৎসৰ অংশ ৩০ শতাংশৰ পৰা ৩৬ শতাংশলৈ উন্নীত হৈছে আৰু চৰকাৰে ২০৩১ চনৰ ভিতৰত ইয়াক ৫০ শতাংশলৈ বৃদ্ধি কৰাৰ সংকল্প গ্ৰহণ কৰিছে। তদুপৰি ২০১৫-১৬ বৰ্ষত ৰাজ্যখনৰ জনমূৰি আয় আছিল ৬০, ৮১৭ টকা। সেয়া ২০২৫-২৬ বৰ্ষত প্ৰায় তিনিগুণতকৈও অধিক বৃদ্ধি পাই ১, ৮৫, ৪২৯ টকা হৈছেগৈ। অৰ্থনীতিৰ এই প্ৰসাৰণ বাজেটৰ সামগ্ৰিক ধন ব্যৱহাৰৰ হাৰতো প্ৰতিফলিত হৈছে (৫৮ শতাংশৰ পৰা অভিলেখ সংখ্যক ৮৫ শতাংশলৈ বৃদ্ধি পাইছে)। একেদৰে মূলধনী ব্যয় ২০১৫-১৬ বৰ্ষৰ ২, ৯৫১ কোটি টকাৰ পৰা ২০২৫-২৬ বৰ্ষত ২৬, ৫৩১ কোটি টকালৈ বৃদ্ধি হোৱাটোৱে সম্পদ সৃষ্টিকাৰী খণ্ডত চৰকাৰৰ বৰ্ধিত মনোযোগ প্ৰমাণ কৰে।

অৱশ্যে এই উন্নয়নমূলক যাত্ৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ ঋণৰ বোজা আৰু বিত্তীয় ঘাটিৰ দিশটোক আওকাণ কৰিব নোৱাৰি। ২০২৬-২৭ বৰ্ষৰ বাজেট খচৰা অনুসৰি ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১, ৫১, ৮৪৩.২৩ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ বিপৰীতে সৰ্বমুঠ ব্যয় হৈছে ১, ৫৬, ৭১৪.৮৮ কোটি টকা। এই হিচাপত বৰ্ষটোৰ লেনদেনৰ বাবদ আনুমানিক ৩, ২২৫ কোটি টকা ৰাহি হ'ব যদিও পূৰ্বৰ আৰম্ভণি ঘাটি ৩৬৪৪.২৬ কোটি টকাৰ হিচাপ মিলালে বৰ্ষটোৰ শেষলৈ সৰ্বমুঠ বাজেট ঘাটি ৪১৯.২৬ কোটি টকা হ'বগৈ। আটাইতকৈ চিন্তনীয় বিষয়টো হৈছে ৰাজ্যৰ আয়ৰ উৎসৰ চৰিত্ৰ। প্ৰাপ্তিৰ সিংহভাগ অৰ্থাৎ ৩১.৫৫ শতাংশ আহে কেন্দ্ৰীয় কৰৰ অংশৰ পৰা (৪৭, ৯০৫.২৪ কোটি টকা) আৰু ১৬.২৪ শতাংশ আহে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ পৰা। অৰ্থাৎ কেন্দ্ৰীয় হস্তান্তৰৰ ওপৰত অসমৰ নিৰ্ভৰশীলতা এতিয়াও প্ৰায় ৪৭.৭৯ শতাংশ। ইয়াৰ বিপৰীতে চৰকাৰে ৰাজহুৱা ঋণৰ (Public Debt) জৰিয়তে ১৯.৭৬ শতাংশ অৰ্থাৎ ৩০, ০০০ কোটি টকা সংগ্ৰহ কৰাৰ লক্ষ্য ধাৰ্য কৰিছে। চৰকাৰৰ দাবী অনুসৰি ২০২৫-২৬ বৰ্ষত ঋণ আৰু জিএছডিপি (GSDP)ৰ অনুপাত ২৪.৮১ শতাংশ, আৰু এয়া এফআৰবিএম (FRBM) আইনৰ ৩২ শতাংশ সীমাৰ ভিতৰতে সুৰক্ষিত হৈ আছে। তথাপিও আগন্তুক বছৰবোৰত যদি ঋণ আৰু সুদৰ বোজা একাধাৰে বৃদ্ধি পাই থাকে তেন্তে ৰাজ্যৰ বিত্তীয় সুস্থিৰতাৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিব পাৰে।

চৰকাৰৰ এই বাজেটৰ মূল আকৰ্ষণ হৈছে বিত্তমন্ত্ৰীয়ে ঘোষণা কৰা 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' শীৰ্ষকৰ অধীনত ১৮খন ধ্বজাবাহী আঁচনি। ইয়াৰ ভিতৰত যুৱ প্ৰজন্মৰ নিয়োগৰ বাবে অহা পাঁচ বছৰত ৰাজহুৱা খণ্ডত অতিৰিক্ত ২ লাখ নিযুক্তিৰ লক্ষ্য গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি। পূৰ্বৰ কাৰ্যকালত ১.৬৪ লাখ চৰকাৰী চাকৰি প্ৰদানৰ সফলতাৰ ওপৰত ভিত্তি কৰি এই নতুন লক্ষ্য স্থিৰ কৰা হৈছে। সামাজিক সুৰক্ষা খণ্ডত 'অৰুণোদয়' আঁচনিৰ পৰিসৰ বৃদ্ধি কৰি ৪০ লাখ পৰিয়ালক সামৰি লোৱা আৰু আগষ্ট মাহৰ পৰা মচুৰ দাইল তথা চেনি ৰেহাই মূল্যত যোগান ধৰাৰ ব্যৱস্থা আদিয়ে সামূহিক কল্যাণৰ দিশটো জোৰদাৰ কৰিছে। ছাত্ৰী আৰু ছাত্ৰসকলৰ উচ্চ শিক্ষাৰ ধাৰাবাহিকতা ৰক্ষাৰ বাবে 'নিযুত মইনা' আৰু 'নিযুত বাবু' আঁচনি দুখনক নিয়মীয়া কৰা হৈছে। এই আঁচনিয়ে এই বৰ্ষত প্ৰায় ৫.৩০ লাখ শিক্ষাৰ্থীক উপকৃত কৰিব। লক্ষণীয়ভাৱে পূৰ্বৰ স্কুটী বিতৰণ প্ৰক্ৰিয়া বন্ধ কৰি সেই ধন এই দুই আঁচনিত বিনিয়োগ কৰাৰ সিদ্ধান্তই চৰকাৰৰ সম্পদৰ যুক্তিসংগত পুনৰ আবণ্টনৰ মানসিকতা প্ৰদৰ্শন কৰে।

### স্বৰাজ ফুকন

আন্তঃগাঁথনি আৰু উদ্যোগ খণ্ডৰ বিকাশৰ বাবে এই বাজেটে কিছু অভিলাষী প্ৰকল্পৰ সূচনা কৰিছে। ইয়াৰ ভিতৰত গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ চৌপাশে এটা 'এৰ'ট্ৰ'প'লিছ' (Aerotropolis) গঢ়ি তোলাৰ উদ্দেশ্যে ২, ১০০ কোটি টকাৰ ভূমি অধিগ্ৰহণ পুঁজি আবণ্টন কৰা হৈছে। এই অভিলাষী প্ৰকল্পই অসমক আঞ্চলিক লজিষ্টিকছ, বিমান পৰিবহণ আৰু বাণিজ্যিক কাৰ্যকলাপৰ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সম্ভাৱনা সৃষ্টি কৰিব। 'অসম মালা ৪.০' ৰ অধীনত ১০, ০০০ কোটি টকা ব্যয়েৰে অতিৰিক্ত ৮০০ কিলোমিটাৰ পথ নিৰ্মাণ আৰু গুৱাহাটী ৰিং ৰোডৰ কাষেৰে মেট্ৰ' ৰেলৰ সম্ভাৱনীয়তা অধ্যয়নৰ ঘোষণাই ৰাজ্যখনক আধুনিক আৰু ক্ষিপ্ৰ যাতায়াত ব্যৱস্থাৰ দিশে আগুৱাই লৈ যাব বুলি আশা কৰা হৈছে। বাজেটৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয় হ'ল জাগীৰোডত টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পৰ ক্ষিপ্ৰ অগ্ৰগতিৰ পটভূমিত জাপান আন্তঃৰাষ্ট্ৰীয় সহযোগিতা সংস্থা (JICA)ৰ সহায়ত ১, ১৬৪ কোটি টকীয়া 'অসম ছেমিকণ্ডা''ৰ ইক'চিষ্টেম' (A-SEMI) প্ৰকল্পৰ প্ৰস্তাৱ। ই অসমক পৰম্পৰাগত অৰ্থনীতিৰ পৰা উচ্চ প্ৰযুক্তিভিত্তিক অৰ্থনীতিলৈ ৰূপান্তৰিত কৰাৰ ঐতিহাসিক সুযোগ প্ৰদান কৰিব। শক্তি খণ্ডত স্বাৱলম্বী হ'বলৈ সৌৰ, জলবিদ্যুৎ আৰু তাপ বিদ্যুতত সৰ্বমুঠ ৭২, ৭৫৩ কোটি টকা বিনিয়োগৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে অসমক প্ৰথমবাৰৰ বাবে এখন বিদ্যুৎ-ৰাহি ৰাজ্য হিচাপে গঢ়ি তোলা।

কৃষি আৰু পশুপালন খণ্ডত পৰম্পৰাগত ব্যৱস্থাৰ পৰিৱৰ্তে আধুনিক প্ৰযুক্তি আৰু দক্ষ সম্পদ ব্যৱস্থাপনাত গুৰুত্ব দিয়া হৈছে। বিশেষকৈ জল সংৰক্ষণ, জল-বিভাজিকা উন্নয়ন আৰু জলসিঞ্চন আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে WDC—PMKSYৰ দৰে কাৰ্যসূচীৰ সম্প্ৰসাৰণ কৃষি উৎপাদনশীলতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ। দুগ্ধপালনৰ বাবে ৫০০ কোটি টকীয়া 'দুগ্ধ সম্প্ৰসাৰণ অভিযান' আৰু কণী উৎপাদন দৈনিক ৬০ লাখলৈ বৃদ্ধি কৰাৰ স্বাৱলম্বী লক্ষ্যই গ্ৰাম্য অৰ্থনীতিক গতিশীল কৰিব। চাহ উদ্যোগৰ আধুনিকীকৰণৰ বাবে 'মাচ্চা চাহ' (Matcha Tea) ক ৰাজসাহায্যৰ আওতালৈ অনা আৰু অৰ্থড' চাহৰ ৰাজসাহায্য প্ৰতি কেজিত ১০ টকাৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱে অসমৰ ঐতিহ্যবাহী খণ্ডটোক বৈশ্বিক প্ৰতিযোগিতাত টিকি থকাত সহায় কৰিব।

স্বাস্থ্য আৰু শিক্ষা সংস্কাৰৰ ক্ষেত্ৰতো বাজেটখনে গুণগত মানদণ্ডৰ ওপৰত গুৰুত্ব দিছে। অসমৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে প্ৰসূতিৰ মৃত্যুৰ হাৰ প্ৰতি লাখত ৮৪ লৈ হ্ৰাস পাই ৰাষ্ট্ৰীয় গড় (৮৭) তকৈও কম হোৱাটো বৃহৎ সাফল্য। চৰকাৰে ৫০,০০০ কোটি টকাৰ পুঁজিৰে পাঁচ বছৰীয়া 'অসম স্বাস্থ্য উৎকৰ্ষ অভিযান' আৰম্ভ কৰাৰ লগতে প্ৰতিখন জিলাতে একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লক্ষ্যৰে গোৱালপাৰা, হাইলাকান্দি, হোজাই আৰু বজালীত নতুন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰস্তাৱ দিছে। শিক্ষাৰ ক্ষেত্ৰত 'এখন জিলা, এখন বিশ্ববিদ্যালয়' নীতিৰ আধাৰত কেইবাখনো আঞ্চলিক বিশ্ববিদ্যালয়লৈ ৫০ ৰ পৰা ১০০ কোটি টকাৰ আন্তঃগাঁথনি অনুদান আৰু ২৭খন মহাবিদ্যালয়ক স্বায়ত্তশাসিত মৰ্যাদা প্ৰদানৰ বাবে ২ কোটি টকাৰ সাহায্য ঘোষণাই উচ্চ শিক্ষাক বিকেন্দ্ৰীকৰণ কৰিব।

সামগ্ৰিকভাৱে ২০২৬-২৭ বৰ্ষৰ অসম বাজেটত পৰম্পৰাগত আয়-ব্যয়ৰ হিচাপৰ উপৰিও অৰ্থনৈতিক প্ৰগতিৰ কেইবাটাও দিশ সামৰি লোৱা হৈছে। ইয়াত ক্ৰীড়া (খেল মহাৰণ ৩.০), সংস্কৃতি (অসম অ'টিটি, ললিত কলা একাডেমী), পৰিৱেশ (ড্ৰ'নৰ জৰিয়তে বীজ সিঁচা প্ৰক্ৰিয়া) আৰু প্ৰযুক্তিভিত্তিক সুশাসনৰ (কৃত্ৰিম বুদ্ধিমত্তাচালিত প্ৰশাসন) দৰে বিভিন্ন খণ্ডৰ অন্তৰ্ভুক্তিকৰণ দেখা গৈছে। অৱশ্যে এই আঁচনিসমূহৰ ফলপ্ৰসূতা চৰকাৰৰ ৰূপায়ণ দক্ষতা আৰু বিত্তীয় অনুশাসনৰ ওপৰত নিৰ্ভৰ কৰিব। ক্ৰমবৰ্ধমান ৰাজহুৱা ঋণ আৰু কেন্দ্ৰীয় অনুদানৰ ওপৰত থকা নিৰ্ভৰশীলতাই অনাগত দিনত বাজেটৰ ঘাটি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰাৰ সম্ভাৱনা আছে। গতিকে ঔদ্যোগিক বিনিয়োগ আকৰ্ষণ আৰু গ্ৰাম্য অৰ্থনীতিৰ সৱলীকৰণৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সঠিক ৰূপায়ণৰ ওপৰতহে ২০৪৭ চনৰ ভিতৰত অসমক এখন অগ্ৰণী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্য প্ৰতিষ্ঠিত হ'ব।

*প্ৰৱক্তা, ডায়েট, ডিব্ৰুগড়*

# সামাজিক আৰু ৰাজনৈতিক বিভাজন

শেহতীয়াকৈ বিশেষ ধৰ্মীয় সম্প্ৰদায়ক লৈ ৰাজনৈতিক মহলত সৃষ্টি হোৱা বিতৰ্কই অসমৰ দীৰ্ঘদিনীয়া সামাজিক সম্প্ৰীতি আৰু বৰ্ণিল সামাজিক গাঁথনিৰ ওপৰত এক গভীৰ আৰু স্পৰ্শকাতৰ প্ৰভাৱ পেলাইছে। ঐতিহাসিকভাৱে অসম হৈছে এনে এখন ৰাজ্য য'ত শংকৰ-আজানৰ আদৰ্শৰে পুষ্ট হৈ বিভিন্ন জাতি, জনগোষ্ঠী আৰু ধৰ্মীয় সম্প্ৰদায়ে যুগ যুগ ধৰি মিলাপ্ৰীতিৰে বসবাস কৰি আহিছে। কিন্তু বৰ্তমানৰ ৰাজনৈতিক দৃশ্যপটত ধৰ্মীয় মেৰুকৰণ আৰু পৰিচয়ৰ ৰাজনীতিয়ে স্থান লাভ কৰাৰ লগে লগে এই পৰম্পৰাগত সামাজিক বান্ধোনত ফাঁট মেলিছে। নিৰ্বাচনী লাভালাভ বা দলীয় এজেণ্ডা কাৰ্যকৰী কৰাৰ উদ্দেশ্যেৰে যেতিয়া কোনো এক বিশেষ সম্প্ৰদায়ক লক্ষ্য কৰি লৈ তৰল বা উচতনিমূলক মন্তব্য কৰা হয়, তেতিয়া ই কেৱল ৰাজনৈতিক মহলতে সীমাবদ্ধ নাথাকি সাধাৰণ জনতাৰ মানসিকতাতো প্ৰভাৱ পেলায়। ইয়াৰ ফলত বিভিন্ন সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক বিশ্বাসহীনতা, সন্দেহ আৰু এক অপৰিচিত ভয়ৰ পৰিৱেশ গঢ়ি উঠে, যিয়ে সমাজৰ স্বাভাৱিক শান্তি-শৃংখলা বিঘ্নিত কৰে। এই ৰাজনৈতিক বিতৰ্কবোৰে সমাজক এনে এক পৰ্যায়লৈ লৈ গৈছে য'ত মূল সামাজিক আৰু অৰ্থনৈতিক সমস্যাসমূহ যেনে নিবনুৱা সমস্যা, বানপানী, শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নয়ন পিছপৰি ৰৈছে আৰু ধৰ্মীয় পৰিচয়ৰ বাদানুবাদহে মুখ্য চৰ্চাৰ বিষয় হৈ পৰিছে। ছচিয়েল মিডিয়াৰ ব্যাপক প্ৰসাৰে এই স্পৰ্শকাতৰ পৰিৱেশটোক আৰু অধিক ভয়াৱহ কৰি তুলিছে, য'ত উৰাবাতৰি আৰু বিদ্বেগমূলক প্ৰচাৰে অতি সহজেই সমাজৰ একোটা অংশক উত্তেজিত কৰি তুলিব পাৰে। ৰাজনৈতিক মহলৰ পৰা অহা এনে মেৰুকৰণৰ প্ৰচেষ্টাই বহু ক্ষেত্ৰত সংখ্যাধিক আৰু সংখ্যালঘু শ্ৰেণীৰ মাজত এক মানসিক প্ৰাচীৰ থিয় কৰাইছে, যাৰ ফলত সংখ্যালঘু সমাজখনৰ মাজত এক গভীৰ নিৰাপত্তাহীনতা আৰু বিচ্ছিন্নতাবোধৰ সৃষ্টি হৈছে। অসমৰ দৰে এখন বহু-সাংস্কৃতিক আৰু বহু-ধৰ্মীয় ৰাজ্যত



সুস্থিৰ বিকাশৰ বাবে সামাজিক সহাৱস্থান অপৰিহাৰ্য। কিন্তু যেতিয়া ৰাজনীতিয়ে ধৰ্মৰ ভিত্তিত সমাজখনক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰে, তেতিয়া ই ৰাজ্যখনৰ অখণ্ডতা আৰু ভৱিষ্যতৰ প্ৰগতিৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ হৈ পৰে। গতিকে, বৰ্তমানৰ এই স্পৰ্শকাতৰ পৰিৱেশৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে কেৱল ৰাজনৈতিক সজাগতা নহয়, বৰঞ্চ নাগৰিক সমাজৰ সক্ৰিয় ভূমিকা, বৌদ্ধিক মহলৰ নিৰপেক্ষ হস্তক্ষেপ আৰু সৰ্বসাধাৰণ ৰাইজৰ মাজত থকা পুৰণি ভাতৃত্ববোধৰ পুনৰুজ্জীৱন ঘটোৱাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছে, যাতে কোনো সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থই অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিক চিৰদিনৰ বাবে বিনষ্ট কৰিব নোৱাৰে।

**ৰাজু কলিতা**
*মাজুলী*

# মহাসাগৰৰ বুকুত সুৰক্ষাৰ সন্ধান মোদী-ট্ৰাম্পৰ বৈঠক আৰু ভাৰতৰ দৃঢ় কূটনৈতিক বাৰ্তা

### কবিতা নাথ

সাম্প্ৰতিক বিশ্ব ৰাজনীতিৰ অত্যন্ত জটিল আৰু দ্ৰুত পৰিৱৰ্তনশীল প্ৰেক্ষাপটত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডনাল্ড ট্ৰাম্পৰ মাজত অনুষ্ঠিত শেহতীয়া উচ্চ পৰ্যায়ৰ বৈঠকখনে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ চৰ্চা লাভ কৰিছে। সাধাৰণতে এনে শীৰ্ষ পৰ্যায়ৰ বৈঠকসমূহত প্ৰতিৰক্ষা চুক্তি, জলবায়ু পৰিৱৰ্তন, গোলকীয় বাণিজ্য বা সন্ত্ৰাসবাদ দমনৰ দৰে পৰম্পৰাগত বিষয়সমূহে প্ৰাধান্য লাভ কৰে। কিন্তু এইবাৰৰ বৈঠকখনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক অত্যন্ত স্পৰ্শকাতৰ আৰু মানৱীয় দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ বিষয় সজোৰে উত্থাপন কৰিলে- সেয়া হৈছে গোলকীয় সাগৰীয় পথসমূহত কৰ্মৰত ভাৰতীয় নাৱিকসকলৰ নিৰাপত্তা আৰু সুৰক্ষা। বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ মুৰব্বীগৰাকীয়ে আমেৰিকাৰ দৰে মহাশক্তিৰ সন্মুখত নিজৰ দেশৰ সাধাৰণ শ্ৰমিক-নাৱিকৰ সুৰক্ষাৰ কথাক কৌশলগত আলোচনাৰ কেন্দ্ৰবিন্দুলৈ অনাটো ভাৰতৰ বৈদেশিক নীতিৰ এক পৰিপক্ক আৰু 'নাগৰিক-কেন্দ্ৰিক' (Citizen-centric) স্থিতিৰ স্পষ্ট নিদৰ্শন।

বিগত কেইবামাহ ধৰি লোহিত সাগৰ, এডেন উপসাগৰ, আৰব সাগৰ আৰু ভাৰত মহাসাগৰীয় অঞ্চলত গঢ় লৈ উঠা ভয়ংকৰ নিৰাপত্তাজনিত সংকটে সমগ্ৰ বিশ্বৰ সামুদ্ৰিক বাণিজ্যক একপ্ৰকাৰ স্থবিৰ কৰি তুলিছে। য়েমেনৰ হুথী বিদ্ৰোহীৰ ড্ৰোন আৰু মিছাইল আক্ৰমণৰ পৰা আৰম্ভ কৰি চোমালিয়ান জলদস্যুৰ পুনৰুত্থানলৈকে- এই সমগ্ৰ পৰিঘটনাই আন্তঃৰাষ্ট্ৰীয় জলপথসমূহক এক মৃত্যু উপত্যকালৈ পৰ্যবসিত কৰিছে। এই সংকটৰ আটাইতকৈ ভুক্তভোগী হৈছে বাণিজ্যিক জাহাজসমূহত কৰ্মৰত নিৰীহ নাৱিকসকল। আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক বাণিজ্যৰ পৰিসংখ্যা অনুসৰি, বিশ্বৰ বাণিজ্যিক জাহাজসমূহত নিয়োজিত মানৱ সম্পদৰ এক বৃহৎ অংশই হৈছে ভাৰতীয়। হাজাৰ হাজাৰ ভাৰতীয় যুৱকে নিজৰ পৰিয়াল পোহপাল দিয়াৰ স্বাৰ্থত এই বিপদসংকুল জলপথসমূহত দিনে-ৰাতিয়ে সেৱা আগবঢ়াই আহিছে। এনে পৰিস্থিতিত জাহাজৰ ওপৰত হোৱা যিকোনো আক্ৰমণে প্ৰত্যক্ষভাৱে ভাৰতীয় নাগৰিকৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনে। সেয়েহে, প্ৰধানমন্ত্ৰী মোদীয়ে ট্ৰাম্পৰ সৈতে হোৱা বৈঠকত এই বিষয়টো উত্থাপন কৰি প্ৰমাণ কৰিলে যে ভাৰতৰ বাবে নিজৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱন অমূল্য, তেওঁ বিশ্বৰ যিকোনো প্ৰান্ততেই নাথাকক কিয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে এই বিষয়টো আলোচনা কৰাৰ এক গভীৰ কৌশলগত তাৎপৰ্য আছে। আমেৰিকা হৈছে বিশ্বৰ অন্যতম প্ৰধান সামুদ্ৰিক শক্তি, যাৰ নৌসেনাই সমগ্ৰ বিশ্বৰ জলপথসমূহত এক আধিপত্যশীল স্থিতি বজাই ৰাখিছে। ইতিমধ্যে আমেৰিকাই লোহিত সাগৰত আক্ৰমণ প্ৰতিহত কৰিবলৈ 'অপাৰেচন প্ৰছপেৰিটি গাৰ্ডিয়ান'ৰ দৰে সন্মিলিত নৌ-অভিযান চলাই আছে। আনহাতে, ভাৰতেও 'অপাৰেচন সংকল্প'ৰ জৰিয়তে আৰব সাগৰ আৰু ভাৰত মহাসাগৰত নিজৰ যুদ্ধজাহাজ মোতায়েন কৰি এক নিৰপেক্ষ অথচ শক্তিশালী স্থিতি গ্ৰহণ কৰিছে। শেহতীয়াকৈ ভাৰতীয় নৌসেনাই কেইবাখনো অপহৃত জাহাজ উদ্ধাৰ কৰি কেৱল ভাৰতীয় দস্যুৰ কৱলৰ পৰা মুক্ত কৰাই নহয়, বৰঞ্চ পাকিস্তানী আৰু ইৰাণীয় নাৱিককো সুৰক্ষিতভাৱে উদ্ধাৰ কৰি এক 'প্ৰথম সঁহাৰিদাঁতা' (First Responder) হিচাপে নিজৰ সামৰ্থ্য প্ৰতিপন্ন কৰিছে। মোদী আৰু ট্ৰাম্পৰ এই আলোচনাই দুয়োখন দেশৰ নৌসেনাৰ মাজত চোৰাংচোৱা তথ্যৰ আদান-প্ৰদান আৰু সমন্বয় অধিক সুদৃঢ় কৰাৰ পথ প্ৰশস্ত কৰিব। সামুদ্ৰিক পথৰ নিৰাপত্তা কেৱল এক মানৱীয় বা সামৰিক বিষয় নহয়, ই গোলকীয় অৰ্থনীতিৰ জীৱনৰেখা। যদিহে সাগৰীয় পথসমূহ সুৰক্ষিত নাথাকে, তেন্তে জাহাজৰ বীমাৰ ব্যয় অভাৱনীয়ভাৱে বৃদ্ধি পায়, পৰিবহণৰ সময় দীঘলীয়া হয় আৰু ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰে অত্যাৱশ্যকীয় সামগ্ৰী, ইন্ধন আৰু খাদ্যৰ মূল্যৰ ওপৰত। সমগ্ৰ বিশ্বই বৰ্তমান মুদ্ৰাস্ফীতিৰ কবলত পৰি সংগ্ৰাম কৰি থকাৰ সময়ত সামুদ্ৰিক বাণিজ্যৰ সুৰক্ষা নিশ্চিত কৰাটো ভাৰত আৰু আমেৰিকা দুয়োখন দেশৰ অৰ্থনৈতিক স্বাৰ্থৰ অনুকূল। ডনাল্ড ট্ৰাম্পৰ দৰে এগৰাকী ব্যৱসায়িক মানসিকতাসম্পন্ন আৰু শক্তিশালী স্থিতিত বিশ্বাসী নেতাৰ সন্মুখত মোদীয়ে এই অৰ্থনৈতিক আৰু নিৰাপত্তাজনিত সমীকৰণটো অতি নিখুঁতভাৱে দাঙি ধৰিবলৈ সক্ষম হৈছে। ভাৰতে স্পষ্ট কৰি দিছে যে 'মুক্ত চলাচলৰ অধিকাৰ' (Freedom of Navigation) ৰক্ষা কৰাটো আন্তঃৰাষ্ট্ৰীয় আইনৰ



এক অবিচ্ছেদ্য অংগ আৰু ইয়াক উলংঘা কৰা যিকোনো শক্তিক একত্ৰিতভাৱে বাধা দিয়াটো সময়ৰ দাবী। এই বৈঠকৰ পৰা আন এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰা হৈছে যিটোৱে 'গ্ল'বেল চাউথ' (Global South) বা উন্নয়নশীল দেশসমূহৰ মাজত ভাৰতৰ নেতৃত্বদায়ক ভূমিকাক অধিক শক্তিশালী কৰিছে। উন্নয়নশীল দেশসমূহৰ বহুতেই নিজৰ নাগৰিকৰ সুৰক্ষাৰ বাবে বৃহৎ শক্তিসমূহৰ ওচৰত নিৰ্ভৰ কৰিবলগীয়া হয়। ভাৰতে আমেৰিকাৰ সৈতে সমপৰ্যায়ত বহি নিজৰ তথা সমগ্ৰ উন্নয়নশীল বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ সুৰক্ষাৰ হকে মাত মাতি প্ৰমাণ কৰিলে যে আজিৰ ভাৰতবৰ্ষ কেৱল সমস্যাৰ দৰ্শক নহয়, বৰঞ্চ সমাধানৰ এক সক্ৰিয় অংশীদাৰ।

মোদী আৰু ট্ৰাম্পৰ এই বৈঠকত ভাৰতীয় নাৱিকৰ সুৰক্ষাৰ প্ৰসংগ উত্থাপনে ভাৰত-আমেৰিকা সম্পৰ্কলৈ এক নতুন মাত্ৰা কঢ়িয়াই আনিছে। কূটনীতি যে কেৱল অস্ত্ৰ-শস্ত্ৰ, মানচিত্ৰ আৰু বৃহৎ অৰ্থনৈতিক চুক্তিৰ মাজত সীমাবদ্ধ নহয়, বৰঞ্চ সাধাৰণ মানুহৰ জীৱন আৰু জীৱিকাৰ সৈতেও ই গভীৰভাৱে সাঙোৰ খাই আছে, সেয়া এই পদক্ষেপে প্ৰমাণ কৰিলে। মহাসাগৰৰ বিশাল বুকুত নিজৰ জীৱন তুচ্ছ কৰি দেশৰ অৰ্থনীতিক সজীৱ কৰি ৰখা প্ৰতিগৰাকী ভাৰতীয় নাৱিকৰ বাবে প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপে এক গভীৰ মানসিক শক্তি আৰু নিৰাপত্তাবোধ কঢ়িয়াই আনিব। আগন্তুক দিনত দুয়োখন দেশৰ যুটীয়া প্ৰচেষ্টাই সামুদ্ৰিক সন্ত্ৰাসবাদক নিৰ্মূল কৰি বিশ্বৰ জলপথসমূহক সকলোৱে বাবে নিৰাপদ আৰু বাধামুক্ত কৰি তুলিব বুলি আশা কৰিব পাৰি। এয়াই হৈছে এক উদীয়মান বিশ্বশক্তি হিচাপে নৱভাৰতৰ এক আত্মবিশ্বাসী আৰু দায়িত্বশীল খোজ।

মহকুমা স্বাস্থ্য বিষয়া ডাঃ চিন্ময় কুমাৰ দাসৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

# ছয়গাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দুখ লগা অৱস্থা-হাবি জংঘলে আৱৰি ধৰিছে চিকিৎসালয় চৌহদ

**অসম বাৰ্তা, ছয়গাঁও, ১১ জুলাই ঃ** দক্ষিণ কামৰূপৰ এখন পুৰণি স্বাস্থ্যকেন্দ্ৰ ছয়গাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সম্প্ৰতি দুখ লগা অৱস্থা। হাবি জংঘলে আৱৰি ধৰিছে চিকিৎসালয়খনৰ চৌহদ। চিকিৎসালয়খনত নাই Sonography মেচিন, X-Ray মেচিন, ECG- মেচিন ইত্যাদি। মহকুমা স্বাস্থ্য বিষয়া ডাঃ চিন্ময় কুমাৰ দাসৰ বিৰুদ্ধে স্থানীয় ৰাইজ আৰু ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। মাহত মাত্ৰ ৪/৫ দিন চিকিৎসালয়ত উপস্থিত থাকে মহকুমা স্বাস্থ্য বিষয়া চিন্ময় কুমাৰ দাস। সাংবাদিকে সুধিলে কৰ-টু পামাৰী আহিছোঁ, গৰৈমাৰী আহিছোঁ ইত্যাদি। এশ এবুৰি সমস্যাৰ ভাৰাক্ৰান্ত চিকিৎসালয়খনত আজিলৈকে নাই শিশু ৰোগ বিশেষজ্ঞ, স্ত্ৰী আৰু প্ৰসূতি বিশেষজ্ঞ, মেডিচিন ডাক্তৰ। দীৰ্ঘদিন ধৰি এক্স-ৰে মেচিন, চোনোগ্ৰাফী মেচিন, ই চি জি মেচিন নোহোৱাৰ ফলত ৰোগীৰ হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। দুখনকৈ এম্বুলেন্স সেৱা আছে যদিও দীৰ্ঘদিন ড্ৰাইভাৰৰ অভাৱত চিকিৎসালয় চৌহদত মামৰে ধৰা আৰম্ভ কৰিছে এম্বুলেন্স দুখন। চিকিৎসালয়খনৰ কোঠালীত ৰোগীৰ পৰিৱৰ্তে অতি পয়াঁলগা অৱস্থাত খালী বিছনা সমূহ দেখা যায়। বিছনাত নাই গাৰু বেড চিটৰ ব্যৱস্থা। ধোৱা তথা ৱাচিং মেচিন নোহোৱাৰ ফলত গড্ৰেজতে তেজ পুজ লাগি পৰি আছে গাৰু বিছনা চাদৰ সমূহ। নাৰ্চ তথা ডাক্তৰৰ আৱাসগৃহ সমূহ জহি খহি যোৱাৰ ফলত কোৱাৰ্টাৰত থাকিব নোৱাৰা অৱস্থা। এজাক বৰষুণতে নাৰ্চ আৰু ডাক্তৰৰ তথৈবচ অৱস্থা হয়। পৰিতাপৰ বিষয় এই যে- ইমানবোৰ সমস্যা থকাৰ পিছতো মহকুমা স্বাস্থ্য বিষয়া ডাঃ চিন্ময় কুমাৰ দাসে বিষয়টো বিশেষ গুৰুত্ব প্ৰদান কৰা নাই। এই ক্ষেত্ৰত স্থানীয় ৰাইজ আৰু ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্য মন্ত্ৰী অশোক সিংঘাল আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যৰ হস্তক্ষেপ বিচাৰিছে।

# বৰপেটাৰোডত ড্ৰাগছ বিৰোধী অভিযান; ড্ৰাগছ আৰু ২৪০টা ইয়াবা টেবলেটসহ দুজন আটক

**অসম বাৰ্তা, কুমুল্লী পৰা, ১১ জুলাই ঃ** বৰপেটাৰোড আৰক্ষীয়ে ড্ৰাগছবিৰোধী অভিযান অব্যাহত ৰাখি পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে ০.৭৬ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ, ২৪০টা ইয়াবা টেবলেট, দুটা মোবাইল ফোন আৰু নগদ ৪২, ৯৪০ টকাসহ দুজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন দুয়োগৰাকী হৈছে হামিদ শ্বেখ আৰু জাহিদুল ইছলাম। আৰক্ষীৰ সন্দেহ, দুয়োজনেই অঞ্চলটোত নিষিদ্ধ মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহৰ সৈতে জড়িত আছিল। জানিব পৰা মতে, গোপন তথ্য লাভ কৰাৰ পিছতে বৰপেটাৰোড আৰক্ষীয়ে তাৎক্ষণিকভাৱে অভিযান চলাই দুয়োগৰাকী অভিযুক্তক কৰায়ত্ত কৰে। তালাচীৰ সময়ত তেওঁলোকৰ পৰা ০.৭৬ গ্ৰাম ড্ৰাগছ, ২৪০টা ইয়াবা টেবলেট, দুটা মোবাইল ফোন আৰু নগদ ৪২, ৯৪০ টকা জব্দ কৰা হয়। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জব্দ কৰি আৰক্ষীয়ে আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ঘটনাটোক কেন্দ্ৰ কৰি বৰপেটাৰোড অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। ধৃত দুয়োগৰাকীক সোধ-পোছ চলাই মাদক সৰবৰাহৰ নেটৱৰ্কৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি সেই দিশতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, বৰপেটা জিলাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে চলাই থকা ধাৰাবাহিক অভিযানত এটাৰ পিছত আনটো সফলতা লাভ কৰি আহিছে। সমাজৰ পৰা মাদক দ্ৰব্যৰ অবৈধ ব্যৱসায় সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্যৰে এই অভিযান আগন্তুক দিনতো অধিক কঠোৰভাৱে অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে।

ব্যস্ততাপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথ আৰু বিদ্যালয়ৰ কাষতে বিপদাপন্নভাৱে এজেন্সীৰ গেছ বিতৰণ

# ডিব্ৰুগড়ৰ বৰবৰুৱাত ৰন্ধন গেছৰ নিয়ম-নীতিক বৃদ্ধাংগুষ্ঠ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ বৰবৰুৱা এটি অন্যতম ব্যস্ততাপূৰ্ণ জনাঞ্চল। এই অঞ্চলৰ ৰাইজক ৰন্ধন গেছ যোগান ধৰাৰ একমাত্ৰ দায়িত্বত আছে বৰবৰুৱাস্থিত 'মেৰ্চাছ বৰবৰুৱা ইণ্ডিয়ান এজেন্সী'। বৰ্তমান এই এজেঞ্চিটোৰ বিৰুদ্ধে জনাঞ্চলৰ সুৰক্ষা ব্যৱস্থাক সম্পূৰ্ণৰূপে আওকাণ কৰি ৰন্ধন গেছ বিতৰণ কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় সচেতন ৰাইজে। প্ৰাপ্ত অভিযোগ অনুসৰি, লেপেটকটা আৰু বৰবৰুৱা জিৰ' পইণ্টৰ ৫২নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত 'বৰবৰুৱা ইণ্ডিয়ান এজেন্সী'য়ে দীৰ্ঘদিন ধৰি ৰন্ধন গেছ কঢ়িওৱা গাড়ীসমূহ পাৰ্কিং কৰি আহিছে। পৰৱৰ্তী সময়ত নিয়ম-নীতি উলংঘন কৰি এই ব্যস্ততাপূৰ্ণ স্থানৰ পৰাই মেজিক আৰু টেম্পুৰ গাড়ীৰ জৰিয়তে বিভিন্ন অঞ্চললৈ 'হোম ডেলীভাৰী'ৰ বাবে গেছ চিলিণ্ডাৰসমূহ প্ৰেৰণ কৰে। স্থানীয় ৰাইজৰ মতে, একেবাৰে মুকলিকৈ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে আৰু ছাত্ৰ-ছাত্ৰীৰে ভৰি থকা এখন বিদ্যালয়ৰ নিচেই ওচৰত এনেদৰে বিপদজনকভাৱে গ্ৰাহকক গেছ চিলিণ্ডাৰ বিতৰণ কৰি থকা হৈছে। সচেতন ৰাইজে চৰম উদ্বেগ প্ৰকাশ কৰি জনাইছে যে ৫২ (বি) ৰাষ্ট্ৰীয় ঘাইপথটো অত্যন্ত ব্যস্ততাপূৰ্ণ। যিকোনো মুহূৰ্ততে সৰু-বৰ দুৰ্ঘটনা ঘটিব পৰা এই স্থানত পথচাৰী বা স্থানীয় বাসিন্দাৰ সুৰক্ষাৰ বাবে কোনো ধৰণৰ 'চেফ্টী' ব্যৱস্থা নোলোৱাকৈ এজেন্সীয়ে নিজৰ খেয়াল খুচি মতে ব্যৱসায় চলাই গৈছে। বিস্ফোৰক সঁজুলি সদৃশ ৰন্ধন গেছৰ চিলিণ্ডাৰসমূহ এনেদৰে মুকলি মনেৰে বিতৰণ কৰি থকা কাৰ্যই এক ভয়ংকৰ বিপদৰ সংকেত বহন কৰিছে। বৰবৰুৱা ইণ্ডিয়ান এজেন্সীৰ কৰ্মচাৰীসকলৰ এনে দায়িত্বহীন কৰ্মকাণ্ডই এতিয়া সচেতন ৰাইজৰ চকু কপালত তুলিছে। স্থানীয় ৰাইজে এই ক্ষেত্ৰত জিলা প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষক অনতিবিলম্বে হস্তক্ষেপ কৰিবলৈ আৰুজন সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনাইছে।

## পুৰণিগুদাম ভাস থিয়েটাৰৰ উদ্যোগত শিশু নাট কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ভাস থিয়েটাৰৰ উদ্যোগত অহা ২০ জুলাইৰ পৰা ৩০ জুলাইলৈ কঢ়ালী গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এখন শিশু নাট কৰ্মশালা অনুষ্ঠিত হ'ব। এই কৰ্মশালাত শিশুসকলক অভিনয়, শৰীৰচৰ্চা, কণ্ঠচৰ্চা, নাট্য খেল, মঞ্চ ব্যৱহাৰ আৰু ব্যক্তিত্ব বিকাশৰ বিভিন্ন দিশত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ভাস থিয়েটাৰে আগ্ৰহী অভিভাৱকসকলক নিজৰ সন্তানক এই কৰ্মশালাত অংশগ্ৰহণ কৰাবলৈ আহ্বান জনাইছে। কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ ৯১০১৪৫১৫১০ নম্বৰত যোগাযোগৰ কৰিব পাৰিব।

# অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণপাট আঞ্চলিক সমিতিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী অভিযন্তালৈ স্মাৰকপত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, ৰহা, ১১ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণপাট আঞ্চলিক সমিতিয়ে নগাঁও জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী অভিযন্তাক সাক্ষাৎ কৰি এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। পৰিষদৰ দক্ষিণপাট আঞ্চলিক সমিতিৰ অন্তৰ্গত নিজ জাগীয়াল পানী যোগান আঁচনি, বালিগাঁও পানী যোগান আঁচনি আৰু দক্ষিণ পেটবঢ়া পানী যোগান আঁচনিৰ নিৰ্মাণ কাৰ্য প্ৰায় ৫ বছৰ পূৰ্বে আৰম্ভ কৰা হৈছিল। কিন্তু দুখৰ বিষয় এই যে, আজিলৈকে এই আচনিৰ কাম সম্পূৰ্ণ কৰা হোৱা নাই। ইয়াৰ ফলস্বৰূপে গাঁওবাসীয়ে বিশুদ্ধ খোৱাপানীৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে আৰু বিশেষকৈ গ্ৰীষ্মকালত তীব্ৰ পানীৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। বাৰে বাৰে বিষয়টো সম্পৰ্কে সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা সত্ত্বেও কোনো সন্তোষজনক ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ই ৰাজহুৱা ধনৰ অপচয়ৰ লগতে সাধাৰণ ৰাইজৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। সেয়ে, কিয় আজি লৈকে কাৰ্য্যক্ষম হোৱা নাই শীঘ্ৰে তদন্ত কৰি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়। অন্যথা স্থানীয় ৰাইজে গণতান্ত্ৰিক পদ্ধতিৰে বৃহত্তৰ আন্দোলন গঢ়ি তুলিবলৈ বাধ্য থাকিম বুলি সংবাদ মাধ্যমক অৱগত কৰে পৰিষদৰ দক্ষিণপাট আঞ্চলিক সমিতিৰ সভাপতি ইজমত মৰিয়া আৰু সাধাৰণ সম্পাদক প্ৰণৱ শইকীয়াই। লগতে বিভাগীয় কৰ্তৃপক্ষক সাক্ষাৎৰ সময়ত উপস্থিত থাকে পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক দেৱাশীষ দাস আৰু সমাজসেৱক বিনয় লস্কৰ।

# নামটেমেৰা চিত্ৰকলা বিদ্যালয় আৰু কোচিং চেণ্টাৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, নুমলীগড়, ১১ জুলাই ঃ** বোকাখাত সমজিলাৰ মহুৰা মুখৰ নামটেমেৰা গাঁৱত গেলাবিল নদীৰ পাৰত আৰম্ভ হ'ল চিত্ৰকলা বিদ্যালয়। এগৰাকী সমাজ সংগঠক অঞ্চলটোৰ সমাজকৰ্মী ঈভান লইঙৰ উদ্যোগত ৰোনাল সোণাৰ, প্ৰাণ কৃষ্ণ বৰাৰ সহযোগত আৰম্ভ কৰা চিত্ৰকলা বিদ্যালয়ৰ মূল উদ্দেশ্য হৈছে অঞ্চলটোৰ ছাত্ৰ ছাত্ৰীসকলক মানসিক, বৌদ্ধিক আৰু মনোসংযোগ অধিক শক্তিশালী কৰা। কালি উদ্বোধনী অনুষ্ঠানৰ গছপুলি ৰোপণ কৰে উদ্যোক্তা ঈভান লইঙৰ মাতৃ দৰিকী লইং, অৱসৰপ্ৰাপ্ত শিক্ষক কনকধন বৰি আৰু গোপাল মৰাং এ। ফিতা কাতি শুভ উদ্বোধন কৰে বোকাখাত জাতীয় বিদ্যালয়ৰ অধ্যক্ষা তথা চিত্ৰ শিল্পী ইঞ্জু আহমেদ এ। অসম ভৈয়াম জনজাতি নিগমৰ অৱসৰপ্ৰাপ্ত প্ৰবন্ধক ত্ৰৈলোক্য মৰাঙৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাৰ আঁত ধৰে উদ্যোক্তা ঈভান লইঙে। তিনিটি শিশু তাবলাবাদক ক্ৰমে অঙ্কুৰণ লইং, অৰ্পণ লইং আৰু পুৰব কুমাৰ বৰিৰ তাবলাবাদনেৰে আৰম্ভ হোৱা সভাত আৰণ্যকৰ প্ৰকল্প সঞ্চালক আৰিফ হুছেইন, অৱসৰপ্ৰাপ্ত শিক্ষক গোপাল মৰাং, গৰৈমাৰি হাইস্কুলৰ প্ৰধান শিক্ষক খগেন মৰাং, কমাৰগাওঁ আঞ্চলিক সাহিত্য সভাৰ সম্পাদক ৰিণ্টু দুৱৰা, কবি ও সমাজকৰ্মী জয়ন্ত মাধৱ মৰাং, সঙঘৰ বোকাখাত জিলা শাখাৰ প্ৰাক্তন সম্পাদক তথা শিক্ষক যতীন লইংকে ধৰি ভালেকেইগৰাকী শিক্ষক, সমাজকৰ্মী, সাহিত্যিক, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি চমু বক্তব্য দাঙি ধৰে। প্ৰায় শতাধিক ছাত্ৰ ছাত্ৰী তথা স্থানীয় ৰাইজৰ উপস্থিতিত অৰ্পিতা লইঙ, এভলিন লইং, নেইনা লইং, আয়ুশ্ৰী বৰিৰ কবিতা আবৃত্তিৰে গেলাবিল নদীৰ পাৰ জীপাল হয়।

# মন্দিয়াত অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ ক'লা দিৱস পালন

**অসম বাৰ্তা, মন্দিয়া, ১১ জুলাই ঃ** অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ বাবে কেন্দ্ৰীয় বাজেটত ধন বৃদ্ধি কৰক, কৰ্মী- সহায়িকাক নিয়মীয়া কৰ্মচাৰী হিচাপে স্বীকৃতি দিয়ক, মাননিৰ সলনি মজুৰি দিয়ক, ESI, PF আৰু গ্ৰেচুইটি প্ৰদানৰ দাবীত, চি আই টি ইউৰ আহ্বানত দেশব্যাপী পালন কৰা কলা দিৱসৰ লগত সংগতি ৰাখি আজি মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অন্তৰ্গত কৰ্মী -সহায়িকা সকলেও কলা দিৱস পালন কৰে। আজি সকলো অঙ্গনৱাড়ী কেন্দ্ৰ বন্ধ ৰাখি কলা পোছাক পৰিধান কৰি কৰ্মী- সহায়িকা সকলে পুৱা ১১ বজাত মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ সন্মুখত ধৰ্ণাত বহে। কৰ্মী- সহায়িকা সকলক দিনে-নিশাই অত্যধিক কামৰ বোজা জাপি দিয়াৰ পিছতো সামান্য মাননি দিয়াৰ লগতে কৰ্মী- সহায়িকা সকলৰ অসুবিধাৰ প্ৰতি গুৰুত্ব নিদিয়া বুলি কৰ্মী সকলে অভিযোগ কৰে। মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ অন্তৰ্গত কৰ্মী- সহায়িকা সকলে কোনো মাহৰ প্ৰথম সপ্তাহত মাননি নাপায় বুলিও অভিযোগ কৰে। আনহাতে চলিত বৰ্ষৰ যোৱা মে মাহৰ আধা মাননিহে কৰ্মী- সহায়িকা সকলে পোৱা আৰু বাকী থকা মাননিখিনি এতিয়ালৈ পোৱা নাই বুলি ক্ষোভ প্ৰকাশ কৰে। মন্দিয়া সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ এনেবোৰ খেলিমেলি অতি সোনকালেই আঁতৰ কৰিবলৈও কৰ্মী- সহায়িকা সন্থাৰ ফালৰ পৰা দাবী জনায়।

# হোজাইত হজ যাত্ৰীসকলক জিলা প্ৰশাসনৰ সম্বৰ্ধনা



**অসম বাৰ্তা, লংকা, ১১ জুলাই ঃ** হোজাই জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত শুকুৰবাৰে হোজাই জিলা হজ সমিতিৰ উদ্যোগত চলিত বৰ্ষত পবিত্ৰ হজ যাত্ৰা সফলতাৰে সমাপ্ত কৰি নিজ গৃহলৈ উভতি অহা জিলাখনৰ হজ যাত্ৰীসকলক এক আন্তৰিক সম্বৰ্ধনা অনুষ্ঠানৰ জৰিয়তে উষ্ম আদৰণি জনোৱা হয়। অনুষ্ঠানটোৰে হজ যাত্ৰীসকলৰ পবিত্ৰ তীৰ্থযাত্ৰাৰ সফল সমাপ্তিক সন্মান জনোৱাৰ লগতে সমাজত ভাতৃত্ববোধ, সম্প্ৰীতি আৰু আধ্যাত্মিক মূল্যবোধ সুদৃঢ় কৰাৰ এক তাৎপৰ্যপূৰ্ণ মঞ্চ হিচাপে পৰিগণিত হয়। অনুষ্ঠানত জিলা আয়ুক্ত শ্ৰী সঞ্জয় দত্ত (অ. অ. সে.) উপস্থিত থাকি হজ যাত্ৰীসকলক আন্তৰিক অভিনন্দন জনায়। তেওঁ নিজৰ ভাষণত হজ যাত্ৰাৰ আধ্যাত্মিক তাৎপৰ্যৰ ওপৰত আলোকপাত কৰি কয় যে, এই পবিত্ৰ তীৰ্থযাত্ৰাই আত্মশুদ্ধি, সহনশীলতা, শৃংখলা আৰু মানৱীয় মূল্যবোধৰ এক অনন্য শিক্ষা প্ৰদান কৰে। তেওঁ সকলো হজ যাত্ৰীৰ সুস্বাস্থ্য, সুখ-শান্তি আৰু মংগলময় ভৱিষ্যৎ কামনা কৰাৰ লগতে সমাজৰ কল্যাণ আৰু সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ সক্ৰিয় অৱদানৰ আহ্বান জনায়। অনুষ্ঠানত উপস্থিত হজ যাত্ৰীসকলেও তেওঁলোকৰ পবিত্ৰ হজ যাত্ৰাৰ বিভিন্ন স্মৰণীয় আৰু আধ্যাত্মিক অভিজ্ঞতা উপস্থিতসকলৰ সৈতে ভাগ-বতৰা কৰে। তেওঁলোকে মক্কা আৰু মদিনাত বিভিন্ন ধৰ্মীয় আচাৰ-অনুষ্ঠান সম্পন্ন কৰাৰ অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে এই পবিত্ৰ যাত্ৰাই জীৱনলৈ অনা মানসিক আৰু আধ্যাত্মিক পৰিৱৰ্তনৰ কথাও উল্লেখ কৰে। উক্ত সম্বৰ্ধনা অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত বনী ইনাম ছাদ্দাব, সহকাৰী আয়ুক্ত ৰাখিশ্ৰী লেখাৰু, তৃষাণু বিপুল বৰা, ৰুবু বৰাৰ লগতে হোজাই জিলা হজ সমিতিৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত জিলা প্ৰশাসনৰ ফালৰ পৰা চলিত বৰ্ষৰ পবিত্ৰ হজ যাত্ৰা সফলতাৰে সম্পন্ন কৰি উভতি অহা প্ৰতিগৰাকী হজ যাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰা হয়। লগতে তেওঁলোকৰ জীৱন সুখ-শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধিৰে ভৰি উঠাৰ কামনা কৰাৰ লগতে সমাজত শান্তি, সম্প্ৰীতি আৰু মানৱীয় মূল্যবোধ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা আগবঢ়াই নিয়াৰ আহ্বান জনোৱা হয়।

১২ কোটি ৩২ লাখ টকাৰে নিৰ্মিত ষ্টেডিয়ামৰ ৫০ শতাংশও কাম নোহোৱাৰ অভিযোগ

# ডিব্ৰুগড়ৰ লাহোৱাল মিনি ষ্টেডিয়াম নিৰ্মাণৰ নামত ভয়ংকৰ জালিয়াতিৰ অভিযোগ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুলাই ঃ** ডিব্ৰুগড়ৰ লাহোৱাল মিনি ষ্টেডিয়াম নিৰ্মাণৰ নামত ভয়ংকৰ জালিয়াতিৰ তথ্য পোহৰলৈ আহিছে। গ্ৰাম্য খেলুৱৈসকলক উপযুক্ত পৰিৱেশ প্ৰদান কৰা আৰু উৎকৰ্ষ সাধনৰ উদ্দেশ্যৰে অসম চৰকাৰৰ ক্ৰীড়া আঁচনিৰ অধীনত মুঠ ১২ কোটি ৩২ লাখ ৫৪ হাজাৰ টকাৰে নিৰ্মাণ হোৱা ষ্টেডিয়ামখনৰ ৫০শতাংশ কামও সঠিক আৰু নিখুঁতভাৱে নিৰ্মাণ হোৱা নাই বুলি লাহোৱাল ক্ৰীড়া সন্থাই সংবাদমেল অনুষ্ঠিত কৰি গুৰুতৰ অভিযোগ উত্থাপন কৰে। ২০২৩ চনৰ পৰা চন্দন গগৈ নামৰ এজন ঠিকাদাৰে নিৰ্মাণ কৰা এই ষ্টেডিয়ামখন নিম্ন মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰি জিলা ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ক হস্তান্তৰ কৰিবৰ বাবে ঠিকাদাৰজনে কূটকৌশল আৰম্ভ কৰিছে যদিও লাহোৱাল ক্ৰীড়া সন্থাৰ সবল প্ৰতিবাদৰ বাবে সেইয়াৰ সম্ভৱ কৰি তুলিব পৰা নাই ঠিকাদাৰজনে। ষ্টেডিয়ামখনত ৩৫ লাখ টকা টাইলচৰ অনিয়ম, ১২ লাখ ফল চিলিং, ৱাল পুটিং, একজিট ৰাস্তা, ফেন্সিং, গছপুলি ৰোপণ, ৬০টা ফ্লাড লাইট, ৪০টা ষ্ট্ৰীট লাইট, ব্যামগাৰ, ৪ হাজাৰ লিটাৰ পানীৰ টেংকি, খিড়িকী, দৰ্জা আদি শিতানত ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে ব্যাপক অনিয়ম সংঘটিত কৰি চৰকাৰী ধন হৰলুকি কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে লাহোৱাল ক্ৰীড়া সন্থাই। উদ্বোধনৰ পূৰ্বেই ষ্টেডিয়ামখনৰ পকী ৱাল, বাৰাণ্ডা, টয়লেট, বিদ্যুত পৰিবাহী তাঁৰ আদিত চিৰাল ফাঁট মেলা ৰাইজে প্ৰত্যক্ষ কৰে। ইতিমধ্যে লাহোৱাল ক্ৰীড়া সন্থাই সমগ্ৰ ষ্টেডিয়ামখনৰ নিৰ্মাণৰ ভিতৰচৰাত সংঘটিত হোৱা এই ভংয়কৰ জালিয়াতিৰ সম্পৰ্কত এক উচ্চস্তৰীয় তদন্ত সমিতিৰ গঠন কৰি ৰাইজ আৰু খেলুৱৈসকলক ন্যায় প্ৰদান কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। হাজাৰ হাজাৰ গ্ৰাম্য খেলুৱৈসকলৰ সোণোৱালী ভৱিষ্যত ধ্বংস কৰা এইসকল ঠিকাদাৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ লাহোৱাল ক্ৰীড়া সন্থাই দাবী জনাইছে। লগতে ডিব্ৰুগড়ৰ লোকনিৰ্মাণ বিভাগৰ অভিযন্তাসকলৰ ওপৰতো তদন্ত হ'ব লাগে বুলি দাবী উত্থাপন কৰে। সংবাদমেলত লাহোৱাল ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি লক্ষ্যধৰ চেতিয়া, উপ-সভাপতি সত্যেন্দ্ৰ কোঁৱৰ, সম্পাদক দিব্যজ্যোতি দত্ত, সহকাৰী সম্পাদক পজন্ত গগৈ, এথলেটি' সম্পাদক নৱজিৎ কোঁৱৰ, সহকাৰী সম্পাদক কুশল কোঁৱৰ, কাৰ্যনিৰ্বাহক সদস্য অন্নপূৰ্ণা নাথকে ধৰি কেইবাগৰাকী বিষয়-ববীয়াই অংশগ্ৰহণ কৰে। বিগত পাঁচ বছৰ ধৰি হাবি জংঘলৰে ভৰি থকা ষ্টেডিয়ামখন আজিকোপতি খেলুৱৈৰ বাবে মুকলি কৰি দিব নোৱাৰা বাবে অঞ্চলটোৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

# আমগুৰি ধোদৰ আলিত ডাম্পাৰ-বাইক সংঘৰ্ষ; নিহত ১

**অসম বাৰ্তা, চেলেংহাট, ১১ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰি থানাৰ অন্তৰ্গত নগা আলিৰ সমীপত ধোদৰ আলিত আজি সন্ধিয়া সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনাত এজন ব্যক্তিৰ থিতাতে মৃত্যু হয়। প্ৰাপ্ত বাতৰি অনুযায়ী, আজি সন্ধিয়া প্ৰায় ৫:৩০ বজাত আমগুৰিৰ দিশৰ পৰা অহা এএছ ০৪ এক্স ৮৯৬৩ নম্বৰৰ ষ্টাৰ চিটি মটৰচাইকেলখনক একে দিশেৰে গৈ থকা এমজেদ ০১ ভি ৩৬৮৯ নম্বৰৰ ডাম্পাৰখনে পিছফালৰ পৰা খুন্দা মাৰে। খুন্দাৰ আঘাতত মটৰচাইকেল আৰোহীজন পথৰ ওপৰত বাগৰি পৰি ডাম্পাৰখনৰ তলত সোমাই যায় আৰু থিতাতে তেওঁৰ মৃত্যু হয়। নিহত ব্যক্তিজনক বৰাহীবাৰী গায়েন গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰঞ্জিত ওজা (৬৩) বুলি চিনাক্ত কৰা হৈছে।

# জামুগুৰিত বিলাতী মদৰ অবৈধ বেহা; লক্ষ্মীবাৰীত বৃহৎ পৰিমাণৰ সুৰা জব্দ

**অসম বাৰ্তা, মেৰাপানী, ১১ জুলাই ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত লক্ষ্মীবাৰীত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হৈছে। জামুগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পুষ্প কমল বৰাৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে কালি নিশা প্ৰায় ৮ বজাত লক্ষ্মীবাৰীৰ ২ নং বৰজান গাঁৱত এই অভিযান চলায়। অভিযানকালত গাঁৱখনৰ 'বি.কে. ষ্টৰ' নামৰ এখন গেলামাল দোকানৰ পৰা প্ৰায় ১৭ হাজাৰ টকা মূল্যৰ আৰু 'হোটেল এলান্ধু'ৰ পৰা প্ৰায় ৯ হাজাৰ টকা মূল্যৰ অবৈধ বিলাতী সুৰা জব্দ কৰা হয়। উল্লেখ্য যে, জামুগুৰি আৰক্ষী থানাৰ মাত্ৰ ৫০ মিটাৰ নিলগত থকা একাংশ হোটেল আৰু গেলামাল দোকানত দীৰ্ঘদিনৰে পৰা অবৈধ বিলাতী সুৰাৰ লগতে অৰুণাচলী সুৰাৰ ৰমৰমীয়া বেহা চলি আহিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, আৰক্ষীৰ একাংশ লোকৰ সৈতে সুৰা ব্যৱসায়ীসকলৰ গোপন বুজাবুজি থকাৰ বাবেই ইমান দিনে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। আনকি স্বয়ং আৰক্ষী কনিষ্ঠবলে জামুগুৰি চাৰিআলি আৰু তিনিআলিৰ অবৈধ দোকানৰ পৰা মদ কিনি নিয়াৰ গুৰুতৰ অভিযোগো উত্থাপিত হৈছে। এই অবৈধ মদৰ ব্যৱসায়ৰ বাবে বৃহত্তৰ জামুগুৰি অঞ্চলৰ শৈক্ষিক আৰু সামাজিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হৈ পৰিছে। ইয়াৰ পিছতো জামুগুৰি আৰক্ষী আৰু আবকাৰী বিভাগে কোনো ফলপ্ৰসূ পদক্ষেপ নোলোৱাতোৱে বিশেষ তাৎপৰ্য বহন কৰিছে। সচেতন ৰাইজে গোলাঘাট জিলা আৰক্ষী আৰু আবকাৰী বিভাগৰ জ্যেষ্ঠ কৰ্তৃপক্ষক এই ক্ষেত্ৰত জৰুৰীভাৱে হস্তক্ষেপ কৰিবলৈ আৰু অঞ্চলটোত ব্যাপক অভিযান চলাবলৈ দাবী জনাইছে। ইফালে, নিয়মানুসাৰে আৰক্ষীয়ে কালি নিশা জব্দ কৰা অবৈধ সুৰাখিনি আবকাৰী বিভাগক চমজাই দিব লাগিছিল যদিও বাতৰি লিখা পৰলৈকে তেনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাক লৈ স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

হালোৱাটিঙত গাড়ীসহ সাঁচি জব্দ কৰে বন বিভাগে

# নাগালেণ্ডৰ পৰা কৰ ফাঁকিৰে অবৈধ সাঁচি সৰবৰাহ

**অসম বাৰ্তা, চেলেংহাট, ১১ জুলাই ঃ** শিৱসাগৰৰ হালোৱাটিঙত আজি বন বিভাগে এখন সাঁচিভৰ্তী গাড়ী জব্দ কৰা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। অসম-নাগালেণ্ড সীমান্তৱৰ্তী হালোৱাটিং বন বিভাগৰ বিষয়াসকলে খেদি খেদি টিফুকৰ পৰা এএছ ০৪ চিচি ২২১৮নম্বৰৰ এখন টাটা মে' ডি আই গাড়ী জব্দ কৰে। জানিব পৰা মতে, নাগালেণ্ডৰ পৰা কৰ ফাঁকি দি মিছাজানলৈ অবৈধভাৱে সাঁচি সৰবৰাহ কৰি অহাৰ সময়তে হালোৱাটিং বন বিষয়া স্পৃহা গগৈৰ নেতৃত্বত বন বিভাগৰ দলটোৱে টিফুকৰ পৰা গাড়ীখন জব্দ কৰে। এই সাঁচি সৰবৰাহৰ লগত আব্দুল, ফকিৰকে ধৰি প্ৰায় ১০ জনীয়া সাঁচি ব্যৱসায়ী জড়িত থকা বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য মতে চক্ৰটোৱে দীৰ্ঘদিনৰ পৰা কৰ ফাঁকি দি নাগালেণ্ডৰ পৰা নামতি আৰু মিছাজানলৈ সাঁচি সৰবৰাহ কৰি আহিছিল। এই ক্ষেত্ৰত হালোৱাটিং বন বিষয়াই বিশেষ সূত্ৰৰ পম খেদি আজি এই সফল অভিযান চলায়।

# নগাঁও বেঙেনাআটিৰ মহিলা বহিঃৰাজ্যৰ পৰা সন্ধানহীন

**অসম বাৰ্তা, বঢ়মপুৰ, ১১ জুলাই ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী অঞ্চল বেঙেনাআটিৰ এগৰাকী মহিলা প্ৰায় এমাহ দিন ধৰি সন্ধানহীন হৈ আছে। জানিব পৰা মতে শ্বজান বিবি নামৰ মহিলা গৰাকী ১১ জুনত আন দুগৰাকী ব্যক্তিৰ লগত দিল্লীৰ আজমীৰ শ্বৰিফলৈ তীৰ্থ ভ্ৰমণলৈ গৈছিল। ১৫ তাৰিখে দিল্লীৰ ৰেল ষ্টেচনৰ পৰা আন যাত্ৰী সকলৰ পৰা বিছিন্ন হৈ পৰে। তাৰ পাছৰে পৰা ৭৬ বছৰীয়া বৃদ্ধ মহিলা গৰাকী সন্ধানহীন হৈ আছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে এক এজাহাৰ দাখিল কৰিছে। পৰিয়ালৰ লোকে মহিলা গৰাকীৰ সন্ধান লাভ কৰিলে অসম আৰক্ষীৰ লগতে 8133826335 নম্বৰত পৰিয়ালৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# সোণোৱাল কছাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ "হীৰক জয়ন্তী ২০২৬"ৰ "সামৰণি অনুষ্ঠান"

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুলাই ঃ** উজনী মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত উচ্চশিক্ষাৰ অনুষ্ঠান সোণোৱাল কছাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ "হীৰক জয়ন্তী ২০২৬"ৰ সামৰনী অনুষ্ঠান ভাগ দুদিনীয়া কাৰ্যসূচীৰে অহা ইংৰাজী ৬ আৰু ৭ নৱেম্বৰ, ২০২৬(শুক্ৰবাৰ আৰু শনিবাৰ)ত অনুষ্ঠিত হ'ব। আজি অনুষ্ঠিত হোৱা উদযাপন সমিতিৰ কাৰ্যনিৰ্বাহক সভাৰ সিদ্ধান্ত আৰু জিলা শিক্ষা বিষয়াৰ অনুমতি ক্ৰমে উক্ত সময় সূচী নিৰ্ধাৰণ কৰা হয়। "হীৰক জয়ন্তী" মহোৎসৱ উদযাপন সমিতিৰ সাধাৰণ সম্পাদক তথা বিদ্যালয়ৰ অধ্যক্ষ মনোজ কুমাৰ নাথে জনোৱা মতে প্ৰথমদিনা (৬ নৱেম্বৰ)ৰ মুখ্য কাৰ্যসূচী হিচাপে বিদ্যালয়ৰ ৬১খন পতাকা উত্তোলন, স্মৃতিতৰ্পন আৰু স্মৃতিসৌধ উন্মোচন, স্মৃতিচাৰণ সভা, পিতৃ-মাতৃ বন্দনা, মাতৃগোটৰ নাম প্ৰসংগ, প্ৰাক্তন ছাত্ৰ ছাত্ৰী আৰু প্ৰাক্তন শিক্ষক কৰ্মচাৰীৰ মহামিলন সমাৰোহ অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ দ্বিতীয়দিনা (৭ নৱেম্বৰ) ৰ মুখ্য কাৰ্যসূচী হিচাপে থাকিব বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ ছাত্ৰী আৰু ১০খন গাঁৱৰ অংশগ্ৰহণেৰে ১০ কিলোমিটাৰ জোৰা বৰ্ণাঢ্য "সাংস্কৃতিক শোভাযাত্ৰা", মুকলি সভা, গ্ৰন্থ উন্মোচন আৰু ৰাতিলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় আৰু নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা "জুবিন সন্ধিয়া" সাংস্কৃতিক অনুষ্ঠান। দুয়োদিনৰ সমস্ত কাৰ্যসূচীত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী, অভিভাৱক, শুভাকাংক্ষী তথা সকলো স্থানীয় ৰাইজৰ উপস্থিতি আৰু পূৰ্ণসহযোগিতা "হীৰক জয়ন্তী" উদযাপন সমিতিয়ে একান্তভাৱে কামনা কৰিছে।

## বিটিচিৰ বাজেট হ্ৰাস লাজৰ কথা

নেতাগৰাকীয়ে বাজেটখনৰ বিভিন্ন দিশ সন্দৰ্ভত নিজৰ মতামত ব্যক্ত কৰে। সংবাদমেলত দ্বিপেন বড়োৱে অগ্ৰভাগে কয় যে বাজেটত ঘোষণা কৰা জনকল্যাণমূলক আচনিসমূহ কেতিয়া ৰূপায়ণ হ'ব বা সম্পূৰ্ণ হ'ব তাৰ কোনো সময়সীমা বিধানসভাত উপস্থাপন কৰা বাজেটখনত দেখা নাই। সেয়ে এই বাজেটখনক আগন্তুক পাঁচবছৰীয়া ভিজন ডকুমেণ্ট হিচাপেহে অনুমান কৰিব পাৰি বুলি তেওঁ মন্তব্য কৰে। বড়োৱে বিটিচিৰ উন্নয়নৰ বাবে বাজেটত ধনৰ পৰিমাণৰ প্ৰতি গুৰুত্ব আৰোপ কৰি কয় যে এইবাৰ বিটিচি উন্নয়নৰ বাবে ৪০১ কোটি টকা ঘোষণা কৰা হৈছে। দৰমহা আৰু উন্নয়নৰ মেৰুকৈ এই ধনৰ পৰিমাণ ৪০২৮ কোটি টকালৈ যায়। কিন্তু বিগত ২০২৫-২৬ বিত্তীয় বৰ্ষত বিটিচি উন্নয়নৰ বাবে ধাৰ্য কৰা ৪৫০ কোটি টকাৰ তুলনাত এইবাৰ ধনৰ পৰিমাণ কম কৰাটো অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক বুলি অভিহিত কৰে। বিটিচি অঞ্চলত ২৮ গৰাকী বিপিএফৰ পাৰিষদ আৰু ১৪ গৰাকী এনডিএৰ বিধায়ক থকা সত্ত্বেও পূৰ্বৰ তুলনাত অধিক ধন অনিব নোৱাৰাটো লাজৰ কথা বুলি তেওঁ স্পষ্ট কৰে। বিটিচিৰ প্ৰায়p৩৫ লাখ জনসাধাৰণক নিৰ্বাচনৰ পূৰ্বে দিয়া আশা-আকাংক্ষা এই বাজেটে পূৰণ কৰিব নোৱাৰে বুলিও তেওঁ অভিমত প্ৰকাশ কৰে। হাগ্ৰামা মহিলাৰীয়ে এই বাজেটক 'নিৰাশাজনক' আখ্যা দিয়াটো যথাৰ্থ বুলি নেতাগৰাকীয়ে উল্লেখ কৰে। ইপিনে, ওদালগুৰিত এখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বিষয়টোও সংবাদমেলত উঠি আহে। দ্বিপেন বড়োৱে কয় যে অসম বিধানসভাৰ কোকৰাঝাৰ অধিৱেশনত এই কথা ঘোষণা কৰা হৈছিল আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়েও পূৰ্বে এই বিষয়ত আশ্বাস দিছিল। সেই ঘোষণা অনুসৰি যেন ওদালগুৰিত চিকিৎসা মহাবিদ্যালয় স্থাপন হয় তাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীগৰাকীৰ ওচৰত আহ্বান জনায়। আনহাতে, বিটিচিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা গাওঁসমূহৰ উন্নয়নৰ বাবে প্ৰমোদ বড়োৰ নেতৃত্বাধীন পূৰ্বৰ চৰকাৰে ১৫ কোটি টকা নিৰ্ধাৰণ কৰি কাম কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু বিটিচিৰ নতুন চৰকাৰখন আহি এই সকলো পৰিকল্পনাকে বাতিল কৰিছে বুলি অভিযোগ উত্থাপন কৰে দ্বিপেন বড়োৱে। ইয়াৰ পাছত বিধায়ক ৰিহন দৈমাৰীয়ে এই বিষয়টো বিধানসভাত উত্থাপন কৰিছিল বুলিও তেওঁ উল্লেখ কৰে। বিত্তীয় দিশৰ ওপৰত চকু ৰাখি নেতাগৰাকীয়ে কয় যে বিগত শাসনকালত বিটিচি চৰকাৰখনে ২৩০০ কোটি টকাৰ ঋণ এৰি গৈছিল, যিটো প্ৰমোদ বড়ো নেতৃত্বাধীন চৰকাৰখনে পৰিশোধ কৰিবলগীয়া হৈছিল। অথচ চলিত বিত্তীয় বৰ্ষটোৰ বাবে প্ৰায় ৩০০০ কোটি টকাৰ আচনি (বিভিন্ন শিতানত) অনুমোদন জনোৱা হৈছে, যাৰ অধিকাংশই পূৰ্বৰ ঋণৰ বিপৰীতে। প্ৰকৃততে প্ৰায় ২৬০০ কোটি টকাৰ অধিক অনুমোদন দিয়া হৈছে, যাৰ ফলত আগন্তুক দিনত বিটিচিৰ ভৱিষ্যত সম্পৰ্কে তেওঁ গভীৰ চিন্তা প্ৰকাশ কৰে। বাজেটৰ এই দিশবোৰে বিটিচি অঞ্চলৰ বিকাশৰ পথত প্ৰতিবন্ধকতা সৃষ্টি কৰিব বুলি আশংকা কৰি নেতাগৰাকীয়ে সামৰণি মাৰে।

## ভিয়েটনামত স্পিডব'ট দুৰ্ঘটনাত

লগে বহু যাত্ৰী ভিতৰত আবদ্ধ হৈ পৰে। ঘটনাৰ তৎক্ষণাৎ ওচৰত থকা আন পৰ্যটকবাহী নাওসমূহে প্ৰথমে উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। পিছলৈ ভিয়েটনামৰ সীমান্তৰক্ষী বাহিনী, উপকূলৰক্ষী আৰু অন্যান্য উদ্ধাৰকাৰী সংস্থাই ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলায়। স্থানীয় কৰ্তৃপক্ষই জনোৱা মতে, এই দুৰ্ঘটনাত ৰপ্ত গৰাকী ভাৰতীয় পৰ্যটক-ৰ্‍ গৰাকী পুৰুষ আৰু দুগৰাকী মহিলা-মৃত্যু হয়। আনহাতে ১৭ গৰাকী যাত্ৰী আৰু চাৰিজন ক্ৰু সদস্যকে ধৰি মুঠ চৰজন লোকক জীৱিত উদ্ধাৰ কৰা হয়। উদ্ধাৰ হোৱাসকলৰ ভিতৰত কেইবাজনো আঘাতপ্ৰাপ্ত হোৱাত তেওঁলোকক ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জীৱিতসকলৰ ভিতৰত দুজনৰ অৱস্থা সংকটজনক বুলি চিকিৎসালয় সূত্ৰই জানিবলৈ দিয়ে। দুৰ্ঘটনাৰ সঠিক কাৰণ জানিবলৈ ভিয়েটনাম কৰ্তৃপক্ষই তদন্ত আৰম্ভ কৰিছে। প্ৰতিকূল বতৰ, ৰুক্ষ সাগৰীয় পৰিস্থিতি বা যান্ত্ৰিক ত্ৰুটি- এই কাৰণসমূহৰ ভিতৰত যিকোনো এটা দুৰ্ঘটনাৰ মূল কাৰণ হ'ব পাৰে বুলি প্ৰাথমিকভাৱে ধাৰণা কৰা হৈছে। ইফালে, হানয়স্থিত ভাৰতীয় দূতাবাসে এক বিবৃতিত কয় যে দুৰ্ঘটনাৰ সঠিক তথ্য সংগ্ৰহ কৰি থকা হৈছে। হো চি মিন চিটিস্থ ভাৰতীয় কনছুলেট জেনেৰেল আৰু হানয়স্থিত দূতাবাসত নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ বাবে দূতাবাসে সকলো প্ৰকাৰ পদক্ষেপ গ্ৰহণ কৰিছে। দূতাবাসে নিহত আৰু আহতসকলৰ সম্পূৰ্ণ তালিকা প্ৰকাশ কৰিবলৈ অতি সোনকালে ব্যৱস্থা লোৱা বুলি জনায়। দুৰ্ঘটনাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰি সামাজিক মাধ্যমযোগে কয়, "ভিয়েটনামত সংঘটিত এই শোকাবহ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা ভাৰতীয় নাগৰিকসকলৰ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক সমবেদনা। এই কঠিন সময়ত ভাৰত চৰকাৰে ক্ষতিগ্ৰস্তসকললৈ সকলোধৰণৰ সম্ভৱ সহায় আগবঢ়াইছে। ভাৰতীয় দূতাবাসৰ বিষয়াসকলেও ঘটনাস্থলীত স্থানীয় কৰ্তৃপক্ষৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰি আছে।" একেদৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱেও এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰি এক্সযোগে কয়, "ভিয়েটনামত স্পিডব'ট দুৰ্ঘটনাত বহু ভাৰতীয় নাগৰিকৰ মৃত্যুৰ বাতৰি পাই অত্যন্ত শোকাহত হৈছোঁ। শোকসন্তপ্ত পৰিয়াললৈ মোৰ সমবেদনা জ্ঞাপন কৰিছোঁ। আহতসকলৰ সোনকালে আৰোগ্য কামনা কৰিছোঁ।" উল্লেখযোগ্য যে ফু কুৱক ভিয়েটনামৰ অন্যতম আকৰ্ষণীয় সমুদ্ৰ পৰ্যটনস্থলী। প্ৰতিদিনে হাজাৰ হাজাৰ দেশী-বিদেশী পৰ্যটকে স্পিডব'টযোগে দ্বীপসমূহ ভ্ৰমণ কৰে। এই শোকাবহ ঘটনাৰ পিছত ভিয়েটনাম চৰকাৰে ঘটনাটোৰ পূৰ্ণাংগ তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে পৰ্যটকবাহী নাওসমূহৰ সুৰক্ষা ব্যৱস্থা পুনৰীক্ষণ কৰাৰ কথাও ঘোষণা কৰিছে।

## ৪০ বছৰৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ

বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠানিক অংশীদাৰিত্ব আগবঢ়াই নিয়া-এইবোৰ চুক্তিসমূহৰ অন্যতম মূল বিষয়বস্তু। বৈঠকৰ পিছত জাৰি কৰা যৌথ বিবৃতিত দুয়োখন দেশে মুকলি, নিৰাপদ আৰু নিয়মভিত্তিক ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতি নিজৰ অটল প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে। দুয়োগৰাকী নেতাই জোৰ দি কয় যে সকলো ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাক সৰ্বতোভাৱে সন্মান কৰিব লাগে। ১৯৮২ চনৰ ৰাষ্ট্ৰসংঘৰ সাগৰৰ আইন সম্পৰ্কীয় চুক্তি অনুসৰি সাগৰীয় জাহাজ চলাচল, উৰণৰ স্বাধীনতা আৰু অন্যান্য বৈধ ব্যৱহাৰৰ অধিকাৰৰ প্ৰতিও দুয়ো নেতাই আহ্বান জনায়। ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সহযোগিতা বৃদ্ধিৰ অংশ হিচাপে দুয়োপক্ষই সামুদ্ৰিক সুৰক্ষাৰ ওপৰত নিয়মীয়া আলোচনা আৰম্ভ কৰিবলৈ সন্মত হয়। ইয়াৰ জৰিয়তে সহযোগিতা, সমন্বয় আৰু গোয়েন্দা তথ্যৰ বিনিময় শক্তিশালী কৰাৰ লক্ষ্য ৰখা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বৈঠকক 'ঐতিহাসিক' বুলি অভিহিত কৰি কয় যে এই অংশীদাৰিত্বই ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নতুন শক্তিৰ সঞ্চাৰ কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদী সম্প্ৰতি অষ্ট্ৰেলিয়া ভ্ৰমণ সম্পূৰ্ণ কৰি শুকুৰবাৰে নিউজিলেণ্ডত উপস্থিত হয়। প্ৰায় ৪০ বছৰৰ পাছত কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে নিউজিলেণ্ড ভ্ৰমণ কৰা এইটোৱেই প্ৰথম। এই ভ্ৰমণ বিশেষভাৱে গুৰুত্বপূৰ্ণ কাৰণ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চীনৰ ক্ৰমবৰ্ধমান প্ৰভাৱৰ প্ৰেক্ষাপটত ভাৰতে এই অঞ্চলৰ দেশসমূহৰ সৈতে কৌশলগত সম্পৰ্ক অধিক দৃঢ় কৰাৰ চেষ্টা চলাই আছে। বৈঠকৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, "এই বছৰ ভাৰত-নিউজিলেণ্ড অংশীদাৰিত্বৰ বাবে অত্যন্ত উৎকৃষ্ট বছৰ। ইয়াৰ আগতে আমি অভিলেখ সময়ৰ ভিতৰতে মুক্ত বাণিজ্য চুক্তি সম্পন্ন কৰিছো আৰু এতিয়া সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰিছো। ২০৩০ চনৰ ভিতৰত বাণিজ্য দুগুণ কৰাৰ আমাৰ লক্ষ্য।"

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমন্বয়

ডিজিটেল ব্যৱস্থা সংযোগ কৰিব বিচাৰিছো। দৰ্শনাৰ্থীসকলে ভূপেন হাজৰিকাৰ সৈতে ডিজিটেল চেলফি তুলিব পাৰিব, তেওঁৰ গানসমূহ অভ্যাস কৰিব পাৰিব। লগতে বিশেষ প্ৰযুক্তিৰ সহায়ত তেওঁৰ গাড়ীত ভ্ৰমণ কৰাৰ অনুভৱ লাভ কৰিব পাৰিব। এই আধুনিকীকৰণৰ মূল উদ্দেশ্য নৱপ্ৰজন্মই যাতে প্ৰযুক্তিৰ জৰিয়তে ভূপেন হাজৰিকাৰ অবিস্মৰণীয় কৃতিসমূহৰ বিষয়ে জানিব পাৰে।" সমাধিক্ষেত্ৰৰ ভৌতিক গাঁথনি সম্প্ৰসাৰণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, "আমি সৰু আকাৰৰ এটা মুকলি থিয়েটাৰ (অ'পেন থিয়েটাৰ) নিৰ্মাণ কৰাৰ পৰিকল্পনা হাতত লৈছো। মাজৰ অংশত থকা খালী ঠাইসমূহ অধিক কাৰ্যক্ষম কৰি তুলিব বিচাৰিছো। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে, আজিলৈকে সমন্বয় তীৰ্থ পৰিচালনাৰ বাবে কোনো স্থায়ী চৰকাৰী কমিটি নাছিল। ফলত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু প্ৰতিযোগিতা আয়োজন কৰাত বাধাৰ সন্মুখীন হৈছিলো। সেয়ে এতিয়া এখন উচ্চস্তৰীয় কমিটি গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই কমিটিয়ে গোটেই বছৰ মাহ ধৰি সমন্বয় তীৰ্থত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব। ইয়াৰ বাবে চৰকাৰী অনুদান প্ৰদান কৰা হ'ব।" মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "এই সকলো পৰিকল্পনা ৩-৪ মাহৰ ভিতৰত কাৰ্যকৰী কৰা হ'ব। আমি সমাধিক্ষেত্ৰখনক এক জীৱন্ত, প্ৰাণৱন্ত আৰু সৰ্বজন শ্ৰদ্ধাৰ স্থান হিচাপে গঢ়ি তোলাৰ প্ৰতিজ্ঞা কৰিছো। ইয়াক অতি গাম্ভীৰ্যপূৰ্ণ আৰু মনোমোহা ৰূপত সজাই পৰাই তুলিম।" সমাধিক্ষেত্ৰৰ পৰিসৰ বৃদ্ধি প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে কয়, "পৰিসৰ বৃদ্ধি কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহযোগিতা প্ৰয়োজন। কিন্তু বিশ্ববিদ্যালয় এখন শিক্ষানুষ্ঠান, সেয়ে তেওঁলোকৰ ওপৰত কোনো প্ৰকাৰৰ চাপ প্ৰয়োগ কৰিবলৈ মই ইচ্ছুক নহয়। বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নিজে আগবাঢ়ি আহিলে মই নিশ্চয় স্বাগতম জনাম। কিন্তু নিজৰ তৰফৰ পৰা মই তেওঁলোকক এই বিষয়ে অনুৰোধ জনাব বিচৰা নাই।" উল্লেখযোগ্য যে ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰখন অসমৰ বাবে এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক ঐতিহ্য। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পৰিদৰ্শন আৰু পৰিকল্পনাৰ জৰিয়তে সুধাকণ্ঠৰ স্মৃতিক চিৰসেউজ কৰি ৰখাৰ প্ৰতিশ্ৰুতি দিছে।

## নিৰ্মল লাংথাছা APCCৰ অনুসূচিত

বিভাগটোৰ বাবে প্ৰস্তাৱিত বিষয়ববীয়াৰ সমিতিখনক তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰাৰ অনুমোদনো দিয়ে গগৈয়ে। নতুনকৈ গঠিত এই সমিতিখনত উপদেষ্টা, ভাইচ চেয়াৰমেন, যুটীয়া আহ্বায়ক আৰু কেইবাগৰাকীও সদস্যক অন্তৰ্ভুক্ত কৰা হৈছে। সমিতিখনৰ উপদেষ্টা হিচাপে ক্ৰমে বলিন কুলী, প্ৰণয় ৰাভা, প্ৰাণেশ্বৰ বসুমতাৰী, মোহন বসুমতাৰী, মানসিং ৰংপি, নন্দিতা গাৰ্লোছা, যাদৱ স্বৰ্গীয়াৰী, জগত সিং ইংতি আৰু প্ৰফুল্ল বড়ো নিযুক্তি প্ৰাপ্ত হয়। ভাইচ চেয়াৰমেনৰ দায়িত্ব দিয়া হৈছে কিশোৰ ব্ৰহ্ম, বিদ্যা সিং ৰংপি, বশিষ্ঠ মুনি ৰামদে, ৰমেন সিং ৰাভা, শৈলেন সোণোৱাল, ছেপালী মাৰাক আৰু আনন্দ নৰহলৈ। ইফালে, যুটীয়া আহ্বায়ক হিচাপে নিযুক্তি পায় শংকৰ কুটুম, ইন্দ্ৰনীল পেগু, দেৱী বড়ো, মাৰ্শ্বিলা চাংমা, সঞ্জীৱ ৰাভা, ধৰ্মেন্দ্ৰ বৰদলৈ, সৰিকা বসুমতাৰী, সঞ্জীৱ টেৰণ আৰু তৰুণ ৰাভা। সমিতিখনৰ সদস্য হিচাপে নিৰ্বাচিত হোৱা লোকসকল হৈছে-সঞ্জীৱ ৰাৰেই, ৰঞ্জন ৰাভা, পূৰ্ণিমা ৰংহাংপি, নিৰজ বৰদলৈ, গীতা পাতিৰ, বালিৰাম বড়ো, মাৰ্কলাইন মাৰাক, প্ৰাণদীপ মিলি, অজয় ৰাভা, ওৱাই ৰাভা, তৃষ্ণা পেগু দলে, লালজশ্বোৱা বাইটে, গছপেল মাৰ, ইলামহুইং দাইমে, নয়ন বিমুংগ ব্ৰহ্ম, ইন্দ্ৰজিত পেগু, অবিনাশ ব্ৰহ্ম, বিজয় পেগু, ধনেশ্বৰ বড়ো আৰু ৰাফেল দৈমাৰী। APCC সূত্ৰে জানিবলৈ দিয়ে যে অনুসূচিত জনজাতি সম্প্ৰদায়ৰ অধিকাৰ, উন্নয়ন আৰু ৰাজনৈতিক অংশীদাৰিত্ব সুদৃঢ় কৰাৰ লক্ষ্যৰেই এই সমিতি গঠন কৰা হৈছে। অধ্যক্ষ নিৰ্মল লাংথাছাই নতুন দায়িত্ব গ্ৰহণ কৰি সম্প্ৰদায়টোৰ বাবে কংগ্ৰেছ দলৰ ভূমিকা অধিক ফলপ্ৰসূ কৰি তোলাৰ অঙ্গীকাৰ ব্যক্ত কৰে। বিভাগটোৰ কাৰ্যক্ৰম আগন্তুক দিনত অধিক গতিশীল হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

## গেলেকীৰ বিষ্ণুপুৰত ONGCৰ

ফলত অঞ্চলটোত সৃষ্টি হৈছে এক ভয়াৱহ পৰিস্থিতি। কেইবাদিনো অতিবাহিত হোৱাৰ পিছতো গেছ নিৰ্গমন বন্ধ কৰিবলৈ সক্ষম নোহোৱাত স্থানীয় বাসিন্দাসকলৰ মাজত তীব্ৰ আতংক বিৰাজ কৰিছে। জানিব পৰা মতে, পাইপলাইনৰ পৰা নিৰন্তৰ গেছ নিৰ্গমন হোৱাৰ বাবে ONGC কৰ্তৃপক্ষই স্থানীয় লোকসকলক নিজৰ ঘৰত জুই নজ্বলাবলৈ কঠোৰ নিৰ্দেশ দিছে। এই নিৰ্দেশৰ পাছতেই গাঁওখনত এতিয়া তীব্ৰ খাদ্য সংকটৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, বিগত দুদিন ধৰি মহাৰত্ন কোম্পানীটোৱে কিছু খাদ্য-সামগ্ৰী বিতৰণ কৰিছিল যদিও সেয়া পৰ্যাপ্ত নাছিল আৰু গাঁৱৰ সকলো লোকক সামৰি ল'ব পৰা নাছিল। আজি পুৱাৰ পৰা কোনো ধৰণৰ খাদ্য সামগ্ৰী বিতৰণ নকৰাত ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি, খত্বগুট্ৰ কৰ্তৃপক্ষই এই গুৰুতৰ ঘটনাটোৰ সন্দৰ্ভত আজিও ৰাইজক সবিশেষ অৱগত কৰা নাই। আচলতে কি ধৰণৰ গেছ নিৰ্গমন হৈছে বা ইয়াৰ পৰা কিমান বিপদ হ'ব পাৰে, সেই বিষয়ে আনুষ্ঠানিকভাৱে একো নজোনোৱাত ৰাইজ অধিক বিমোৰত পৰিছে। এই সমস্যা কেতিয়ালৈ সমাধান হ'ব, সেই বিষয়েও কোনো উত্তৰ নাই কৰ্তৃপক্ষৰ হাতত। ৰাইজৰ ক্ষোভ, বছৰ বছৰ ধৰি পুৰণি হৈ পৰা পাইপসমূহ সলনি নকৰাৰ বাবেই এই অঘটন ঘটিছে। পাইপলাইনৰ তদাৰকীত কৰ্তৃপক্ষই চৰম অৱহেলা প্ৰদৰ্শন কৰাৰ অভিযোগ তুলিছে ভুক্তভোগী ৰাইজে। এই নিৰ্গমনৰ ফলত যিকোনো মুহূৰ্ততে এক বৃহৎ অগ্নিকাণ্ডৰ দৰে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই স্থানীয় লোকৰ টোপনি হৰণ কৰিছে। ইয়াৰ উপৰি, স্থানীয় এখন ব্ৰইলাৰ ফাৰ্মৰ লগতে কাষৰীয়া অঞ্চলৰ পশুধন আৰু মানুহৰ জীৱনলৈও ভাবুকি নামি আহিছে। ইতিমধ্যে ঘটনাস্থলীত ONGC-ৰ কৰ্তৃপক্ষই গেছ নিৰ্গমন বন্ধ কৰিবলৈ প্ৰচেষ্টা চলাইছে যদিও বৰ্তমানলৈ কোনো সুফল পোৱা হোৱা নাই। অতিশীঘ্ৰে গেছ নিৰ্গমন বন্ধ কৰি অঞ্চলটোৰ সুৰক্ষা নিশ্চিত কৰিবলৈ দাবী জনাইছে স্থানীয় ৰাইজে।

## সাংবাদিকৰ প্ৰতি দুব্যৱহাৰৰ

কৰাৰ বাবে অসন্মানজনক আচৰণ কৰে। একেদৰে লখিমপুৰ জিলাৰ সাংবাদিক অঞ্জন উপাধ্যায়ক দুৰ্নীতি সম্পৰ্কীয় বাতৰি পৰিৱেশন কৰাৰ অপৰাধত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ ঘটনায়ো সাংবাদিক সমাজত প্ৰচণ্ড ক্ষোভৰ সৃষ্টি কৰে। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতা আৰু সাধাৰণ সম্পাদক অমৰেন্দ্ৰ ডেকাৰ নেতৃত্বত অনুষ্ঠিত এই সভাত প্ৰাগজ্যোতিষপুৰ প্ৰেছ ক্লাব, পূব-গুৱাহাটী প্ৰেছক্লাব, বশিষ্ঠ প্ৰেছক্লাব, অসম বাৰ্তাজীৱি সংঘ আৰু জাৰ্নেলিষ্ট ইউনিয়ন অফ আছামৰ প্ৰতিনিধিসকল উপস্থিত থাকে। গুৱাহাটীস্থিত বিভিন্ন সংবাদ মাধ্যমৰ সাংবাদিক-সংবাদকৰ্মীসকলে সভাত যোগদান কৰি নিজৰ বক্তব্য আগবঢ়ায়। সভাত বক্তাসকলে স্পষ্টভাৱে উল্লেখ কৰে যে জনস্বাৰ্থৰ প্ৰশ্ন সোধাটো সাংবাদিকৰ পেছাদাৰী দায়িত্ব আৰু গণতান্ত্ৰিক অধিকাৰ। কিন্তু এই অধিকাৰ প্ৰয়োগ কৰাৰ বাবেই যদি কোনো সাংবাদিকক অপৰাধীৰ দৰে ব্যৱহাৰ বা মানসিকভাৱে অভিযুক্ত কৰা হয়, তেন্তে সেয়া কেৱল ব্যক্তিগত অসৌজন্যই নহয়, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু সাংবাদিকতাৰ মৌলিক মূল্যবোধৰ প্ৰতি প্ৰত্যাহ্বান। সাংবাদিকসকলে ডিচিপি সন্তাৰী মিশ্ৰৰ বিৰুদ্ধে নিৰপেক্ষ তদন্তৰ দাবী জনায় আৰু তেওঁক উপযুক্ত শাস্তি প্ৰদানৰ আহ্বান জনায়। লগতে ভৱিষ্যতে কোনো সাংবাদিকে নিজৰ পেছাদাৰী দায়িত্ব পালন কৰোঁতে এনে ধৰণৰ অসন্মানৰ সন্মুখীন নহয়, তাৰ বাবে সুস্পষ্ট নীতি আৰু আচৰণ বিধি প্ৰণয়ন কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনায়। লখিমপুৰৰ ঘটনা প্ৰসংগত বক্তাসকলে কয় যে সংবাদ পৰিৱেশনৰ বাবেই যদি কোনো সাংবাদিকক প্ৰতিহিংসামূলকভাৱে আইনী কাৰবাৰৰ সন্মুখীন কৰা হয়, তেন্তে সেয়া অতি গুৰুতৰ উদ্বেগৰ বিষয়। তেওঁলোকে অঞ্জন উপাধ্যায়ৰ গ্ৰেপ্তাৰৰ ঘটনাৰো নিৰপেক্ষ আৰু স্বচ্ছ তদন্তৰ দাবী কৰে। লগতে যদি এই গ্ৰেপ্তাৰ প্ৰক্ৰিয়াত ক্ষমতাৰ অপব্যৱহাৰ বা পক্ষপাতিত্ব ধৰা পৰে, তেন্তে তাৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়। উপাধ্যায়ক ন্যায়িক সাহায্য আৰু বৈধ আইনী সুবিধা প্ৰদান কৰিবলৈও সভাই দাবী উত্থাপন কৰে। সভাৰ শেষত গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি খগেন কলিতাই কয়, "সাংবাদিকক ভয় দেখুৱাই বা হাৰাশাস্তি কৰি গণতন্ত্ৰ শক্তিশালী কৰিব নোৱাৰি। সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষা কৰাটো গণতন্ত্ৰৰ অন্যতম মূল ভেটি। সেয়ে সাংবাদিকৰ পেছাদাৰী মৰ্যাদা, মত প্ৰকাশৰ স্বাধীনতা আৰু প্ৰশ্ন কৰাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই জৰুৰীভিত্তিতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।" সভাত উপস্থিত সাংবাদিকসকলে সৰ্বসন্মতিক্ৰমে এই প্ৰস্তাৱ গ্ৰহণ কৰে যে আগন্তুক দিনত যদি এনে কোনো ঘটনা পুনৰাবৃত্তি হয়, তেন্তে সাংবাদিক সংগঠনসমূহে একত্ৰিত হৈ আৰু বহল পৰিসৰৰ প্ৰতিবাদ আন্দোলন গঢ়ি তোলা হ'ব।

## অবৈধ খনিজ ব্যৱসায়ীৰ বিৰুদ্ধে

হয়। এই সংশোধনীৰ জৰিয়তে অবৈধ খনিজ ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ বলৱৎ ব্যৱস্থা লোৱাৰ লগতে বৰ্ষা কালতো খনিজ যোগান অব্যাহত ৰখাৰ বাবে বিশেষ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই সংশোধনীৰ প্ৰয়োজনীয়তা স্পষ্ট কৰি কয় যে, খনিজ সম্পদৰ সুশৃংখল ব্যৱস্থাপনা, অধিক স্বচ্ছতা আৰু ৰাজ্যৰ ৰাজহ সুৰক্ষিত কৰাত এই সিদ্ধান্ত অতি গুৰুত্বপূৰ্ণ। তেওঁ উল্লেখ কৰে যে এই সংশোধনীৰ বলতে বহিঃৰাজ্যৰ পৰা অহা গৌণ খনিজসমূহৰ নিৰীক্ষণ সহজ হ'ব আৰু ৰয়েল্টী তথা জিএছটি আগতীয়াকৈ পৰিশোধ কৰাটো বাধ্যতামূলক কৰা হৈছে। লগতে অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে কঠোৰ আইনী প্ৰক্ৰিয়া অধিক শক্তিশালী ৰূপ ল'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টীকৰণ দিয়ে। পঁতন নিয়ম অনুসৰি, অসমৰ বাহিৰৰ পৰা বালি আৰু শিল কঢ়িয়াই অনা প্ৰতিখন বাহনৰ পৰা প্ৰতি টনমানে ১৫০ টকাকৈ যাত্ৰা অনুমতি মাচুল (পাৰ্মিট ফি) আদায় কৰা হ'ব। লগতে ৰাজ্যত প্ৰৱেশ কৰাৰ পূৰ্বেই সেই খনিজসমূহৰ ৰয়েল্টী আৰু জিএছটি পৰিশোধ কৰাটো আৱশ্যিক কৰি তোলা হৈছে। বৰষুণৰ সময়ত খনিজ যোগান অব্যাহত ৰাখিবলৈ অনুমোদিত খনন লীজ এলেকাৰ ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ষ্টকয়াৰ্ড স্থাপনৰ অনুমতি প্ৰদান কৰা হৈছে। ইয়াৰ উপৰিও অধিকাৰ শুল্ক উলংঘন কৰা বাহন আৰু ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ বলৱৎ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই পদক্ষেপে বৈধ ব্যৱসায়িক উৎসাহিত কৰাৰ লগতে ৰাজ্যৰ ৰাজহ বৃদ্ধি, খনিজ সম্পদৰ উপযুক্ত ব্যৱহাৰ আৰু সুশাসনক অধিক সুদৃঢ় কৰি তুলিব। অসম চৰকাৰে খনিজ বিধিৰ আধুনিকীকৰণৰ জৰিয়তে স্বচ্ছতা আৰু ৰাজহ সংগ্ৰহ বৃদ্ধিৰ লক্ষ্য স্থিৰ কৰিছে। গতিকে অসমলৈ খনিজ সামগ্ৰী আমদানি কৰা ব্যৱসায়ীসকল এই নতুন নিয়মাৱলী মানি চলিব লাগিব, অন্যথা তেওঁলোকক আইনী প্ৰক্ৰিয়াৰ সন্মুখীন হ'ব লগা মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে সকীয়নি দিয়ে।

## অসমৰ বাজেটে ৰাজ্যখনক শীৰ্ষ

মাজতে শনিবাৰে কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এক গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত এখন অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয় যে এই বাজেটে অসমক আগন্তুক দিনত ভাৰতৰ শীৰ্ষ পাঁচখন উন্নত ৰাজ্যৰ মৰ্যাদা দিব। মন্ত্ৰী সোণোৱালে স্পষ্টভাৱে কয়, "অসম চৰকাৰৰ নতুন বাজেটখন অতি দৃষ্টিভংগী সম্পন্ন। ই অসমক বহু দূৰলৈ আগুৱাই নিব। বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম-সকলো অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক এই বাজেটৰ পৰা উপকৃত হ'ব। অসম ইতিমধ্যে অৰ্থনৈতিক দিশত দ্ৰুতগতিত আগবাঢ়ি থকা ৰাজ্য হিচাপে পৰিচিত। এই বাজেটে সেই গতি আৰু ত্বৰান্বিত কৰিব।" তেওঁ ৰাইজক আহ্বান জনায় যে চৰকাৰে ৰাজ্যক আগুৱাই নিবলৈ লোৱা পদক্ষেপসমূহত আন্তৰিক সহযোগিতা আগবঢ়োৱাটো প্ৰত্যেক নাগৰিকৰ কৰ্তব্য। ইপিনে, ৰাজ্যিক বিজেপি সংগঠনে আয়োজন কৰা 'পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান-২০২৬'ৰ জিলা পৰ্যায়ৰ দ্বি-দিৱসীয়া কাৰ্যসূচী ডিব্ৰুগড়ত শনিবাৰৰ পৰা আৰম্ভ হয়। বিজেপিৰ মাণ্ডলিক কাৰ্যালয়ত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰৰ উদ্দেশ্য হৈছে দলীয় কৰ্মীসকলক সক্ৰিয় আৰু জনসেৱাৰ মনোভাৱেৰে শক্তিশালী কৰি তোলা। জিলা বিজেপি সভাপতি দুলাল বৰাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীখন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰে। উদ্বোধনী ভাষণত সোণোৱালে পণ্ডিত দীনদয়াল উপাধ্যায়ৰ 'একাত্ম মানৱতাবাদ' আৰু 'অন্তৰোদয়'ৰ আদৰ্শৰ ওপৰত আলোকপাত কৰে। তেওঁ দলীয় কাৰ্যকৰ্তাসকলক সেৱা আৰু সমৰ্পণৰ মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। এই প্ৰশিক্ষণ শিবিৰত শতাধিক বিজেপি কৰ্মীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, বিধায়ক প্ৰশান্ত ফুকন, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকাকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত থাকে।

## আৰক্ষী ৰিজাৰ্ভ আৰু

এই স্থানত মাত্ৰ এশৰ পৰা ডেৰশ বিষয়াই কাৰ্যনিৰ্বাহ কৰিব পাৰিছিল। কিন্তু নতুন ভৱন সম্পূৰ্ণ হ'লে ইয়াত ৬০০ গৰাকী পৰিদৰ্শক, উপ-পৰিদৰ্শক আৰু জোৱানে স্থান পাব। লগতে ইয়াত এখন বিদ্যালয়, মন্দিৰ, নামঘৰ আৰু খেলপথাৰো নিৰ্মাণ কৰা হৈছে। গুৱাহাটী পুলিচ ৰিজাৰ্ভৰ কাৰ্যালয়ও এই প্ৰকল্পৰ অন্তৰ্ভুক্ত। ইয়াৰ উপৰি ৪২ গৰাকী আৰক্ষী বিষয়াৰ বাবে পৃথক অফিচাৰ মেছ নিৰ্মাণ কৰা হৈছে। দীৰ্ঘদিনৰ সমস্যা সমাধান কৰি গুৱাহাটী আৰক্ষীৰ সকলো বাহন ৰখাৰ বাবে বহুতলীয়া কাৰ পাৰ্কিঙৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে নিৰ্মাণ কাৰ্য ডিচেম্বৰ মাহৰ পৰা জানুৱাৰী মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম ৰাজ্যিক চিৰিয়াখানাত উপস্থিত হয়। ৩৬০ কোটি টকা ব্যয় কৰি চিৰিয়াখানা খনৰ আধুনিকীকৰণৰ কাম হাতত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পৰ অধীনত দৰ্শকৰ সুবিধাৰ লগতে জীৱ-জন্তুৰ স্বাস্থ্য আৰু নিৰাপত্তাৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হৈছে। অত্যাধুনিক ভেটেৰিনেৰী হাস্পতাল, জীৱ-জন্তু উদ্ধাৰ কেন্দ্ৰ আৰু উন্নত মানৰ এনক্লোজাৰ নিৰ্মাণ কৰা হৈছে। এতিয়ালৈকে প্ৰায় ২৭ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। তেওঁ বিভাগীয় বিষয়াসকলক দেশৰ আন ডাঙৰ ডাঙৰ চিৰিয়াখানাসমূহ পৰিদৰ্শন কৰি সেইবোৰৰ ভাল উপাদানসমূহ অসমৰ চিৰিয়াখানাত সংযোজন কৰিবলৈ পৰামৰ্শ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে আধুনিকীকৰণৰ কাম সম্পূৰ্ণ হ'লে ৰাজ্যিক চিৰিয়াখানাখনে এখন আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ পৰ্যটন কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিব। ইফালে, এই দুয়োখনি প্ৰকল্প পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীয়ে নিৰ্মাণৰ মান আৰু গুণগত মানদণ্ড ৰক্ষা কৰিবলৈ নিৰ্মাণ সংস্থাসমূহক নিৰ্দেশ দিয়াৰ লগতে সময়সূচী মতে কাম শেষ কৰিবলৈ আহ্বান জনায়। ৰাজ্য চৰকাৰে অতি সোনকালে এই প্ৰকল্প দুখনি সম্পূৰ্ণ কৰি জনসাধাৰণৰ সুবিধাৰ বাবে মুকলি কৰি দিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টীকৰণ দিয়ে।

## নিজৰ নাক কাটি সতিনীৰ যাত্ৰা

কৰক।" এই মন্তব্যক তীক্ষ্ণ সমালোচনা কৰি মীৰা বৰঠাকুৰে কয় যে পৰেশ বৰুৱা কেন্দ্ৰীয় চৰকাৰে নিষিদ্ধ ঘোষণা কৰা উগ্ৰবাদী সংগঠন 'ইউনাইটেড লিবাৰেচন ফ্ৰণ্ট অফ আছম' (উলফা)-ৰ সেনাধ্যক্ষ। এনে এজন ব্যক্তিক মুখ্যমন্ত্ৰীগৰাকীয়ে নিজেই 'বিপ্লৱী' সাজি তেওঁৰ ছবি অংকন কৰিবলৈ উৎসাহিত কৰাটো অতি দুৰ্ভাগ্যজনক বুলি তেওঁ অভিহিত কৰে। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে লগতে কয়, "মুখ্যমন্ত্ৰী গৃহ বিভাগৰ দায়িত্বও সাম্ভালে। তেওঁ যদি নিজেই নিষিদ্ধ সংগঠনৰ সেনাধ্যক্ষক বিপ্লৱী বুলি ছবি অংকন কৰিবলৈ কয়, তেন্তে কাইলৈ যুৱ-প্ৰজন্মই পৰেশ বৰুৱাক আদৰ্শ হিচাপে গ্ৰহণ কৰি একে পথে আগবাঢ়িলে তাৰ দায়িত্ব কোনে ল'ব? আলফাৰ কথা কৈ ফেচবুকত লাইক দিলেও পুলিচে গ্ৰেপ্তাৰ কৰে। তেন্তে মুখ্যমন্ত্ৰীগৰাকীয়ে উচটনিমূলক মন্তব্য কৰিলে তেওঁক কিয় গ্ৰেপ্তাৰ নকৰে?" মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰীক প্ৰত্যক্ষভাৱে সম্বোধন কৰি কয়, "আপুনি যিখন চকীত বহি আছে, সেইখন অতি গুৰু-গাম্ভীৰ্যপূৰ্ণ চকী। সেই চকীত বহি উচটনিমূলক ভাষণ দিয়ে কেনে? আপুনি যুৱপ্ৰজন্মক বিপথে পৰিচালিত কৰিব বিচাৰিছে নেকি?" তেওঁ লগতে কয়, "বিধানসভাত ছিণ্ডিকেটৰ বিষয় আহিলত এই প্ৰসংগটো অন্য পিনে নিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে এনে গৰ্হিত মন্তব্য কৰে। যদি এই কথাষাৰ আন কোনো ব্যক্তিয়ে ক'লেহেঁতেন, কালি পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰি নিছিল নে নাই?" কংগ্ৰেছ নেত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীক সকীয়াই দিয়ে যে তেওঁ বহু সময়ত বিভিন্ন প্ৰকাৰৰ অমূলক মন্তব্য কৰে। "মই মুখ্যমন্ত্ৰীক কৈছোঁ-নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা কাম নকৰিব। বেলেগক কথা ক'বলৈ যাওঁতে আপুনি নিজেই কি কৈ আছে তাৰ ওপৰত চিন্তা কৰাৰ সময় আহি পাইছে, "বুলি তেওঁ কটাক্ষপূৰ্ণ ভাষাত মন্তব্য কৰে।

## মণিপুৰৰ কান্তো ছাবালত ৬০০

দোষীসকলক চিনাক্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণৰ বাবে তদন্ত আৰম্ভ কৰা হৈছে। স্থানীয় বাসিন্দাসকলে, বিশেষকৈ মেইটেই সম্প্ৰদায়ৰ লোকসকলে অভিযোগ উত্থাপন কৰে যে কুকি দুষ্কৃতিকাৰীসকলে কান্তো ছাবালৰ লেইমখোঙ অঞ্চলত মেইটেই সম্প্ৰদায়ৰ কেইবাটাও ঘৰ জ্বলাই দিছে। উল্লেখযোগ্য যে লেইমখোঙত ইতিমধ্যে সেনাবাহিনীৰ এটা শিবিৰ আছে। কিন্তু প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে নিৰাপত্তা বাহিনীয়ে অগ্নিকাণ্ডৰ সময়ত তেওঁলোকক বাধা দিয়া সত্ত্বেও কিয় দুষ্কৃতিকাৰীসকলক ৰোধ কৰা নাই। লগতে অগ্নিকাণ্ড সংঘটিত হোৱা অঞ্চলটোত স্থানীয় লোকক প্ৰৱেশ কৰাতো বাধা প্ৰদান কৰা বুলি অভিযোগ উঠে। ইফালে, নিৰাপত্তা বাহিনীয়ে জনসাধাৰণক উৰাবাতৰি বিশ্বাস নকৰিবলৈ আৰু প্ৰশাসনক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। তেওঁলোকে ৰাজ্যখনত শান্তি, সম্প্ৰীতি আৰু আইন-শৃংখলা অক্ষুণ্ণ ৰাখিবলৈ নিজৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰিছে। মণিপুৰ চৰকাৰ আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে পৰিস্থিতি ওপৰত নজৰ ৰাখিছে বুলি জানিবলৈ দিয়ে। আগন্তুক দিনত উত্তেজনা বৃদ্ধি নহ'বলৈ অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰা হ'ব বুলিও সূত্ৰই জানিবলৈ দিয়ে।

## দহ বছৰত অসমত প্ৰাকৃতিক

১৭৫জন আৰু ভূমিস্খলনত ৯৩জন লোকৰ মৃত্যু হয়। বানপানীৰ বছৰভিত্তিক পৰিসংখ্যা দাঙি ধৰি তেওঁ কয়-২০১৬:. ৬৪ জন, ২০১৭: ১৬০ জন, ২০১৮:. ৪৫ জন, ২০১৯: ১০১ জন, ২০২০: ১২৪ জন, ২০২১:. ৮ জন, ২০২২:. ১৮১ জন, ২০২৩: ১৮ জন, ২০২৪: ১১০জন আৰু ২০২৫: ২৫ জন। সেই সময়ছোৱাত ৰাজ্যখনৰ মুঠ ৫৭, ৫৬, ৭০০ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হয়। ইয়াৰ লগতে নদী খহনীয়াৰ ফলত ২, ৩১, ১০০ বিঘা মাটি নদীগৰ্ভত বিলীন হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

## ডুমডুমাত আঠটা কণীসহ উদ্ধাৰ কৰা হ'ল এডাল সাপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** কিছুদিন পূৰ্বে ডুমডুমাৰ জি. এন. বি. ৰোডৰ এটা পৰিয়ালৰ ঘৰত এডাল সাপ সোমোৱাক লৈ সৃষ্টি হয় আতংকৰ। পাছত স্থানীয় এগৰাকী যুৱকে উদ্ধাৰ কৰা এই সাপডাল 'কমন উল্ফ স্নেক' (Common Wolf Snake) বুলি নিশ্চিত কৰা হৈছে যি বিষহীন। পৰিয়ালটোৱে ঘৰৰ ভিতৰত সাপডাল প্ৰত্যক্ষ কৰি প্ৰথমতে ভয় খাইছিল, কাৰণ ই দেখাত বিষাক্ত 'কমন ক্ৰেইট' (Common Krait) সাপৰ দৰে আছিল। অৱশ্যে, পিছত সেয়া বিষহীন সাপ বুলি নিশ্চিত হোৱাৰ পিছত সকলোৱে স্বস্তিৰ নিশ্বাস পেলায়। সাপডালে ঘৰৰ ভিতৰতে ৮টা কণী পাৰিছিল। উদ্ধাৰকাৰীজনে জনোৱা অনুসৰি, কণীকেইটা এটি উপযুক্ত উষ্ণতাত ৰখা হৈছিল আৰু প্ৰায় ৯০ দিনৰ পিছত সেয়া ফুটি সাপৰ পোৱালিকেইটা ওলাই আহিছে। বৰ্তমান আঠোটা পোৱালি সুকলমে আছে আৰু বন বিভাগৰ সহযোগত এই সাপৰ পোৱালিকেইটাক অতি শীঘ্ৰেই প্ৰকৃতিৰ বুকুত এৰি দিয়া হ'ব বুলি উদ্ধাৰকাৰী যুৱকজনে জানিবলৈ দিছে।

### মহম্মদপুৰ ৰূপাকুছি সংযোগী পথৰ দুৰাৱস্থা

## পথ নিৰ্মাণৰ দাবীত ভূঁই ৰুই প্ৰতিবাদ কৃষক সভাৰ উদ্যোগত স্থানীয় ৰাইজৰ

**অসম বাৰ্তা, জনীয়া, ১১ জুলাই ঃ** বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ কাদং পঞ্চায়তৰ অন্তৰ্গত মহম্মদপুৰ ৰূপাকুছি সংযোগী পথৰ শোচনীয় অৱস্থাক কেন্দ্ৰ কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। দীৰ্ঘদিন ধৰি পথটো জৰাজীৰ্ণ হৈ থকাৰ লগতে সামান্য বৰষুণতে একাঁঠু পানী আৰু বোকা জমা হোৱাত যাতায়াত সম্পূৰ্ণ দুৰ্বিষহ হৈ পৰিছে। ফলত বিদ্যালয়গামী ছাত্ৰ-ছাত্ৰী, ৰোগী, বৃদ্ধ-বৃদ্ধা আৰু দৈনন্দিন পথচাৰীয়ে নিতৌ চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পথটোৰ দুৰৱস্থাৰ স্থায়ী সমাধানৰ দাবীত কৃষক সভাৰ উদ্দ্যোগত স্থানীয় ৰাইজে এক ব্যতিক্ৰমী প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে পথৰ মাজতে জমা হোৱা পানীত ভূঁই ৰুই চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণৰ চেষ্টা কৰে। তেওঁলোকৰ অভিযোগ, ভোটত জয়ী হোৱাৰ পাছত কোনো নেতা বা সংশ্লিষ্ট বিভাগে উক্ত পথটোৰ উন্নয়নৰ ক্ষেত্ৰত কোনো ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় ৰাইজে কয় যে, এই পথটোৱে প্ৰতিদিনে শতাধিক লোকে যাতায়াত কৰে। কিন্তু পথৰ বেয়া অৱস্থাৰ বাবে সঘনাই দুৰ্ঘটনাৰ আশংকা বৃদ্ধি পাইছে। বিশেষকৈ বৰষুণৰ বতৰত পথটো প্ৰায় অচল হৈ পৰে। প্ৰতিবাদকাৰীসকলে অতি শীঘ্ৰে পথটোৰ নিৰ্মাণ আৰু স্থায়ী মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। অন্যথা অহা দিনত অধিক তীব্ৰ গণআন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে স্থানীয় ৰাইজে।

# লেখক, সাহিত্যিক, শংকৰী কৃষ্টিৰ সাধক শোভন চন্দ্ৰ শইকীয়ালৈ গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা স্মাৰক সমাজ ৰত্ন বঁটা

**অসম বাৰ্তা, নুমলীগড়, ১১ জুলাই ঃ** গোলাঘাট জিলাৰ তথা সাহিত্য লেখক, সাহিত্যিক, শংকৰী কৃষ্টিৰ সাধক শোভন চন্দ্ৰ শইকীয়া লৈ গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা স্মাৰক সমাজ ৰত্ন বঁটা। গোলাঘাট জিলাৰ তথা সাহিত্য সাধনা ক্ষেত্ৰখনৰ এটি পৰিচিত নাম কমাগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, বিশিষ্ট লেখক, সাহিত্যিক শংকৰী সংস্কৃতিৰ সাধক তথা বনগাঁৱৰ নিবাসী শ্ৰদ্ধাৰ শোভন চন্দ্ৰ শইকীয়ালৈ আগবঢ়োৱা হয় গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা স্মাৰক সমাজ ৰত্ন বঁটা। কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ উদ্যোগত আজি লিলি দাস তালুকদাৰ ভৱন প্ৰেক্ষাগৃহত বিশিষ্ট সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য, কমাৰগাঁও সংবাদ জগতৰ মহীৰূহ গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকাৰ স্মৃতি দিৱস যথাযোগ্য মৰ্যাদাৰে উদযাপন কৰা হয়। অনুষ্ঠানৰ লগতেই তেওঁৰ স্মৃতিত "গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা স্মাৰক সমাজৰত্ন বঁটা-২০২৬" প্ৰদান কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সূচনা গীত, বিশিষ্ট অতিথিৰ চিনাকি আৰু আঁত ধৰা, স্মৃতি দিৱসৰ তাৎপৰ্য ব্যাখ্যা আদি কাৰ্যসূচী গাম্ভীৰ্যপূৰ্ণ ভাবে অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ শ্ৰীযুত শোভন চন্দ্ৰ শইকীয়াদেৱক "গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকা স্মাৰক সমাজৰত্ন বঁটা-২০২৬" প্ৰদান কৰি সন্মানিত কৰা হয়। গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকাৰ সমাজসেৱা, সাহিত্যচৰ্চা আৰু সাংবাদিকতাৰ অৱদান স্মৰণ কৰি সমাজৰ এজন প্ৰকৃত বন্ধু হেমেন চন্দ্ৰ হাজৰিকাৰ সমাজ কীৰ্তিৰ স্মৃতি ৰোমন্থন কৰে দেওপাহাৰ ইতিহাস গ্ৰন্থৰ প্ৰনেতা বিশিষ্ট লেখক অৱসৰি শিক্ষক সুৰেন গগৈয়ে। বঁটা প্ৰাপক শোভন চন্দ্ৰ শইকীয়া ডাঙৰীয়াই গণবন্ধু হেমেন চন্দ্ৰ হাজৰিকাৰ সু কৃতি বৰ্ণনা কৰি গণবন্ধু গৰাকী এটি উজ্জ্বল সমাজ সম্পদ বুলি গণ্য কৰি বহু স্মৃতি ৰোমন্থন কৰে। সভাপতিৰ সমাপনী ভাষণৰ জৰিয়তে অনুষ্ঠানৰ সফল সামৰণি পৰাৰ লগতে কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ সভাপতি পূৰ্ণ বৰুৱা আৰু সম্পাদক ৰিণ্টু দুৱৰাই সকলোকে ধন্যবাদ সহকাৰে কৃতজ্ঞতা প্ৰকাশ কৰে। অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ বিকাশত এনে স্মৃতি অনুষ্ঠান আৰু সন্মান প্ৰদান কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উপস্থিত সকলে মত প্ৰকাশ কৰে।

# তাৰাবাৰী আৰক্ষীৰ বৃহৎ সফলতা; জুৱাৰ বিৰুদ্ধে কঠোৰ অভিযান, ৯ জুৱাৰীক আটক

**৪টা মোবাইল ফোন আৰু নগদ ২,৮৬০ টকা জব্দ**

**অসম বাৰ্তা, চেঙা, ১১ জুলাই ঃ** বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীয়ে জুৱা আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অব্যাহত ৰখা কঠোৰ অভিযানৰ ফলস্বৰূপে পুনৰ এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। আৰক্ষীৰ এই অভিযানক লৈ সমগ্ৰ অঞ্চলটোত ব্যাপক চৰ্চাৰ সৃষ্টি হৈছে। আইন-শৃংখলা সুদৃঢ় কৰি ৰখাৰ লগতে সমাজৰ পৰা জুৱা, ড্ৰাগছ, চোৰাং বেহা আদি অপৰাধমূলক কাৰ্যকলাপ উৎখাত কৰাৰ লক্ষ্যৰে তাৰাবাৰী আৰক্ষীয়ে ধাৰাবাহিকভাৱে বিশেষ অভিযান চলাই আহিছে। তাৰেই অংশ হিচাপে এই সফল অভিযান সম্পন্ন কৰা হয়। জানিব পৰা মতে, গোপন সূত্ৰৰ পৰা লাভ কৰা এক নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয় আৰু উপ-পৰিদৰ্শক বিশ্বজিৎ দাসৰ নেতৃত্বত আৰক্ষীৰ এটা দলে তাৰাবাৰী থানাৰ অন্তৰ্গত ছাটা গাঁৱত অভিযান চলায়। আৰক্ষীৰ দলটোৱে অতি গোপনে ঘটনাস্থলী ঘেৰি ধৰি অভিযান আৰম্ভ কৰে। সেই সময়ত জুৱা খেলত লিপ্ত হৈ থকা কেইবাজনো লোকে আৰক্ষীক দেখি পলাই যাবলৈ চেষ্টা কৰে যদিও আৰক্ষীৰ তৎপৰতাত ৯জন জুৱাৰীক ঘটনাস্থলীৰ পৰাই হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। আটক কৰা ব্যক্তিসকল হৈছে— মইজুদ্দিন, জামাল বাদচা, মাজিবৰ আলী, আমিনুল আলী, জাহিদুল ইছলাম, আব্দুল হক, ৰহিম আলী, মহালম আলী আৰু চাজাহান আলী। আটাইকেইজনেই ছাটা গাঁৱৰ বাসিন্দা বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। অভিযানৰ সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা ৪টা মোবাইল ফোন আৰু জুৱা খেলত ব্যৱহাৰ হোৱা বুলি সন্দেহ কৰা নগদ ২, ৮৬০ টকা জব্দ কৰে। জব্দ কৰা সামগ্ৰীসমূহ আৰক্ষীয়ে নিজৰ জিম্মাত লৈ আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আটকাধীন ব্যক্তিসকলক থানালৈ আনি অধিক সোধ-পোছ চলোৱাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে প্ৰাসংগিক ধাৰাত গোচৰ ৰুজু কৰাৰ প্ৰক্ৰিয়া চলি আছে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে, তাৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত শেহতীয়া সময়ত অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে নিয়মীয়াকৈ অভিযান চলোৱা হৈছে। বিশেষকৈ জুৱা, ড্ৰাগছ, চোৰাং ব্যৱসায় আৰু অন্যান্য অবৈধ কাৰ্যকলাপৰ সৈতে জড়িত ব্যক্তিসকলৰ বিৰুদ্ধে আৰক্ষীয়ে কোনো ধৰণৰ শিথিলতা অৱলম্বন নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। স্থানীয় সচেতন মহলেও আৰক্ষীৰ এই পদক্ষেপক আদৰণি জনাইছে। সমাজত জুৱাৰ দৰে অপকাৰী অভ্যাসে বহু পৰিয়ালৰ আৰ্থিক আৰু সামাজিক ক্ষতি সাধন কৰে বুলি মত প্ৰকাশ কৰি এনে অভিযান অধিক জোৰদাৰ কৰাৰ দাবী উত্থাপন কৰিছে। আৰক্ষীয়ে স্পষ্ট কৰি দিছে যে, আগন্তুক দিনতো গোপন তথ্যৰ ভিত্তিত এনে অভিযান অব্যাহত থাকিব। আইন ভংগ কৰি কোনো ধৰণৰ অসামাজিক কাৰ্যকলাপত লিপ্ত হোৱা ব্যক্তিক কোনো ধৰণৰ ৰেহাই দিয়া নহ'ব। ঘটনাটোৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। তাৰাবাৰী আৰক্ষীৰ এই সফল অভিযানক অঞ্চলবাসীয়ে শলাগ লৈ আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আৰক্ষীৰ এনে তৎপৰতাই আগলৈও অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰিছে।

# চামগুৰিৰ ভোমোৰাগুৰিত স্বামীৰ দাৰ ঘাপত পত্নীৰ মৃত্যু

**গুৰুতৰভাৱে আহত মাতৃ**

**অসম বাৰ্তা, পুৰণিগুদাম, ১১ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনৰ শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত ভোমোৰাগুৰি অঞ্চলত আজি এজন যুৱকে দাৰে আক্ৰমণ কৰি নিজৰ পত্নীক হত্যা কৰাৰ লগতে নিজৰ মাতৃক দাৰে আক্ৰমণ কৰি গুৰুতৰভাবে আহত কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, শিৰস্থান আৰক্ষী চকীৰ অন্তৰ্গত ২ নং ভোমোৰাগুৰি অঞ্চলৰ ৰফিকুল ইছলাম (২৫) নামৰ যুৱকজনে আজি পুৱা ৫-৩০ মান বজাত বিছনাত শুই থকা অৱস্থাতে নিজৰ পত্নী খুদেজা বেগম (১৯)ক এখন দাৰে আক্ৰমণ কৰি গুৰুতৰভাবে আহত কৰে। নিজৰ পুত্ৰই বোৱাৰীক আক্ৰমণ কৰাৰ সময়ত মাতৃ মৰজিনা বেগমে হকাবাধা দিবলৈ যাওঁতে পুত্ৰই উক্ত দা খনৰে মাতৃক আক্ৰমণ কৰি গুৰুতৰভাবে আহত কৰে। ঘটনা সংঘটিত হোৱাৰ পাছত স্থানীয় লোক উক্ত স্থানত উপস্থিত হৈ পৰিয়ালৰ সহযোগত গুৰুতৰভাবে আহত হোৱা শাহু আৰু বোৱাৰীক সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ নিয়ে যদিও বাটতে বোৱাৰী খুদেজা বেগমৰ মৃত্যু হয়। আনহাতে, পুত্ৰৰ আক্ৰমণ গুৰুতৰভাবে আহত হোৱা মৰজিনা খাতুন চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ নিয়ে যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আনহাতে, পাৰিবাৰিক কন্দলৰ বাবেই দাৰে আক্ৰমণ কৰি পত্নীক হত্যা কৰাৰ লগতে নিজৰ মাতৃক আক্ৰমণ কৰি গুৰুতৰভাবে আহত কৰা ৰফিকুল ইছলামক স্থানীয় লোকে হাত-ভৰি বান্ধি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানা আৰু শিৰস্থান আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ হত্যাকাৰী ৰফিকুল ইছলামক আটক কৰাৰ লগতে উক্ত ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। স্বামীৰ দাৰ ঘাপত প্ৰাণ যোৱা খুদেজা বেগমৰ মৃতদেহটো পৰৱৰ্তী সময়ত আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# গহপুৰত বিশ্ব জনসংখ্যা দিৱস উদযাপন; সাৰথি বাহনৰ শুভাৰম্ভণী

**অসম বাৰ্তা, গহপুৰ, ১১ জুলাই ঃ** গহপুৰ সমজিলাৰ পুৱ প্ৰান্তৰ ককিলা চাৰিআলিৰ ককিলা নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি বিশ্বনাথ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু গহপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত বিশ্ব জনসংখ্যা দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ গহপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহকাৰী খণ্ড আঁচনি প্ৰবন্ধক চন্দন গগৈয়ে আঁত ধৰা বিশ্ব জনসংখ্যা দিৱস উদযাপন সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে খণ্ড সমাজ সংগঠক পুষ্পা কলিতাই। বি চি এম, এ বি পি এম, চি এইচ অ', এ এন এম, আশা চুপাৰ ভাইজাৰ, আশাকৰ্মী আৰু মাতৃ সকল উপস্থিত থকা সভাখনত বিশ্ব জনসংখ্যা দিৱসৰ তাৎপৰ্যৰ বিষয়ে গহপুৰৰ শ্বহীদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়ৰ মুখ্য স্বাস্থ্য বিষয়া ডাঃ ৰবীন্দ্ৰ নাথ দেউৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ গহপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড আঁচনি প্ৰবন্ধক হৰেণ গগৈ আৰু জিলা আঁচনি সমন্বয়ক পুলকেশ বৰাই বক্তৃতা প্ৰদান কৰে। উক্ত অনুষ্ঠানতে ৰঙাজান-শিমলুগুৰি আয়ুস্মান আৰোগ্য মন্দিৰৰ কমিউনিটি হেল্থ অফিচাৰ কুলদ্বীপ শইকীয়া আৰু আশা চুপাৰ ভাইজাৰ মঞ্জু হাজৰিকাক নিজৰ কৰ্তব্যত দেখুওৱা পাৰদৰ্শিতাৰ বাবে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে বিশ্ব জনসংখ্যা দিৱস উদযাপনৰ লগত সংগতি ৰাখি বিশ্বনাথ জিলা স্বাস্থ্য বিভাগৰ সাৰথি বাহনখনো আজি ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যৰে মুকলি কৰা হয়। সাৰথি বাহন খনৰ ফ্লেগ অফ কৰি আনুষ্ঠানিক ভাবে শুভাৰম্ভ কৰে শ্বহীদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়ৰ মুখ্য স্বাস্থ্য বিষয়া ডাঃ ৰবীন্দ্ৰ নাথ দেউৰী আৰু ককিলা নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ ৰঞ্জন শইকীয়াই।

# শ্বহীদ ৰতন কছাৰী পথৰ নাম সলনি কৰাৰ বিৰুদ্ধে নলবাৰীত তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, নলবাৰী, ১১ জুলাই ঃ** ঢেকীয়াজুলী-বাতাছিপুৰ সংযোগী শ্বহীদ ৰতন কছাৰী পথৰ নাম পৰিৱৰ্তন কৰি শ্যামাপ্ৰসাদ মুখাৰ্জীৰ নামকৰণ কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে আজি নলবাৰীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। এ আই ডি এছ অ', এ আই ইউ টি ইউ চি আৰু এ আই এম এছ এছৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত থানা চ'কৰ সন্মুখত অনুষ্ঠিত এই প্ৰতিবাদী কাৰ্যসূচীত বহু সংখ্যক লোক উপস্থিত থাকে। প্ৰতিবাদকাৰীসকলে চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি বিভিন্ন শ্লোগান দিয়ে আৰু শ্বহীদ ৰতন কছাৰীৰ নামত থকা পথৰ নাম সলনি কৰাৰ সিদ্ধান্ত অবিলম্বে বাতিল কৰাৰ দাবী জনায়। ইয়াৰ পিছতে অনুষ্ঠিত প্ৰতিবাদী সভাত এ আই ডি এছ অ'ৰ নলবাৰী জিলা সমিতিৰ সম্পাদক কুশল পেগুৱে আঁত ধৰে। সভাত ভাষণ দি সংগঠনৰ প্ৰাক্তন ৰাজ্যিক কোষাধ্যক্ষ মুনীন্দ্ৰ দলেই কয় যে স্বাধীনতা আন্দোলনত আত্মবলিদান দিয়া শ্বহীদ ৰতন কছাৰীৰ নাম মচি পেলোৱাৰ যিকোনো চেষ্টা অসমৰ সচেতন জনতাই কেতিয়াও গ্ৰহণ নকৰিব। তেওঁ চৰকাৰক অবিলম্বে পথটোৰ পূৰ্বৰ নাম বাহাল ৰাখিবলৈ দাবী জনায়। সভাত বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক জিতেন্দ্ৰ কুমাৰ জৈনেও বক্তব্য ৰাখি কয় যে স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ সন্মান অক্ষুন্ন ৰখাটো সকলোৰে দায়িত্ব। তেওঁ শ্বহীদ ৰতন কছাৰীৰ নামত থকা পথৰ নাম সলনি কৰাৰ সিদ্ধান্তৰ তীব্ৰ সমালোচনা কৰি ইয়াৰ বিৰুদ্ধে জনসাধাৰণক সোচ্চাৰ হ'বলৈ আহ্বান জনায়। প্ৰতিবাদকাৰী সংগঠনসমূহে স্পষ্টকৈ জনায় যে শ্বহীদ ৰতন কছাৰীৰ নামত থকা পথৰ নাম সলনি কৰাৰ সিদ্ধান্ত অবিলম্বে বাতিল কৰি পূৰ্বৰ নাম বাহাল ৰাখিব লাগে। অন্যথা আগন্তুক দিনত অধিক তীব্ৰ গণআন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।

# নামতিত বৃক্ষবন্ধু সমাজ আৰু প্ৰেছ ক্লাবৰ গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ

**অসম বাৰ্তা, চেলেংহাট, ১১ জুলাই ঃ** বৃক্ষবন্ধু সমাজ, নামতি চাৰিআলিৰ উদ্যোগ আৰু নামতি প্ৰেছ ক্লাবৰ সহযোগত আজি গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। শিৱসাগৰ জিলাৰ নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ সমীপত, ঐতিহাসিক খৰিকটীয়া আলিৰ কাষত ৰূপায়ণ কৰা এই কাৰ্যসূচীৰ আৰম্ভণিতে এখন সভা অনুষ্ঠিত হয়। নামতি প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল শৰ্মাই আঁত ধৰা সভাতে বহুমূলীয়া ভাষণেৰে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ দ্ৰোৰ্ণকান্ত বৰুৱাই। অনহাতে, উক্ত অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আব্দুৰ ৰহমান, অৱসৰপ্ৰাপ্ত অভিযন্তা আলহাজ হাফিজ আহমেদ, নামতি আৰক্ষী থানাৰ বিষয়া মাণিক গগৈ, সমাজকৰ্মী দিলিপ গগৈ, বৃক্ষবন্ধু সমাজৰ সভাপতি ৰচিদ আলী, সম্পাদক অজয় চুতীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল গফুৰ, সমাজকৰ্মী হাফিজউল্লাহ আহমেদ, তমিজুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল গফুৰ, সমাজকৰ্মী অপূৰ্ব বৰুৱা, বৰফুকন গাঁও পঞ্চায়তৰ সভাপতি অনুজ বৰগোঁহাই, ৱাৰ্ড সদস্যা অঞ্জুমণি আৰন্ধৰা, আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, নামতি প্ৰেছ ক্লাবৰ সম্পাদক জিয়াৰুদ্দিন আহমেদ আৰু সহঃ সম্পাদক বিশ্বজিৎ আৰন্ধৰাৰ লগতে অঞ্চলটোৰ বহু কেইগৰাকী গণ্যমাণ্য ব্যক্তি।

# শিক্ষামন্ত্ৰীৰ মন্তব্যৰ প্ৰতিক্ৰিয়া টিউটৰৰ; টেট উত্তীৰ্ণ কৰোৱাটো দায়িত্ব চৰকাৰৰহে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** অসম বিধান সভাৰ চলিত অধিৱেশনত অতি সম্প্ৰতি শিক্ষামন্ত্ৰীয়ে ২০২১ চনত প্ৰাদেশিকীকৃত টিউটৰসকলৰ সন্দৰ্ভত টেট উত্তীৰ্ণ অবিহনে নিয়মীয়াকৰণ অসম্ভৱ বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে শিক্ষাৰ মানদণ্ডৰ ক্ষেত্ৰত আপোচ কৰা নহ'ব বুলি দম্ভালিৰে কোৱা কথাত অসমৰ ৰাজহুৱা শিক্ষাখণ্ডত বিগত বিশ-ত্ৰিশ বছৰে শিক্ষক হিচাপে সেৱা আগবঢ়াই অহা আৰু বৰ্তমান প্ৰাদেশিকীকৃত টিউটৰসকলক হতভম্ব কৰি তুলিছে। শিক্ষামন্ত্ৰীয়ে শিক্ষকৰ যোগ্যতা সমন্ধীয় কেন্দ্ৰীয় আইন অনুসৰি থাকিব লগা শিক্ষাগত আৰু বৃত্তিগত যোগ্যতাসমূহ আহৰণ কৰাটো টিউটৰৰহে দায়িত্ব যেন বুলি সদনত বুজাব খুজিছে। প্ৰাদেশিকীকৰণ আইনৰ প্ৰতিটো ধাৰা আৰু উপধাৰা মনত ৰখা শিক্ষামন্ত্ৰীয়ে কিছুমান ধাৰাৰ ক্ষেত্ৰত মৌন বা ফালৰি কাটি বিষয়টো এনেভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে যে সেৱাকালীন টিউটৰৰ যোগ্যতা আহৰণৰ সমস্ত দায়িত্ব টিউটৰসকলৰ নিজা, চৰকাৰৰ কৰণীয় যেন একোৱেই নাই। শিক্ষামন্ত্ৰীয়ে সমস্যাটো পিঠি দি টিউটৰসকলক বঞ্চনা, প্ৰতাৰণা কৰিব পাৰিব। প্ৰাদেশিকীকৰণ আইনৰ নিৰ্দিষ্ট ধাৰা ৭(১) অনুসৰি প্ৰাদেশিকীকৰণ তাৰিখৰ পৰা সাত বছৰৰ ভিতৰত টিউটৰসকলৰ যোগ্যতা আহৰণত চৰকাৰৰ দায়বদ্ধতা আৰু ২০১৭ চনত অসম বিধান সভাত দাখিল কৰা শ্বেতপত্ৰত উল্লেখ অনুসৰি উল্লিখিত যোগ্যতাসমূহ আহৰণৰ বাবে সুবিধা প্ৰদানৰ বিষয়টো বিগত দিনত নকৰি টিউটৰসকলক অৱসৰ দুৱাৰদলিত উপনীত কৰোৱাইছে। শিক্ষামন্ত্ৰীয়ে ইচ্ছাকৃতভাৱে আইন আৰু শ্বেতপত্ৰৰ সত্য কথাবোৰ ৰূপায়ণ নকৰি টিউটৰক উপেক্ষা কৰিব পাৰিব, কিন্তু অসমৰ ৰাজহুৱা শিক্ষাখণ্ডলৈ টিউটৰসকলে আগবঢ়োৱা অৱদানক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰিব। শিক্ষামন্ত্ৰীয়ে একে সময়তে শিক্ষাৰ গুণগত মানদণ্ডৰ লগত টিউটৰৰ নিয়মীয়াকৰণৰ বিষয়টো একাকাৰ কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ভুক্তভুগী টিউটৰ তিনিচুকীয়াৰ প্ৰদীপ কুমাৰ মৰাণ, ডিব্ৰুগড়ৰ চৰিত্ৰ গগৈ আৰু গোলাঘাটৰ অতুল বৰাই কাকতলৈ দিয়া এক বিবৃতিত উল্লেখ কৰে যে শিক্ষামন্ত্ৰীয়ে টেটবিহীন টিউটৰসকলক পাকে-প্ৰকাৰণ্তে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ পৰা নিলগাই এক ধৰণৰ মৰ্যাদাহানিকৰ লেবেল মাৰিবলৈ চেষ্টা কৰিছে। প্ৰাদেশিকীকৃত টিউটৰসকল বৰ্তমান গুণগত শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত হৈ আহিছে। গুণগত ব্যৱস্থাৰ প্ৰতি আস্থাশীল আৰু বিগত দিনত অনুষ্ঠিত গুণোৎসৱত বহু বিদ্যালয়ে ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হোৱাৰ পিছতো এনে ধৰণৰ মন্তব্য পৰা বিৰত থাকিবলৈ শিক্ষামন্ত্ৰীৰ প্ৰতি আহ্বান জনোৱাৰ লগতে উল্লেখ কৰে যে ৰাজ্যপালৰ অধিসূচনা অনুসৰি পূৰ্বৰ ধৰণে শিক্ষাদান কৰিবলৈ কোৱাৰ ধৰণেৰে টিউটৰসকল শিক্ষাব্ৰতী হৈ আহিছে। বিবৃতিটোত লগতে উল্লেখ কৰা হৈছে যে প্ৰতিটো নিযুক্তি সেই সময়ৰ শিক্ষা ব্যৱস্থাৰ নিয়মৰ অধীনত হয়। বিদ্যালয়ৰ পৰিচালনা সমিতি বা গৰ্ভনিং বডি সমূহে তিনি দশকৰ আগতে নিযুক্তি দিয়া আৰু শিক্ষা বিষয়াসকলে অনুমোদনৰ সময়ত টেট ব্যৱস্থা নাছিলেই। এটা ব্যৱস্থাৰ দ্বাৰা নিযুক্তি প্ৰদান প্ৰক্ৰিয়া আন এটা ব্যৱস্থাৰ দ্বাৰা নাকচৰ পৰিঘটনাই ভৱিষ্যতেও তেনে পৰম্পৰা বাট মুকলি কৰে। প্ৰাদেশিকীকৰণ আইনত নিয়মীয়াকৰণ শব্দ নাই, উন্নীতকৰণহে আছে। শিক্ষামন্ত্ৰীয়ে নিয়মীয়াকৰণ ওপৰত গুৰুত্ব দি আইনমতে উন্নীতকৰণ বিষয়টো তল পেলাব খুজিছে। অসমৰ ৰাজহুৱা শিক্ষাখণ্ডৰ প্ৰতি জীৱন আহুতি দিয়া টিউটৰসকলে আইনমতে দিব নোৱাৰা বস্তু বিচৰা নাই, বৰঞ্চ কোনোদিনে নিবিচৰা কেৱল ছয় শতাংশ মজুৰি বৃদ্ধিৰ বাবে আইন সংশোধন ঘটাই মজুৰি বৃদ্ধিৰ প্ৰসংগ আহিলেই বাৰ্ষিক ছয় শতাংশ বিষয়টো সজোৰে বক্তব্য ৰাখি সমস্যাৰ সামৰণি মাৰে। প্ৰকৃততে যে এজন মধ্য ইংৰাজী বিদ্যালয়ত কৰ্মৰত টিউটৰৰ মাহিলী মজুৰি বাৰ হেজাৰ টকাৰ সৈতে বাৰ্ষিক ছয় শতাংশ বৃদ্ধি মানে আৰু ৭২০ টকাহে যোগ হৈ মাহিলী মজুৰি ১২, ৭২০ টকাহে হ'ব, এই অংকটো শিক্ষামন্ত্ৰীয়ে সদনত কিয় ঘোষণা কৰিব নোৱাৰে। কেইবাগৰাকীও বিৰোধী বিধায়কে টিউটৰৰ সমস্যাসমূহ সদনত উত্থাপন কৰিছে যদিও টিউটৰৰ ভৱিষ্যত পৰিপন্থী ৰূপত অৱতীৰ্ণ হৈ এইজন শিক্ষামন্ত্ৰীয়ে পূৰ্বৰে পৰাই সদনক বিপথে পৰিচালিত কৰি আহিছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে।

# দৈয়াংত ছাত্ৰ সন্থাৰ উদ্যোগত গ্ৰীষ্মকালীন পাঠদান আৰম্ভ

**অসম বাৰ্তা, মেৰাপানী, ১১ জুলাই ঃ** ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত আগবঢ়াই নিয়া আৰু বন্ধৰ সময়ছোৱাত তেওঁলোকক পঢ়া-শুনাৰ প্ৰতি মনোযোগ ধৰি ৰখাৰ উদ্দেশ্যে দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মধ্য দৈয়াং স্থানীয় গোট ছাত্ৰ সন্থাৰ সহযোগত এক গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচী আৰম্ভ হৈছে। যোৱা ১ জুলাইৰ পৰা ২০ জুলাই লৈকে দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই পাঠদান কাৰ্যসূচী চলাই থকা হৈছে। বিশেষকৈ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক লক্ষ্য কৰি আয়োজন কৰা এই শিবিৰত ইংৰাজী, বিজ্ঞান আৰু গণিত বিষয়ৰ বিশেষ পাঠদানৰ ব্যৱস্থা কৰা হৈছে। অঞ্চলটোৰ চৰকাৰী আৰু বেচৰকাৰী দুয়োখন বিদ্যালয়ৰে শিক্ষাৰ্থীসকলে ইয়াত অংশগ্ৰহণ কৰি অধ্যয়নৰ সুযোগ লাভ কৰিব পাৰে। এইগ্ৰীষ্মকালীন পাঠদানৰ শুভাৰম্ভণি অনুষ্ঠানত গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জীৱ সোণোৱাল, প্ৰাক্তন ছাত্ৰ নেতা তথা দৈয়াং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা গোলাঘাট জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি প্ৰবীণ গগৈ, দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সৈনক চক্ৰৱৰ্তী আৰু ভাৰপ্ৰাপ্ত সম্পাদক শৰৎ বৰা উপস্থিত থাকে। উদ্যোক্তাসকলে জনোৱা মতে, দৈয়াং অঞ্চলৰ কেইবাখনো আগশাৰীৰ শিক্ষানুষ্ঠানৰ অভিজ্ঞ শিক্ষকৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰা হৈছে। এই কাৰ্যসূচীত সমল ব্যক্তি হিচাপে শিক্ষাৰ্থীসকলক পাঠদান আগবঢ়াইছে ক্ৰমে চাবিৰ হুছেইন (MSC, BED), ৰাজ প্ৰসাদ (স্নাতক, BED) আৰু বিমান শইকীয়া (BSC, BED)-ই। ছাত্ৰ সন্থাৰ এই ইতিবাচক পদক্ষেপক স্থানীয় ৰাইজে আদৰণি জনাইছে।

# মাজুলীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জুলাই ঃ** মাজুলীৰ কঠমীয়া গাঁৱৰ আৰোহণ যুৱক সংঘৰ উদ্যোগত আৰু আদিত্য ছুপাৰস্পেচিয়েলিটি হস্পিতাল, ডিব্ৰুগড়ৰ সহযোগত আজি ৯৯ নং কখালখোৱা কঠমীয়া প্ৰাথমিক বিদ্যালয় চৌহদত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰ সফলতাৰে অনুষ্ঠিত হয়। শিবিৰত ডাঃ ইন্দিৰা নেওগ, বিতুপন শৰ্মা (চকুৰ চিকিৎসক), অৱনি বৰা (কেম্প ইনচাৰ্জ) আৰু ৰাণা মিত্ৰ (সহকাৰী) উপস্থিত থাকি ৰোগীসকলৰ চকু পৰীক্ষা, স্বাস্থ্য পৰামৰ্শ আৰু প্ৰয়োজনীয় চিকিৎসাৰ ব্যৱস্থা কৰে। শিবিৰত অঞ্চলটোৰ বহু সংখ্যক লোকে অংশগ্ৰহণ কৰি এই সেৱাৰ সুবিধা গ্ৰহণ কৰে। পৰীক্ষাৰ সময়ত বিভিন্ন চকুৰ সমস্যা চিনাক্ত কৰি প্ৰয়োজনীয় ঔষধ আৰু পৰামৰ্শ প্ৰদান কৰা হয়। জটিল সমস্যাত ভুগি থকা ৰোগীসকলক উন্নত চিকিৎসা আৰু অস্ত্ৰোপচাৰৰ বাবে আদিত্য ছুপাৰস্পেচিয়েলিটি হস্পিতাল, ডিব্ৰুগড়লৈ প্ৰেৰণ কৰাৰ ব্যৱস্থাও কৰে। শিবিৰ সফলভাৱে অনুষ্ঠিত কৰিবলৈ সহযোগিতা আগবঢ়োৱা চিকিৎসকসকল, স্বাস্থ্যকৰ্মী, স্বেচ্ছাসেৱক আৰু স্থানীয় ৰাইজলৈ আৰোহণ যুৱক সংঘই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এই জনহিতকৰ স্বাস্থ্যসেৱামূলক কাৰ্যসূচীয়ে অঞ্চলবাসীৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰে।

# বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বৰপেটা জিলাত জিলা পৰ্যায়ৰ অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, বৰপেটা সদৰ, ১১ জুলাই ঃ** বিশ্ব জনসংখ্যা দিৱস উপলক্ষে আজি বৰপেটা জিলাৰ চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত জিলা পৰ্যায়ৰ অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৰপেটা জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ অজিত শৰ্মা, চেঙা আদৰ্শ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ মনোজ চৌধুৰী, চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়া ডাঃ মইনুল হক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বৰপেটাৰ জিলা আঁচনি প্ৰবন্ধক, জিলা মিডিয়া বিশেষজ্ঞ, জিলা পৰিয়াল পৰিকল্পনা সমন্বয়ক, লগতে চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰী, আশা কৰ্মী, আশা পৰিদৰ্শক, ANM আৰু অন্যান্য স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। অনুষ্ঠানত বিশ্ব জনসংখ্যা দিৱসৰ তাৎপৰ্য, পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা, কৈশোৰ স্বাস্থ্য আৰু জনসংখ্যা স্থিতিশীলতাৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগে ৰূপায়ণ কৰি অহা বিভিন্ন কাৰ্যসূচীৰ ওপৰত আলোচনা কৰা হয়। উপস্থিত সকলোকে সজাগতা বৃদ্ধিৰ জৰিয়তে জনসাধাৰণৰ মাজত স্বাস্থ্যসন্মত পৰিয়াল পৰিকল্পনা আৰু দায়িত্বশীল অভিভাৱকত্বৰ বাৰ্তা বিস্তাৰ কৰিবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানৰ অংশ হিচাপে, যোৱা বৰ্ষত পৰিয়াল পৰিকল্পনা কাৰ্যসূচী ৰূপায়ণত উৎকৃষ্ট অৱদান আগবঢ়োৱা আশাসকলক বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

# শঙ্কৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত কৰা ভোৰতাল নৃত্য আৰু খোলবাদন প্ৰশিক্ষণ কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাৰ সৃষ্টিৰাজি জীয়াই ৰখা তথা অসমীয়া লোকসংস্কৃতি সমূহক নৱ প্ৰজন্মৰ মাজত চৰ্চা ৰখাৰ মহান উদ্দেশ্য আগত ৰাখি 'শঙ্কৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, ডুমডুমা'ৰ উদ্যোগত যোৱা ০১ জুলাইৰ পৰা অনুষ্ঠিত হোৱা ভোৰতাল নৃত্য আৰু খোলবাদন প্ৰশিক্ষণ কৰ্মশালাৰ কালি সফল সামৰণি পৰে। ডুমডুমা নামঘৰ প্ৰাঙ্গণত দহ দিনীয়াকৈ অনুষ্ঠিত কৰা এই কৰ্মশালাৰ সামৰণিৰ দিনা আৰম্ভণিতে ডুমডুমা নামঘৰত ভগৱন্তৰ চৰণলৈ এভাগী নৈবেদ্য আগবঢ়াই আশীৰ্বাদ গ্ৰহণ কৰাৰ পাছতেই প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা সমূহীয়া বৰগীত পৰিৱেশন, খোলবাদন আৰু ভোৰতাল নৃত্য পৰিৱেশন কৰে। ৰাষ্ট্ৰীয় সাংস্কৃতিক গৱেষণা বঁটা প্ৰাপক মাজুলীৰ শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক তথা বৰবায়ন দেবেন চন্দ্ৰ ভূএগ প্ৰশিক্ষক ৰূপে উপস্থিত থকা এই কৰ্মশালাত ২০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ৬০ বছৰৰ উৰ্ধৰ মহিলায়ো প্ৰশিক্ষণ গ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানটো আঁত ধৰে শঙ্কৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক জোনালী শইকীয়া ডেকাই। এই সামৰণি অনুষ্ঠানতে প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ প্ৰমাণ পত্ৰ প্ৰদান কৰে অনুষ্ঠানত উপস্থিত থকা শঙ্কৰী কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তিসকলে।

**অসম গণ পৰিষদৰ ডিব্ৰুগড় সমষ্টিৰ সঁজাতি দলৰ খহনীয়া অঞ্চল পৰিদৰ্শন**

# ডিব্ৰুগড়ৰ মোহনাঘাট সমীপৰ টিংখং ভঙাআলিত তীব্ৰ গৰাখহনীয়া

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ জুলাই ঃ** ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তত নদীৰ গৰাখহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰিছে। সম্প্ৰতি ডিব্ৰুগড়ৰ টিংখাং ভঙা আলিত ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতে সৃষ্টি কৰিছে ভয়াৱহ খহনীয়া। বৰ্তমানে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নদীৰ এই সংহাৰী ৰূপ দেখি স্থানীয় ৰাইজৰ মাজত হাহাকাৰ আৰু আতংকৰ সৃষ্টি হৈছে। যদিহে এই খহনীয়া অতি সোনকালে ৰোধ কৰিব পৰা নাযায়, তেনেহ'লে চকুৰ পলকতে অঞ্চলটোৰ বিঘাই বিঘাই ভূমি নদীৰ বুকুত জাহ যোৱাৰ লগতে কাষৰীয়া জনবসতিপূৰ্ণ এলেকা আৰু গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিও চিৰদিনৰ বাবে নিশ্চিহ্ন হৈ পৰিব বুলি স্থানীয় ৰাইজে জনায়। অসম গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক পৰাগ জ্যোতি বৰুৱা, কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য উৎপল শৰ্মা, কেন্দ্ৰীয় মহিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্যা লুকুমণি বৰা, ডিব্ৰুগড় জিলাৰ সহঃ সম্পাদক নিলোৎপল গগৈ, ডিব্ৰুগড় সমষ্টি সমিতিৰ উপ সভাপতি লোকেশ্বৰ ফুকন, গিৰীন দত্ত, ডিব্ৰুগড় সমষ্টি সমিতিৰ যুটীয়া সম্পাদক কিৰণ বৰা আৰু ডিব্ৰুগড় সমষ্টিৰ যুৱ পৰিষদৰ সাধাৰণ সম্পাদক বিক্ৰম চেত্ৰীকে ধৰি সঁজাতি দলে বান গৰাখহনীয়াৰ ক্ষয়ক্ষতিৰ বুজ লয়। জিলা প্ৰশাসনে ক্ষিপ্ৰতাৰে যাবতীয় প্ৰতিৰোধমূলক ব্যৱস্থাৰ লগতে যুদ্ধকালীন তৎপৰতাৰে খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিছে যদিও ডিব্ৰুগড়বাসী এতিয়া আশংকাত দিন কটাবলগীয়া হৈছে।

# চাপৰমুখত শিশু অপহৰণক লৈ উত্তাল জনমত

## দোষীক দৃষ্টান্তমূলক শাস্তি, ড্ৰাগছ-ভাং-চুলাইৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ দাবী

**অসম বাৰ্তা, ৰহা, ১১ জুলাই ঃ** নগাঁও জিলাৰ চাপৰমুখৰ কালিবাৰীৰ পৰা ৮ বছৰীয়া এজনী শিশুক অপহৰণ কৰাৰ ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ ক্ষোভ অব্যাহত আছে। আৰক্ষীৰ ক্ষিপ্ৰ তৎপৰতাত শিশুটিক উদ্ধাৰ কৰাৰ লগতে মূল অভিযুক্ত আশাকৰ্মীসহ চাৰিজনক আটক কৰাৰ পাছতে শুকুৰবাৰে চাপৰমুখ কালিবাৰীত বৃহৎ ৰাজহুৱা সভা অনুষ্ঠিত হয়। স্থানীয় সমাজকৰ্মী ভূপেন তামোলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰি শিশু অপহৰণৰ দৰে জঘন্য ঘটনাৰ তীব্ৰ গৰিহণা দিয়ে। সভাত দোষীসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাৰ লগতে ঘটনাৰ আঁৰত জড়িত সমগ্ৰ চক্ৰটোক চিনাক্ত কৰি কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰা হয়। সভাত বক্তব্য ৰাখি সমাজকৰ্মী, দল-সংগঠনৰ প্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তিসকলে কয় যে, বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি চাপৰমুখত এনে অপৰাধ কোনোপধ্যে সহ্য কৰা নহ'ব। ভৱিষ্যতে এনে ঘটনা পুনৰ সংঘটিত নোহোৱাকৈ সকলোকে সজাগ আৰু ঐক্যবদ্ধ হৈ কাম কৰাৰ আহ্বান জনোৱা হয়। ইয়াৰ উপৰিও, অঞ্চলত বৃদ্ধি পোৱা ড্ৰাগছ, ভাং আৰু চুলাই মদৰ অবৈধ বেহা বন্ধ কৰিবলৈ আৰক্ষী-প্ৰশাসনে তাৎক্ষণিক আৰু কঠোৰ অভিযান চলোৱাৰ দাবী জনায় সভাই। এই অবৈধ কাৰ্যকলাপে নৱপ্ৰজন্মক ধ্বংসৰ দিশে ঠেলি দিয়া বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰে উপস্থিত ৰাইজে। সভাত সমাজসেৱী মুকুন্দ তামোলী ফুকন, কৃষ্ণনাথ, নৱজ্যোতি তামোলী, ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মা, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতি, প্ৰাক্তন পঞ্চায়ত সভাপতি জনাৰ্দন শইকীয়া, ধ্ৰুৱজ্যোতি কোঁৱৰ, সঞ্জিত দে', ইদ্ৰিছ আলী, বাস্তৱ দাসকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ অন্তত ৰাইজে এক শোভাযাত্ৰাৰে চাপৰমুখ আৰক্ষী চকীত উপস্থিত হৈ আৰক্ষী বিষয়াসকলক স্মাৰকলিপি প্ৰদান কৰে। স্মাৰকলিপিত অপহৰণ চক্ৰটোৰ সকলো সদস্যক চিনাক্ত কৰি কঠোৰ শাস্তি, অঞ্চলত চলি থকা সকলো অনৈতিক কাৰ্যকলাপৰ বিৰুদ্ধে তাৎক্ষণিক অভিযান আৰু আইন-শৃংখলা অধিক শক্তিশালী কৰাৰ দাবী জনোৱা হয়। ইফালে, ৰহা থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই জনায় যে আৰক্ষীয়ে ঘটনাটোক অতি গুৰুত্বসহকাৰে তদন্ত কৰি আছে আৰু আইন অনুসৰি সকলো দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে ৰাইজৰ আন দাবীসমূহো আইনগতভাৱে বিবেচনা কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস দিয়ে।

### পৰিয়াল পৰিকল্পনা, মাতৃ-শিশু স্বাস্থ্য আৰু জন সচেতনতা বৃদ্ধিৰ ওপৰত বিশেষ গুৰুত্ব

# বিশ্ব জনসংখ্যা দিৱস উপলক্ষে বৰপেটা জিলাত জিলা পৰ্যায়ৰ অনুষ্ঠান

**অসম বাৰ্তা, চেঙা, ১১ জুলাই ঃ** বিশ্ব জনসংখ্যা দিৱস উপলক্ষে শনিবাৰে বৰপেটা জিলাৰ চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত স্বাস্থ্য বিভাগৰ উদ্যোগত জিলা পৰ্যায়ৰ এক বিশেষ সজাগতা আৰু আলোচনা অনুষ্ঠান সফলতাৰে অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ মূল উদ্দেশ্য আছিল পৰিয়াল পৰিকল্পনাৰ প্ৰয়োজনীয়তা, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা, কৈশোৰ স্বাস্থ্য আৰু জনসংখ্যা স্থিতিশীলতাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত অধিক সজাগতা সৃষ্টি কৰা। অনুষ্ঠানত বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ভূপেন চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৰপেটা জিলাৰ অতিৰিক্ত মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ অজিত শৰ্মা, চেঙা আদৰ্শ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ মনোজ চৌধুৰী, চেঙা খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়া ডাঃ মইনুল হক, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান (NHM), বৰপেটাৰ জিলা আঁচনি প্ৰবন্ধক, জিলা মিডিয়া বিশেষজ্ঞ, জিলা পৰিয়াল পৰিকল্পনা সমন্বয়ক, লগতে আশা কৰ্মী, আশা পৰিদৰ্শক, ANM আৰু স্বাস্থ্য বিভাগৰ বহু বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। সভাত বক্তাসকলে বিশ্ব জনসংখ্যা দিৱস পালনৰ তাৎপৰ্য ব্যাখ্যা কৰি বৰ্ধিত জনসংখ্যাৰ ফলত সৃষ্টি হোৱা সামাজিক, অৰ্থনৈতিক আৰু স্বাস্থ্যজনিত প্ৰত্যাহ্বান সমূহৰ বিষয়ে আলোকপাত কৰে। লগতে পৰিয়াল পৰিকল্পনাৰ আধুনিক পদ্ধতি গ্ৰহণ, মাতৃ আৰু শিশুৰ স্বাস্থ্য সুৰক্ষা নিশ্চিতকৰণ, কৈশোৰ স্বাস্থ্য সেৱা শক্তিশালীকৰণ আৰু দায়িত্বশীল অভিভাৱকত্ব গঢ়ি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বক্তা সকলে কয় যে, সুস্থ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত পৰিয়াল পৰিকল্পনাৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ।জন সচেতনতা বৃদ্ধি আৰু স্বাস্থ্যসন্মত জীৱনশৈলী গঢ়ি তোলাৰ জৰিয়তেই এখন সুস্থ, সুৰক্ষিত আৰু সমৃদ্ধ সমাজ গঢ়ি তোলা সম্ভৱ। সেই উদ্দেশ্যে স্বাস্থ্য বিভাগে ৰূপায়ণ কৰি অহা বিভিন্ন আঁচনি আৰু কাৰ্যসূচীত জনসাধাৰণৰ সক্ৰিয় সহযোগিতা কামনা কৰা হয়। অনুষ্ঠানৰ শেষত যোৱা বৰ্ষত পৰিয়াল পৰিকল্পনা কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰি উৎকৃষ্ট অৱদান আগবঢ়োৱা একাধিক আশা কৰ্মীক বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ নিষ্ঠা, দায়িত্ববোধ আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ শলাগ লৈ ভৱিষ্যতেও একে উৎসাহেৰে কাম কৰি যাবলৈ আহ্বান জনোৱা হয়। অনুষ্ঠানটোৱে স্বাস্থ্য সচেতনতা বৃদ্ধি, পৰিয়াল পৰিকল্পনাৰ প্ৰতি ইতিবাচক মনোভাৱ গঢ়ি তোলা আৰু জনসংখ্যা স্থিতিশীলতাৰ লক্ষ্যত স্বাস্থ্য বিভাগৰ চলি থকা প্ৰচেষ্টাক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হয়।

# ধুনীয়াভেটি গাঁও পঞ্চায়তত ডুমডুমীয়া মণ্ডলৰ বুথ-৬৯ আৰু ৭০নং সমিতি গঠন

**অসম বাৰ্তা, বটদ্ৰৱা, ১১ জুলাই ঃ** নগাঁও জিলাৰ ৫৫নং ধিঙ সমষ্টিত ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে আজি ধুনীয়াভেটি গাঁও পঞ্চায়তত ডুমডুমীয়া মণ্ডলৰ অন্তৰ্গত বুথ নং-৬৯ আৰু ৭০ত আনুষ্ঠানিকভাৱে সমিতি গঠন কৰা হয়। এই কাৰ্যসূচীয়ে স্থানীয় ৰাজনৈতিক পৰিৱেশত নতুন উৎসাহৰ সঞ্চাৰ কৰে। এই উপলক্ষে বুথ নং-৬৯ৰ সভাখন ধনিয়াভেটি চৌৰাপাৰা মুক্তাব বিদ্যালয়ত আৰু বুথ নং-৭০ৰ সভাখন ধুনীয়াভেটি গাঁও পঞ্চায়ত প্ৰাংগণত অনুষ্ঠিত হয়। দুয়োখন সভাতেই স্থানীয় ৰাইজৰ উলহ-মালহৰে প্ৰায় ৩০০জন লোকৰ উপস্থিতিয়ে সভাখন সফল কৰি তোলে। সভাত গণতান্ত্ৰিক পদ্ধতিত আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে বুথ নং-৬৯ৰ সভাপতি হিচাপে ছহিদুল আলম আৰু বুথ নং-৭০ৰ সভাপতি হিচাপে মইনুল হক চৌধুৰীয়ে দায়িত্ব গ্ৰহণ কৰে। নতুনকৈ নিৰ্বাচিত সভাপতি দুজনৰ নেতৃত্বত বুথসমূহত দলীয় কাৰ্যকলাপ অধিক গতিশীল হ'ব বুলি আশা প্ৰকাশ কৰে। উক্ত সভাত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টিৰ ডুমডুমীয়া মণ্ডলৰ সভাপতি আছাদুল হক চৌধুৰী। লগতে প্ৰভাৰী হিচাপে পাৰ্থ বেজবৰুৱা আৰু ফৰিদা আহমেদ, সহ-প্ৰভাৰী বাবুল আনছাৰী আৰু এমৰাজুল হক উপস্থিত থাকি সংগঠনৰ শক্তিশালীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে দলীয় কৰ্মীসকলক আগন্তুক দিনত অধিক সক্ৰিয়ভাৱে কাম কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও পঞ্চায়তৰ বহু সংখ্যক দলীয় কাৰ্যকৰ্তা আৰু সমৰ্থকৰ উপস্থিতিয়ে সভাসমূহক অধিক জীৱন্ত কৰি তোলে। স্থানীয় লোকসকলৰ এই সঁহাৰিয়ে আগন্তুক দিনত বুথ স্তৰত দলীয় সংগঠন অধিক শক্তিশালী হ'ব বুলি দলীয় নেতৃত্বই আশা কৰে।

# দৰঙ নামখলাত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখাৰ অন্তৰ্গত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন

## লক্ষ্য প্ৰাপ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে ধৈৰ্য, প্ৰচুৰ আত্মবিশ্বাস, তাৰনা, সহিষ্ণুতা, আৰু সময়ে-সময়ে হতাশাত ভুগিব লাগিব ঃ কাৰ্ত্তিক কলিতা

**অসম বাৰ্তা, খৈৰাবাৰী, ১১ জুলাই ঃ** দৰঙৰ নামখলা গাঁও পঞ্চায়ত প্ৰেক্ষাত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন দেওধনীঘাট শাখা আৰু শিক্ষা উপ সমিতিৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানখনি যোৱা ১১ জুলাই শনিবাৰ ২০১৬ তাৰিখে অনুষ্ঠিত হৈ যায়। দেওধনীঘাট শাখাৰ শিক্ষা উপ সমিতিৰ সাধাৰণ সম্পাদক খনীন্দ্ৰ বৰুৱাই আট ধৰা আৰু কণিহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক দিপাংকৰ কলিতাই উদ্বোধন কৰা সভা সঞ্চালনা কৰে দেওধনীঘাট শাখাৰ শিক্ষা উপ সমিতিৰ সভাপতি প্ৰবীন চন্দ্ৰ চলিহাই। সভাত দেওধনীঘাট শাখাৰ শিক্ষা উপ সমিতিৰ বিষয়ববীয়া সকলে আমন্ত্ৰিত ব্যক্তি সকলক জাতীয় গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ পাছত নিৰ্দিষ্ট বক্তা ভাষণ প্ৰদান কৰে বিহগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কাৰ্ত্তিক কলিতাই। ভাষণ প্ৰসংগত কলিতাই ছাত্ৰ-ছাত্ৰী সকলক মনত প্ৰচুৰ আত্মবিশ্বাস ৰাখি ধৈৰ্য আৰু পৰিশ্ৰমৰ মাজেৰে নিজক প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। সম্বৰ্ধনা জ্ঞাপন সভাত দেওধনীঘাট শাখাৰ শিক্ষা উপ সমিতিৰ উপ সভাপতি মহেন্দ্ৰ কলিতাৰ উপৰিও শিক্ষা উপ সমিতিৰ বিষয়ববীয়া সকল দেওধনীঘাট শাখাৰ প্ৰাক্তন সভাপতি বসন্ত কলিতা, কনক কলিতা, বৰ্তমানৰ সভাপতি অমৃত কুমাৰ কলিতা, সম্পাদক শৰৎ কলিতা, নামখলা গাঁও পঞ্চায়তৰ সভানেত্ৰী নিকুমণি শইকীয়া, অৱসৰী কৃতি শিক্ষক ভূমিধৰ চহৰীয়া, শিক্ষয়ত্ৰী কাণন চহৰীয়াৰ উপৰিও বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ প্ৰাক্তন সভাপতি ৰামচন্দ্ৰ চহৰীয়াই ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলক উদ্দেশ্যি বক্তৃতা প্ৰদান কৰে। ইয়াৰ উপৰিও কামৰূপ জিলা চেঙা শিক্ষা খণ্ডৰ শিক্ষা বিষয়া সমৰেন্দ্ৰ চহৰীয়া আৰু অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ উপ-সভাপতি অতুল চন্দ্ৰ চহৰীয়াই ভাষণ ভাষণ প্ৰদান কৰে। সভাত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৭৫ শতাংশ নম্বৰ সহ সুখ্যাতিৰে উত্তীৰ্ণ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, কলম আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অন্যহাতে সম্বৰ্ধনা সভাত কৃতীত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী সকলৰ একাংশই অনুভৱ ব্যক্ত কৰি অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে।

# তিনিচুকীয়া জিলা শৈক্ষিক গোটৰ উদ্যোগত 'প্ৰজ্ঞাৰ বাটেৰে' ই-আলোচনীৰ দ্বিতীয় সংখ্যাৰ বাবে লেখা আহ্বান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃষ্টিশীল চিন্তা, সাহিত্যচৰ্চা, শিক্ষাদানৰ অভিনৱ অভিজ্ঞতা আৰু উদ্ভাৱনীমূলক কৰ্মধাৰাক এক সুদৃঢ় মঞ্চ প্ৰদান কৰাৰ লক্ষ্যৰে তিনিচুকীয়া জিলা শৈক্ষিক গোটে প্ৰকাশ কৰি অহা 'প্ৰজ্ঞাৰ বাটেৰে' ই-আলোচনীৰ দ্বিতীয় সংখ্যাৰ বাবে মৌলিক লেখা আহ্বান জনাইছে। প্ৰথম সংখ্যাই শিক্ষক সমাজৰ মাজত ব্যাপক সঁহাৰি লাভ কৰাৰ পিছত এই বাৰ অধিক সমৃদ্ধ আৰু বিষয়বস্তুসমৃদ্ধ ৰূপত আলোচনীখন প্ৰকাশৰ প্ৰস্তুতি চলিছে। ই-আলোচনীখনৰ দ্বিতীয় সংখ্যাৰ সম্পাদক দুৰ্জয় লোচন চেতিয়াই জনোৱা মতে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৃজনশীলতা, উদ্ভাৱনীমূলক চিন্তা আৰু বিদ্যালয়ভিত্তিক সফল অভিজ্ঞতাসমূহ বৃহত্তৰ শিক্ষক সমাজৰ সৈতে ভাগ-বতৰা কৰাৰ উদ্দেশ্যেই এই ই-আলোচনী প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই সংখ্যাৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ (NEP-2020), FLN, উদ্ভাৱনীমূলক শিক্ষণ-পদ্ধতি, TLMৰ ফলপ্ৰসূ ব্যৱহাৰ, আনন্দদায়ক শিক্ষণ পৰিৱেশ, অন্তৰ্ভুক্তিমূলক শিক্ষা, ICT-ভিত্তিক শিক্ষণ, পৰিৱেশ সংৰক্ষণ, দক্ষতাভিত্তিক শিক্ষা, বিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু অধ্যয়ন কোণ, লগতে অভিভাৱক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ ভূমিকা আদি বিষয়ৰ ওপৰত সৰ্বাধিক ২০০ শব্দৰ ভিতৰত অসমীয়া, ইংৰাজী অথবা হিন্দী ভাষাত মৌলিক লেখা আহ্বান কৰা হৈছে। লেখাসমূহ ৫ আগষ্ট, ২০২৬-ৰ ভিতৰত emagazinetsk2026@gmail.com ই-মেইল অথবা ৯২৮২১ ৬২২১১ নম্বৰত WhatsApp-যোগে প্ৰেৰণ কৰিব লাগিব। লেখাৰ সৈতে লেখকৰ নাম, বিদ্যালয়ৰ নাম, পদবী আৰু এখন পাছপ'ৰ্ট আকাৰৰ ফটো সংলগ্ন কৰাটো বাধ্যতামূলক। নিৰ্বাচিত লেখাসমূহ 'প্ৰজ্ঞাৰ বাটেৰে' ই-আলোচনীৰ দ্বিতীয় সংখ্যাত প্ৰকাশ কৰা হ'ব। আগ্ৰহী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলেও নিজৰ মৌলিক লেখা প্ৰেৰণ কৰিব পাৰিব। তিনিচুকীয়া জিলা শৈক্ষিক গোটৰ এই প্ৰশংসনীয় পদক্ষেপক আদৰণি জনাই তিনিচুকীয়া সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মদন পেগু আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা জিলা মিচন সমন্বয়ক বিন্তী শৰ্মাই জিলাখনৰ প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীক এই জ্ঞান-বিনিময়মূলক আৰু সৃষ্টিশীল প্ৰয়াসত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিবলৈ আন্তৰিক আহ্বান জনাইছে।

# অভয়াপুৰী আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন বিষয়াৰ কাৰ্যালয় নতুন ভৱনৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, লেংটিছিঙা, ১১ জুলাই ঃ** অভয়াপুৰী আঞ্চলিক কৃত্ৰিম গো-প্ৰজনন বিষয়াৰ কাৰ্যালয় ভৱনৰ আজি মাংগলিক কাৰ্যসূচীৰে এটা নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰা হয়। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি -৩১ৰ আঁচনিৰ ডেৰ কোটিধিক ধনৰে নিৰ্মাণ হ'বলগীয়া উক্ত ভৱনটোৰ আধাৰশিলা স্থাপন কৰে ১৬ নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে। আধাৰশিলা স্থাপনৰ পাছত আৰম্ভ কৰা হয় এখন সভাৰ। ডাঃ চাইদুল ইছলামে আঁত ধৰা আজিৰ সভাৰ উদ্দেশ্য ব্যাখা কৰে ডাঃ জ্যোতিষ কলিতাই। আদৰণি ভাষণ ৰাখে ডাঃ ছাইদুল ইছলামে। সেই সভাৰ সমল ব্যক্তি হিচাপে উপস্থিত থকা বিধায়ক ভূপেন ৰায়ে কয় ভাষণ প্ৰসংগত কয় যে অসমখন হ'ল গ্ৰাহক ৰাজ্য। আমি ব্যৱহাৰ কৰা সৰু আলপিনটোৰ পৰা জনজীৱনত প্ৰযোজ্য হোৱা প্ৰায় প্ৰতিবিধ সামগ্ৰী আমি আমদানিকৃত সামগ্ৰী ব্যৱহাৰ কৰিব লাগে। মূলত ক্ষুদ্ৰ উদ্যোগৰ প্ৰতি আমাৰ উদাসীনতা, এক দিনতে লাখপতি হোৱাৰ লালসা, সৰুসুৰা কাম কৰিবলৈ লাজ পোৱাৰ বাবেই আমি বহিঃৰাজ্যৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হৈছে। যাৰ বাবে আমাৰ জনমুৰী আয় যিমান বাঢ়িব লাগিছিল তেনেদৰে বঢ়া নাই। ভাষণ প্ৰসংগত তেওঁ আৰু কয় যে বঙাইগাঁও জিলাত এখন দুগ্ধ পাম আছে যদিও জিলাখনত উৎপাদন নহয় পৰ্যাপ্ত পৰিমাণৰ গাখীৰ। উত্তৰ শালমাৰা থকা লখিমী ডাইৰী ফাৰ্মখনত সম্প্ৰতি ২২খন ছচাইটিয়ে গাখীৰ দি আছে যদিও জিলাখনত পৰ্যাপ্ত পৰিমাণে নাই গো-পালক। অথচ চৰকাৰে গো পালনৰ কাৰণে দিছে সকলোবোৰ সা-সুবিধা। তেওঁ আৰু কোৱা মতে অসমীয়া মানুহে পৰচৰ্চা বেছিকৈ কৰে। যাৰ বাবে কোনো কামৰ বাবে আগবাঢ়ি যোৱাজনেও এটা সময়ত সমালোচনাৰ ভৰ সহ্য কৰিব নোৱাৰা হৈ পৰে। তেওঁৰ মতে সমালোচনা গঠনমূলক হলে ভাল হয়। ভাষণত তেওঁ খুউব আবেগিক ভাৱে কয় যে একাংশ অসমীয়া যুৱক স্বাক্ষৰ হোৱাৰ পাছত নিবনুৱাৰ লেবেল গাত লগাই লয়। তেওঁলোকে চৰকাৰী চাকৰিকে মূল লক্ষ্য বুলি ধৰি লয়। সেই নিৱনুৱা সকলৰ অধিকাংশই হাঁহ কুকুৰা পাৰ গৰু ছাগলী পালন কৰাত লাজ পায় অথচ যদি বিজ্ঞানসন্মত ভাৱে হাঁহ-কুকুৰা-পাৰ, ছাগলী, গৰু আদি পালন কৰিলেও স্বাৱলম্বী হ'ব পাৰে। আজিৰ সভাত উপস্থিত থাকে, ডাঃ অশ্বিনী কলিতা, ডাঃ ফটিক দাস, ডাঃ উত্তম চৌধুৰী, ডাঃ চয়নিকা মজুমদাৰ, নৱ কৃষ্ণ চক্ৰৱৰ্তী, ডাঃ ভৱধৰ মজুমদাৰ, ডাঃ জ্যোতিষ কলিতা, ডাঃ প্ৰদীপ কুমাৰ শৰ্মা, ডাঃ নুৰুল ইছলাম, ডাঃ অনিন্দিতা মালী, ডাঃ ত্ৰিলোচন বৰ্মন, ডাঃ সৌৰভ জ্যোতি বৰ্মন, ডাঃ কৃষ্ণ পাঠক, ডাঃ বাণী কান্ত ৰায়, অঞ্জলি দাস, তপন কুমাৰ দাস, ইক্ৰামুল হুছেইন, উদয় কলিতা, দুলাল শীল ৰবিন শীল, শৈলেশ চৌধুৰী, অপূৰ্ব সিংহ, বাবুল ৰায়, অৰূপ পাঠক আদিকে ধৰি আন বহু লোক।

# ডুমডুমাৰ দুৱাৰমাৰা বালিজানত বৈদ্যুতিক তাঁৰত লাগি বন্যহস্তীৰ মৃত্যু; এজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১১ জুলাই ঃ** ডুমডুমা বন সংমণ্ডলৰ অধীনৰ দুৱাৰমাৰা বালিজান গাঁৱত যোৱা ৭ জুলাইত এটা বনৰীয়া হাতীৰ মৃত্যু হৈছিল। বন বিভাগৰ তদন্তত আৰু মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত বিদ্যুৎ পৃষ্ঠ হৈ হাতীটোৰ মৃত্যু হোৱা বুলি ধৰা পৰিছে। বন বিভাগৰ লোকে জানিবলৈ দিয়া মতে স্থানীয় বাসিন্দা লেহুক পাটৰে বনাঞ্চলৰ হাতী খেদিবলৈ বুলি তেওঁৰ বাসগৃহৰ সমীপত অবৈধভাৱে স্থাপন কৰা বৈদ্যুতিক তাঁৰত লাগি বন্যহস্তীটোৰ কৰুণ মৃত্যু হয়। লেহুক পাটৰৰ ঘৰটো আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলৰ কাষতে অৱস্থিত। উক্ত অঞ্চলত বনৰীয়া হাতীৰ উপদ্ৰৱ চলি থকাৰ বাবে তেওঁ হাতী খেদিবলৈ বুলি এই ব্যৱস্থা গ্ৰহণ কৰিছিল। বন বিভাগে 'বন্যপ্ৰাণী সংৰক্ষণ আইন - ১৯৭২'ৰ ৯, ৩৯, ৫০ আৰু ৫১ ধাৰাৰ অধীনত লেহুক পাটৰক গ্ৰেপ্তাৰ কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰিছে।

# ২ নং গাৰু গাঁৱত আই নৈৰ খহনীয়াত গৃহহীন হোৱা ২৪টা পৰিয়ালে বসবাস কৰিছে মুকলি আকাশৰ তলত

**অসম বাৰ্তা, অভয়াপুৰী, ১১ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২ নং গাৰু গাঁৱত আই নৈৰ ভয়ংকৰ খহনীয়াত আক্ৰান্ত হোৱা ২৪টা পৰিয়ালে বসবাস কৰিছে মুকলি আকাশৰ তলত। খহনীয়াই পৰিয়াল কেইটাৰ ঘৰ-বাৰী, বয়-বস্তু, লামলাটু কু হেৰুৱাই সৰ্বহাৰা হৈ পৰিছে। খহনীয়া গ্ৰস্থ লোক সকলে তীৰপাল আদিৰে ঝুপুৰী সাজি বস্তীবাসী হিচাপে কৰি আছে জীৱন যাপন। খহনীয়াত গৃহহীন হোৱা পৰিয়ালৰ স্কুল - কলেজিয়া ছাত্ৰ-ছাত্ৰীয়ে বঞ্চিত হৈছে শিক্ষাৰ পৰা। খাদ্য আৰু বিশুদ্ধ খোৱা পানীৰ অভাৱত দিন পাৰ কৰিছে অঞ্চলটোৰ লোক সকলে। বান সাহায্য বা খহনীয়া প্ৰতিৰোধৰ বাবে স্থায়ী ব্যৱস্থা নোলোৱাৰ অভিযোগ। প্ৰশাসন আৰুজন প্ৰতিনিধিক বিহিত ব্যৱস্থা লোৱাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# হাজোৰ কুলহাটী কোনাদিয়াত শাহুয়েকৰ ডিঙি ৰেপি হত্যা কৰিলে বোৱাৰীয়ে

## বোৱাৰী মামনি কলিতাক আৰক্ষীৰ আটক

**অসম বাৰ্তা, হাজো, ১১ জুলাই ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কুলহাটী কোনাদিয়াত শাহুয়েকক ডিঙি ৰেপি হত্যা কৰিলে নিজ বোৱাৰীয়ে। নিহত মহিলা গৰাকী আইকন দাস(৬০)। নিজ বোৱাৰীৰ হাতত এগৰাকী ষাঠি বছৰীয়া মহিলাই নৃশংস ভাৱে হত্যাৰ বলি হোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ সবিশেষ জানিব পৰা মতে কুলহাটী কোনাদিয়াৰ আইকন দাসৰ একমাত্ৰ পুত্ৰ হিতেশ দাসে হাজো আৰক্ষী থানাৰ অন্তৰ্গত নয়নপুৰৰ ধীৰেন কলিতাৰ কন্যা মামনি কলিতাৰ সৈতে প্ৰায় পাঁচ মাহ পূৰ্বে সামাজিক ভাৱে বিৱাহ পাশত আবদ্ধ হৈছিল। কিন্তু বিৱাহৰ দুমাহ মান পিছৰে পৰা শাহু বোৱাৰীৰ মাজত আৰম্ভ পাৰিবাৰিক সংঘাত। আনকি কেইবাবাৰো স্বামী স্ত্ৰীৰ মাজত হতাহতি পৰ্যন্ত ঘটিছিল। ইয়াৰ পিছত স্থানীয় ৰাইজে কেইবাবাৰো বুজাই বঢ়াই কাজিয়াৰ সমাপ্তি ঘটাইছিল যদিও চতুৰ বোৱাৰী মামনি কলিতাই স্বামী হিতেশ দাস ঘৰত নথকাৰ সুযোগ বুজি শাহু মাক আইকন দাসৰ ওপৰত চলাই আহিছিল শাৰীৰিক আৰু মানসিক নিৰ্যাতন। কালিও অইন দিনৰ দৰে নিশা পুত্ৰ কৰ্মস্থলীলৈ যোৱাৰ পিছত আহাৰ গ্ৰহণ কৰি শোৱনি কোঠালৈ গৈ আইকন দাসে (৬০) শুই আছিল। পিছে আজি পুৱা পুত্ৰ হিতেশ দাসে নৈশ কৰ্তব্য সমাপ্ত কৰি গুৱাহাটীৰ পৰা ঘৰলৈ আহি মাকক নেদেখি মাকৰ কোঠালৈ যায়। কোঠাত মাকক মজিয়াত তেজেৰে ৰাঙলী হৈ পৰি থকা দেখি অচেতন হৈ পৰে। পিচত ঘটনাৰ খবৰ গাৱত বিয়পি পৰাত ঘটনাস্থলীত লোকে লোকাৰণ্য হৈ পৰে। ঘটনাৰ সবিশেষ হাজো আৰক্ষীক জনোৱাত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মজিয়াত তেজেৰে লুতুৰি পুতুৰি হৈ থকা আইকনৰ মৃতদেহ প্ৰত্যক্ষ কৰাৰ উপৰিও মৃতদেহৰ ওচৰতে থকা টেবুলৰ ওপৰত তেজ লগা কটাৰী আৰু দৰ্জাৰ তলা চাবি প্ৰত্যক্ষ কৰে। মৃত্যুৰ ৰহস্য সঠিক ভাৱে উদঘাটন কৰিবলৈ গুৱাহাটীৰ পৰা ফৰেনচিক বিভাগৰ দল উপস্থিত হয়। ইতিমধ্যে হাজো আৰক্ষীয়ে বোৱাৰী মামনি কলিতাক সোধ পোচৰ বাবে আটক কৰে। ওচৰ চুবুৰীয়াৰ মতে শাহু বোৱাৰীৰ মাজত প্ৰায়ে পাৰিবাৰিক অশান্তিৰ সৃষ্টি হৈছিল। সেয়ে বোৱাৰী মামনি কলিতাই শাহুয়েকক হত্যা কৰাৰ সন্দেহ চুবুৰীয়া সকলৰ। এতিয়া আৰক্ষীৰ তদন্তত ওলাই পৰিব প্ৰকৃত ৰহস্য।

# নৃত্য শিল্পী সম্প্ৰীতি বৰঠাকুৰ লৈ ত্ৰিভংগ নৃত্য সাধনা বঁটা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১১ জুলাই ঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত বৰগোলাই অঞ্চলৰ নিবাসী নৃত্য শিল্পী সম্প্ৰীতি বৰঠাকুৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ যোগোৱা বৰঙণিৰ ডিগবৈৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান ত্ৰিভংগ সাংস্কৃতিক মঞ্চই আগবঢ়াইছে ত্ৰিভংগ নৃত্য সাধনা বঁটা ২০২৬। সম্প্ৰীতি বৰঠাকুৰে সত্ৰীয়া নৃত্য, ৰবীন্দ্ৰ নৃত্য, কথক নৃত্য, শাস্ত্ৰীয় সংগীতত বিশাৰদ লাভ কৰাৰ লগতে সৃষ্টিশীল নৃত্যত নৃত্য চুড়ামণি ডিগ্ৰী লাভ কৰিছে। অসমৰ বিভিন্ন মঞ্চৰ উপৰিও অসমৰ বাহিৰতো নৃত্য পৰিৱেশন কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হোৱা সম্প্ৰীতি বৰঠাকুৰ ভাওনা সংস্কৃতিৰ লগতো জড়িত। অভিনয়ৰ ক্ষেত্ৰখনতো নিজস্ব পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছে শিল্পী গৰাকীয়ে। ইতিমধ্যে কুৰিখনৰো অধিক নাট ভাওনাত সূত্ৰৰ লগতে অন্যান্য বিভিন্ন চৰিত্ৰত অভিনয় কৰি সম্প্ৰীতিয়ে দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সম্প্ৰীতিয়ে শেহতীয়াকৈ গুৱাহাটী দূৰদৰ্শনৰ গ্ৰেড বি আৰ্টিছৰো স্বীকৃতি লাভ কৰিছে। ২০১৮চনত প্ৰতিষ্ঠা লাভ কৰা ডিগবৈৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান ত্ৰিভংগ সাংস্কৃতিক মঞ্চৰ নৱম প্ৰতিষ্ঠা দিৱস কালিৰে পৰা দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ডিগবৈ বালিজান ৰাজহুৱা ৰংগমঞ্চত অনুষ্ঠিত হৈছে। ত্ৰিভংগ সাংস্কৃতিক মঞ্চৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰথম দিনা অৰ্থাৎ কালি সম্প্ৰীতি বৰঠাকুৰক ত্ৰিভংগ নৃত্য সাধনা বঁটা ২০২৬ প্ৰদান কৰে।

# দেৰগাঁৱৰ সমীপৱৰ্তী ৰজাবাহৰ ভূএগ্ৰা গাঁৱত চাহ জনজাতি লোকৰ দ্বাৰা ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, দেৰগাঁও, ১১ জুলাই ঃ** দেৰগাঁৱৰ সমীপৱৰ্তী ৰজাবাহাৰ ভূএগ্ৰা গাঁও নামঘৰত চাহ জনজাতি লোকৰ দ্বাৰা অনুষ্ঠিত হোৱা মহাপুৰুষীয়া আৰ্হিৰ ভাওনা 'প্ৰদুম্ন্য পৰ্ব'ই মন মুহিলে অগণন দৰ্শকক। শুক্ৰবাৰে নিশা দেৰগাঁৱৰ ৰজাবাহৰ ভূএগ্ৰা গাঁও নামঘৰত মহাপুৰুষীয়া আৰ্হি ভাওনা 'প্ৰদুম্ন্য পৰ্ব'ই কেইবা শতাধিক দৰ্শকক মোহাচন্ন কৰি ৰাখিলে। মূলত এই ভূএগ্ৰা গাঁৱত চাহ জনজাতি শ্ৰমজীৱি লোক সকল অতি কষ্টৰে বহু বছৰ ধৰি এনেদৰেই বাৰ্ষিক ভাওনা অনুষ্ঠিত কৰি সকলোৰে প্ৰশংসা পাবলৈ সক্ষম হৈছে। আজিৰ এই ভাওনা ভাগ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে স্থানীয় ৰঘুনাথ ভূএগ্ৰাই। ভাওনাৰ লগত সংহতি ৰাখি ঈশ্বৰ পুত্ৰ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত স্মৃতিচাৰণ কৰাৰ লগতে গাঁৱৰ কেইবাজনো বয়োজ্যেষ্ঠ তথা স্থানীয় জয়ন্ত গোস্বামীকে প্ৰমুখ্যে কৰি কেইবাজনো এই গাঁৱৰ লগত জড়িত ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন